নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

# প্ৰাগ্‌জ্যোতি

২০১০-১১ ইং বৰ্ষ




সম্পাদক


সঞ্জীৱ কুমাৰ শৰ্মা




স্বৰ্গীয় নিৰ্মল হালৈৰ আৱক্ষ মূৰ্তি




ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহ



মহাবিদ্যালয়ৰ পানী যোগান আঁচনি



মহাবিদ্যালয়ৰ এটি দৃশ্য



মহাবিদ্যালয়ৰ শ্ৰেণী কক্ষত পাঠদান চলি থকাৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ ফুলনি বাগিছাৰ একাংশ

# প্ৰাগ্‌জ্যোতি

## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

ত্ৰিবিংশতিতম্ সংখ্যা

২০১০-১১ ইং বৰ্ষ

আন্তৰিক শুভেচ্ছাৰে

প্ৰতি,

............................................................

............................................................

তত্ত্বাৱধায়ক
শ্ৰীমাণিক চন্দ্ৰ দাস

সম্পাদক
শ্ৰীসঞ্জীৱ কুমাৰ শৰ্মা

**PRAGJYOTI** : The Annual Publication of Nirmal Haloi College Students Union 23rd issue 2010-11.
Published & Reserved by Nirmal Haloi College Student's Union, Nirmal Haloi College, Patacharkuchi

## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ প্ৰশাসনিক সমিতি

| | |
|---|---|
| সভাপতি | শ্ৰীধৰণীধৰ ৰয় |
| সম্পাদক | ড° বীৰেন্দ্ৰ ডেকা |
| বিশ্ববিদ্যালয় মনোনীত সদস্য | ড° ধীৰেন্দ্ৰ নাথ মহন্ত |
| | শ্ৰীঅমূল্য দেৱ চৌধুৰী |
| অভিভাৱক সদস্য | শ্ৰীজৱাহৰলাল খাটনিয়াৰ |
| | শ্ৰীঅমূল্য শৰ্মা |
| মহিলা সদস্যা | শ্ৰীধীৰা গোস্বামী |
| উপাধ্যক্ষ, পদেন সদস্য | শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া |
| শিক্ষক সদস্যা | শ্ৰীনিৰ্মালী মহন্ত চৌধুৰী |
| শিক্ষক সদস্য | শ্ৰীহেমন্ত কুমাৰ শীল |
| সদস্য, কৰ্মচাৰী গোট | শ্ৰীকনক চন্দ্ৰ গোস্বামী |
| দাতা সদস্য | শ্ৰীভাবিত চন্দ্ৰ হালৈ |

## সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি | ড° বীৰেন্দ্ৰ ডেকা |
| তত্ত্বাবধায়ক | শ্ৰীমাণিক চন্দ্ৰ দাস |
| সম্পাদক | শ্ৰীসঞ্জীৱ কুমাৰ শৰ্মা |
| সদস্য/সদস্যা | শ্ৰীনিৰ্মল চন্দ্ৰ শইকীয়া |
| | শ্ৰীতপন কাকতি |
| | শ্ৰীনিৰ্মালী মহন্ত চৌধুৰী |
| | ড° নৱনীতা কলিতা |
| ছাত্ৰ সদস্য | শ্ৰীবনজিৎ শৰ্মা |
| | শ্ৰীকমল মেধী |
| বেটুপাত | শ্ৰীমনজিৎ ৰাজখোৱা |

**কৃতজ্ঞতাৰ শৰাই ঃ**
সম্পাদনা সমিতি, নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী বিভাগ, প্ৰশাসনিক সমিতি, নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকা, ছাত্ৰ একতা সভা, বৃহত্তৰ কলেজ পৰিয়াল আৰু সমূহ শুভাকাংখী।

**সম্পাদনা সমিতিৰ টোকা ঃ**
আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল সলনি কৰিছে। কোনো লেখকে যদি আনৰ লিখনি নকল কৰিছে আৰু আনৰ লিখনিৰ পৰা হুবহুভাবে প্ৰকাশ কৰিছে আৰু ইয়াক সম্পাদনা সমিতিৰ অগোচৰে কৰিছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়। সমালোচনা আৰু মতামতো লিখকৰ নিজা।

**ক্ষমা প্ৰাৰ্থনা ঃ**
সম্পাদনা সমিতিৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

অংগসজ্জা ঃ ৰিংকু শৰ্মা
ডি.টি.পি ঃ মৃদুল কলিতা
ছপা ঃ অভিনৱ ডিটিপি এণ্ড পূবালী অফচেট, পাটাছাৰকুছি

ড° হিমন্ত বিশ্ব শৰ্মা, এম এ, এল এল বি, পি এইচ ডি
মন্ত্ৰী
শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ
আৰু অসম চুক্তি ৰূপায়ণ বিভাগ

অসম সচিবালয়, দিশপুৰ, গুৱাহাটী-৬
দূৰভাষ ঃ (০৩৬১) ২২৩৭৩০১ (কাঃ)
২২৩৭০১২ (ফেক্স)
২২৬৮৪১৯ (ঘৰঃ)

সত্যমেৱ জয়তে

প্ৰসঙ্গ ঃ.......................... দিনাংক ঃ......................



## শুভেচ্ছা বাণী

বৰপেটা জিলাৰ পাটাছাৰকুছিৰ অন্তৰ্গত নিৰ্মল হালৈ মহাবিদ্যালয়ে অইন বছৰৰ দৰেই এইবাৰেও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰাগজ্যোতি' প্ৰকাশৰ প্ৰস্তুতি হাতত লোৱা বুলি জানিবলৈ পাই সুখী হৈছো।

আশা কৰো, আলোচনী খনৰ প্ৰকাশে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশত এক ইতিবাচক ও অগ্ৰণী ভূমিকা পালন কৰিব আৰু 'প্ৰাগজ্যোতি' আলোচনী খন সুন্দৰ ৰূপত প্ৰকাশ পাব।

সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী ও পাটাছাৰকুছি বাইজলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

(হিমন্ত বিশ্ব শৰ্মা)

OFFICE OF THE PRINCIPAL
**NIRMAL HALOI COLLEGE**
A PARTNER INSTITUTE OF *IGNOU* UNDER CONVERGENCE SCHEME
NAAC accredited
Affiliated to Guwahati University
S.R. No. 3561 of 1988/89
**PATACHARKUCHI * BARPETA * ASSAM * PIN - 781326**
Web Site : www.nirmalhaloi college.in
E Mail ID : nhcollege.pkc@rediffmail.com
: nhcpkc-cor@yahoo.com

03666 264650 (O)
03624 236031 (R)
99540 37276 (M)

Date : 10-12-2011

DR : BIRENDRA DEKA, M.A, Ph.D, PGDHE (IGNOU)
*Principal & Secretary*

## আন্তৰিক শুভেচ্ছা



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা, সংস্কৃতি আৰু সাহিত্য সন্দৰ্ভৰ লিখনিৰ মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি' লৈ শুভেচ্ছা আগবঢ়ালোঁ। লগতে চিন্তাধাৰাৰ মাধ্যমেৰে সমৃদ্ধ মুখপত্ৰ আশা কৰো ইয়াৰ মাধ্যমেৰ মহাবিদ্যালয়ৰ ঐতিহ্য সমাজত প্ৰতিফলিত হ'ব।

ড° বীৰেন্দ্ৰ ডেকা
অধ্যক্ষ
নিৰ্মল হালৈ মহাবিদ্যালয়
পাটাছাৰকুছি

## শ্ৰদ্ধাঞ্জলি

যিসকল মহান আত্মাই অপূৰ্ব তথা মহৎ গুণৰাজিৰে এই জগতক জ্যোতিৰ্ময় কৰি আমাৰ মাজৰ পৰা গুচি গ'ল আৰু যিসকল ব্যক্তিয়ে দেশ আৰু দহৰ হকে স্বাৰ্থ বিসৰ্জন দি ছহীদ হ'ল আৰু লগতে যিসকল জ্ঞাত-অজ্ঞাত ব্যক্তিৰ যোৱা সময় ছোৱাত বৈকুণ্ঠ প্ৰয়াণ হ'ল সেই মহান ব্যক্তি সকললৈ আমি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

সম্পাদনা সমিতি
প্ৰাগ্‌জ্যোতি

# আমাৰ শ্ৰদ্ধাঞ্জলি



ড° ভূপেন হাজৰিকা
জন্ম ঃ ১৯২৬ চনৰ ৮ চেপ্তেম্বৰ
মৃত্যু ঃ ২০১১ চনৰ ৫ নৱেম্বৰ

অসমৰ সাহিত্য আৰু সাংস্কৃতিক জগতলৈ অৱদান আগবঢ়াই যোৱা এই গৰাকী মহান সংস্কৃতিৰ সাধকলৈ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।



ড° মামণি ৰয়ছম গোস্বামী
জন্ম ঃ ১৯৪২ চনৰ ১৪ নৱেম্বৰ
মৃত্যু ঃ ২০১১ চনৰ ২৯ নৱেম্বৰ

অসমৰ সাহিত্য জগতলৈ অৱদান আগবঢ়াই যোৱা এই গৰাকী মহান সাহিত্য সেৱীলৈ আমাৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।



পুলিন দাস
জন্ম ঃ ১৯৬৮ চনৰ ৩ ডিচেম্বৰ
মৃত্যু ঃ ২০১১ চনৰ ২৩ ডিচেম্বৰ

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী পুলিন দাসলৈ আমাৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।



কমল ৰয়
জন্ম ঃ ১৯৯১ ইং চন
মৃত্যু ঃ ২০১১ চনৰ ৬ আগষ্ট

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ কমল ৰয়লৈ আমাৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# সাফল্যৰ শিতান



মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° তপন কলিতাক গুৱাহাটী বিশ্ববিদ্যালয়ে তেখেতৰ "Management System of the Temples of Assam and Orissa : A Comparative Study" শীৰ্ষক গৱেষণাৰ বাবে পি.এইচ.ডি. ডিগ্ৰী প্ৰদান কৰিছে। প্ৰাগ্‌জ্যোতিৰ তৰফৰ পৰা তেখেতলৈ অভিনন্দন আৰু শুভেচ্ছা জনাইছো।

# সভ্য সমাজৰ বৰ্বৰতা

বিভামণি দাস
স্নাতক দ্বিতীয় বৰ্ষ

আজিৰ সমাজখন হৈছে সভ্য সমাজ। সেই আদিম অসভ্য বৰ্বৰ সমাজ আৰু আজি নাই। অসভ্য বৰ্বৰ সমাজখন পৰিৱৰ্তিত হৈছে এখন সভ্য সমাজলৈ। শিক্ষা-দীক্ষাৰে পৰিপূৰ্ণ আজিৰ কৰ্মব্যস্ত মানুহবোৰ। আজি হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। যাৰ ফলস্বৰূপে মানুহ আজি বহু ওপৰলৈ উঠিব পাৰিছে। এতিয়া আৰু মানুহ মানুহ হৈ থকা নাই। যেন অদৃশ্য শক্তি সেই ভগৱান স্বৰূপ মানুহ।

মানুহে আজি কি কৰা নাই? কম্পিউটাৰ, মোবাইল, উৰাজাহাজ, ৰেল এইবোৰতো মানুহেই আৱিষ্কাৰ কৰা। তেনেহ'লে মানুহে নোৱাৰা কাম কি আছে। মানুহেই একমাত্ৰ সকলো কৰিব পাৰে। কিন্তু ইয়াতে এটা প্ৰশ্ন মনলৈ আহে - যদি মানুহেই সকলো কৰিব পাৰে তেনেহ'লে মানুহে এখন শান্তিৰ, সুন্দৰ, শোষণমুক্ত সমাজ গঢ়ি তুলিব পৰা নাই কিয়? কিয় মানুহে বিবেকহীন হৈ আজি নৈতিকতাৰ কথা পাহৰি গৈছে?আজি সমাজৰ প্ৰত্যেকজন মানুহ শিক্ষিত হৈও যেন অশিক্ষিত। দোপত দোপে মানুহ উচ্চ শিখৰলৈ ধাৱমান হ'ব পাৰিছে যদিও মানুহক আজি প্ৰকৃত জ্ঞানী বুলি ক'ব নোৱাৰি। কিন্তু সেইবুলি মই এইটো কোৱা নাই যে সকলো মানুহেই অজ্ঞানী। আমাৰ এই সমাজখনত অথবা দেশত এনে বহুতো মানুহ আছে যিবোৰ মানুহক লৈ আমি গৰ্ব অনুভৱ কৰোঁ, যিসকলৰ কাৰণে আজি সমাজখনক অধৰ্ম, অনৈতিকতাই একেবাৰে নিঃশেষ কৰি পেলাবপৰা নাই, সমাজখন ধ্বংসৰ গৰাহত পোত যোৱা নাই। তেওঁলোকৰ প্ৰচেষ্টাতহে আমি আমাৰ বৰ্তমানে কলুষিত হ'ব ধৰা সমাজখনক সৎ পথেৰে আগুৱাই নিব পাৰিম। মই, আমি, আমাৰ নতুন প্ৰজন্মই তেওঁলোকৰ আদৰ্শ লৈ, তেওঁলোকৰ পৰা শিকি সাফল্যৰ জখলাত তেতিয়াহে উঠিব পাৰিম। এই সংকল্প লৈ যেতিয়া বুকু ডাঠি আগবাঢ়িব খোজো, তেতিয়া আকৌ বাৰে বাৰে উজুটি খাই পৰো। ৰাতিপুৱাই বিচনাৰ পৰা উঠি হাত-মুখ ধুই আহি ফিকা চাহ একাপ হাতত লৈ যেতিয়া বাতৰি কাকতখন পঢ়িবলৈ লওঁ, তেতিয়া দেখো, ডাঙৰ ডাঙৰ আখৰেৰে প্ৰথম পৃষ্ঠাতে লিখা থাকিব হত্যা, লুণ্ঠন,ধৰ্ষণ ইত্যাদি বাতৰিবোৰ। পুতেকে নিজ পিতৃ-মাতৃক ঘপিয়াই হত্যা কৰা, নিষ্ঠুৰ মাতৃয়ে কেঁচুৱাক ডাষ্টবিনত পেলাই থোৱা, ৭বছৰীয়া নাবালিকা ছোৱালী ধৰ্ষণ, ডাইনী হত্যা, শিশুৰ অপৰাধ প্ৰৱণতা ইত্যাদি গাৰ নোম শিয়ঁৰি উঠা কথাবোৰ পৃষ্ঠা ভৰি পৰি থাকিব। বাতৰি কাকতখন চাবলৈকে কিবা ঘৃণা লাগে, খং উঠে। ৰাতিপুৱাৰ সেই সময়খিনিয়ে গোটেই দিনটোৰ বাবে মনটো হতাশ কৰি তোলে। কিয়? কিয় আজি মানুহবোৰ নিষ্ঠুৰ হ'ল? পশুৰ তুল্য বুলি ক'বলৈও যেন সংকোচবোধ হয়। শিক্ষাৰ পোহৰ পাইও আজি মানুহ একো একোটা নৰ পিশাচ। মানুহেই মানুহৰ তেজ শুহি শুহি হৈ পৰিল নৰখাদক বাঘ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ এই দ্ৰুত উন্নয়নৰ সময়তো ডাইনী হত্যা নামৰ অন্ধবিশ্বাসৰ বলী হৈ বহু নাৰী, বহু পুৰুষে কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হ'ল। বহু ভৰ যৌৱনা গাভৰু দুষ্ট চক্ৰত পৰি সমাজৰ সম্মুখত কলংকিত হ'ল, বহুতে নিজকে তিলতিলকৈ

> আজি শিক্ষিত হৈও, আধুনিক হৈও মানুহে নাজানে আধুনিকতা কি বস্তু। বিশেষকৈ নাৰীয়ে সঁচাকৈয়ে নাজানে আধুনিকতাৰ অৰ্থ। সেয়ে হয়টো এচাম নাৰীয়ে অৰ্ধ শৰীৰ দেখুৱাই অতি কম কাপোৰ পিন্ধি আধুনিক হ'বলৈ আহিছে। নাজানে সিহঁতে আধুনিকতা মানে আচলতে কি?

জ্বলাই মাৰিলে। এইবোৰ টিভিৰ সন্মুখত দেখিলে, বাতৰি কাকত পঢ়িলে মন-চন বেয়া হৈ যায়। এনেকুৱা ঘটনাবোৰ হৈয়েই থাকিব নেকি? আৰু কেতিয়ালৈ? এই প্ৰশ্নৰ উত্তৰ পাম জানো? সভ্য সমাজত আজি কেৱল বৰ্বৰতা। আদিম যুগৰ সেই অসভ্য বৰ্বৰ সমাজখনে শিক্ষাৰ অলপো পোহৰ পোৱা নাছিল। তথাপিও সিহঁতৰ মাজত মিলা প্ৰীতিও আছিল, আজিৰ দৰে মৰা-মৰি, হানা-হানি নাছিল। সেই তেতিয়াও সিহঁতে লাজ নিবাৰণৰ বাবে গছৰ বাকলি পিন্ধিছিল। কিন্তু আজি শিক্ষিত হৈও, আধুনিক হৈও মানুহে নাজানে আধুনিকতা কি বস্তু। বিশেষকৈ নাৰীয়ে সঁচাকৈয়ে নাজানে আধুনিকতাৰ অৰ্থ। সেয়ে হয়টো এচাম নাৰীয়ে অৰ্ধ শৰীৰ দেখুৱাই অতি কম কাপোৰ পিন্ধি আধুনিক হ'বলৈ আহিছে। নাজানে সিহঁতে আধুনিকতা মানে আচলতে কি? আধুনিকতাই প্ৰকৃততে শিক্ষা সংস্কৃতিৰে আগবাঢ়ি নিজৰ শালীনতাবোধ বজাই ৰাখি নিজকে আনৰ হাতত হেয় প্ৰতিপন্ন নকৰাকৈ জীৱনত সফলতাৰে আগবাঢ়ি যোৱাটোকহে বুজায়। আধুনিকতাৰ অৰ্থ বুজি নাপাই এই সকল নাৰীয়ে নিজকে ঠেলি দিছে এচাম অভদ্ৰ, কামাতুৰ মানুহৰ দৃষ্টিত। সেয়ে বোধহয় সেইসকল নাৰী কেতিয়াবা ধৰ্ষণৰ বলি হ'ব লগা হয়। হৰিণাৰ মাংসই যিদৰে তাৰ শত্ৰু তেনেকৈ নাৰীৰ কোমল শৰীৰেই হৈ পৰে সিহঁতৰ কাৰণে অতি ভয়ানক। এই সকল নাৰীতো উচ্চ শিক্ষাৰে শিক্ষিতা নাৰী। উচ্চ শিক্ষাৰ দ্বাৰা ভূষিতা হ'লেও কিন্তু নৈতিকভাৱে এইসকল নাৰী-পুৰুষ আচলতে অধঃপতিত। ইয়াৰ কাৰণ মূলতে কি? ইয়াৰ কাৰণ বিশ্লেষণ কৰিবলৈ গ'লে হয়তো ওলাই পৰিব শিক্ষা হৈছে ইয়াৰ মূল কাৰণ। উপযুক্ত প্ৰকৃত শিক্ষা, প্ৰকৃত জ্ঞানৰ অভাৱৰ কাৰণে আজিৰ এই অৱস্থা। আজিৰ আধুনিক শিক্ষা ব্যৱস্থাটো হৈছে চাৰ্টিফিকেটেৰে শিক্ষাৰ মানদণ্ড জোখাৰ ব্যৱস্থা। ইয়াত নাই প্ৰকৃত শিক্ষাৰ জ্ঞান, আছে মাথো কেইটামান প্ৰশ্ন-উত্তৰ মুখস্থ কৰি পৰীক্ষাত উত্তীৰ্ণ হৈ এখন ভাল চাৰ্টিফিকেট লোৱাৰ সপোন। উচ্চ শিক্ষা, ডিগ্ৰী, চাৰ্টিফিকেট এইবোৰ লাভ কৰিলেই জানো এজন মানুহে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিব পাৰে? ইংৰাজীত এষাৰ কথা আছে — "Degree is not measure of living." অৰ্থাৎ ডিগ্ৰী মানুহৰ শিক্ষাৰ পৰিক্ষণ নহয়। এখন ভাল চাৰ্টিফিকেটেৰে জানো জুখিব পাৰি মানুহ এজনৰ নৈতিক, সামাজিক আদৰ্শগত দায়বদ্ধতা। এইধৰণৰ শিক্ষাই কেতিয়াও এজন মানুহক ফলপ্ৰসূ কৰিব নোৱাৰে। কিন্তু অতি পৰিতাপৰ কথা, এই ধৰণৰ শিক্ষাই আমাৰ সমাজ ব্যৱস্থাত, আমাৰ শিক্ষা ব্যৱস্থাত প্ৰচলিত হৈ আছে। প্ৰকৃত শিক্ষা আমি স্কুল কলেজৰ পৰা লাভ কৰিব নোৱাৰো, নিজ মন আৰু বাস্তৱ অভিজ্ঞতাৰ পৰাহে লাভ কৰিব পাৰোঁ। শিক্ষাই আমাৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ দূৰ কৰি আমাক পোহৰলৈ লৈ যায়। যদি মানুহ প্ৰকৃততে মানুহ হ'ব বিচাৰে, শিক্ষাইহে গঢ়ি তুলিব পাৰিব তেনে মানুহ। তাকো প্ৰকৃত শিক্ষাইহে। কিয়নো প্ৰকৃত জ্ঞানৰ অভাৱেই আজিৰ মানুহক নিষ্ঠুৰ কৰি পেলাইছে। সেয়ে মানুহৰ মাজতে আজি কটা-কাটি, হানা-হানি। নিজ স্বাৰ্থ পূৰণৰ কাৰণে মানুহে মানুহৰ ওপৰত চলাইছে অত্যাচাৰ, উৎপীড়ণ,ব্যাভিচাৰ। চাৰিওফালে কেৱল হত্যা, লুণ্ঠন, ধৰ্ষণ এইবোৰ। সেয়ে আজি মই নিসংকোচে ক'ব পাৰো, আজি এই সমাজখনত বা দেশত বিদ্বান, শিক্ষিত লোকৰ সংখ্যা বাঢ়ি আছে সঁচা, কিন্তু বিদ্বান, শিক্ষিত হৈও মানুহে অহংকাৰী, অজ্ঞানী লোকৰ কাম কৰি আহিছে। সমাজৰ এই সকল মানুহক শিকাব কোনে? এয়েইনে আজিৰ শিক্ষাৰ উন্নতি? গঢ়ি উঠিব পাৰিবনে এখন সুন্দৰ, কল্যাণকামী, সভ্য সমাজ? নে শংকৰদেৱে তেওঁৰ 'কীৰ্ত্তন ঘোষা'ৰ যে আদিতে লিখি থৈ গৈছিল —

'কলিৰ শেষত হৈবা কল্কি অৱতাৰ।
কাটি মাৰি ম্লেছক কৰিবা বুন্দামাৰ।।'

মহাপুৰুষ জনাৰ এই দুইশাৰী বাক্য সঁচাকৈয়ে বাৰু বাস্তৱত ফলিয়াব নেকি? আজিৰ এই কলিৰ শেষ পৰ্যায়ত তাৰেই ইংগিত বহন কৰা নাইতো? ●

## সংসাৰৰ ১০ টা সত্য

সকলোতকৈ উত্তম দিন ঃ আজি
সকলোতকৈ উপযুক্ত সময় ঃ এতিয়াই
সকলোতকৈ ডাঙৰ পাপ ঃ ভয়
সকলোতকৈ ভয়ানক বস্তু ঃ ঘৃণা
সকলোতকৈ বেয়া চিন্তা ঃ হিংসা
সকলোতকৈ প্ৰয়োজনীয় ঃ অলপ জ্ঞান
সকলোতকৈ ডাঙৰ ভুল ঃ সময় নষ্ট কৰা
সকলোতকৈ ডাঙৰ বাধা ঃ বেছি কথা কোৱা
সকলোতকৈ বিশ্বাসী বন্ধু ঃ নিজৰ হাত
সকলোতকৈ ডাঙৰ গুৰু ঃ যিয়ে শিকাৰ প্ৰেৰণা দিয়ে





# সভ্যতা সংস্কৃতি আৰু আমাৰ ভুল

ৰূপ তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ

আধুনিক যুগ। হয় বৰ্তমান আধুনিক যুগ। এই আধুনিক শব্দটো ব্যৱহাৰ কৰিয়েই ল'ৰা-ছোৱালীবোৰে যেনি তেনি টিভি, চিনেমা, মোবাইল, অডিঅ প্লেয়াৰ, কম্পিউটাৰ ব্যৱহাৰ কৰিছে। বৰ্তমান বেছিভাগ ল'ৰা-ছোৱালীয়ে মোবাইলত অশ্লীল দৃশ্য উপভোগ কৰাটো আমাৰ চকুত পৰে। আধুনিক শব্দৰ অৰ্থ এইটো নহয় যে নিজৰ মান মৰ্যাদা বা জীৱনটোক বতাহত এৰি দিয়া।

সংস্কৃতি হৈছে এটা জাতিৰ ধাৰাবাহিক জীৱনৰ বোঁৱতী সাগৰ স্বৰূপ। যাৰ গভীৰতা অসীম আৰু প্ৰস্থতা দূৰ দিগন্তত। যাক জোখ-মাপ কৰিও সঠিক সমাধান উলিয়াব নোৱাৰাৰ দৰে। সংস্কৃতিও সূৰ্যাস্তৰ পৰা বৈ আহি সূৰ্যোদয়লৈ দিনে-ৰাতি আছে।

সংস্কৃতি বুলিলে আমি প্ৰতিদিনে কৰি অহা কাম কাজবোৰকে ক'ব পাৰো। তাৰ ভিতৰত ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱালৈকে আৰু ইয়াৰ মাজৰ সময়খিনিত যিবোৰ কাম পৰিচালিত হয় সেইবোৰো সংস্কৃতিৰ একো একোটা সৰু ৰৰ উপাদান। ই কোনো এটা জাতিৰ সকলো দিশবোৰ ধৰি ৰাখে। ইয়াৰ জৰিয়তে আমি নিজকে আমাৰ জাতিটোক লৈ গৌৰৱ অনুভৱ কৰিব পাৰো।

কিন্তু আমাৰ এই গৌৰৱ কিমান দিন জীয়াই থাকিব তাৰ নিৰ্দিষ্ট সীমা হয়টো আমিও নাজানো। কাৰণ সময়ৰ সোঁতত আমাৰ সভ্যতা, সংস্কৃতি, পৰম্পৰা আৰু আমাৰ মন অন্যফালে ঢাল খাইছে। বৰ্তমান যান্ত্ৰিক যুগ। আমি নিজকে একোটা যন্ত্ৰৰ লগত মিলাই গৈছো। যন্ত্ৰ এটা অজীৱ বস্তু হ'লেও সি কিন্তু আমাতকৈ বহুগুণ আগবাঢ়ি গৈছে আৰু আমি তাৰ পিছ লওঁতে ক'ৰবাত যেন অন্ধকাৰ গুহাত নিজকে হেৰুৱাইছো। আমি মানুহবোৰে যেন সহজ অৰ্থত ক'বলৈ হ'লে বাহিৰে ৰংচঙীয়া ভিতৰে কোৱাভাতুৰী।

অসমীয়া জাতিৰ কলা-সংস্কৃতিৰ প্ৰতীক হৈছে বিহু। অকল বিহু মঞ্চ, ঢোল, জাপি, শৰাই, গামোচা খনকে সংস্কৃতি বুলি ক'ব নোৱাৰো। বিহুৰ মাজেৰে চিৰপ্ৰবাহিত হয় অসমীয়া জাতিৰ জীৱনৰ সকলো আশা-আকাংক্ষা, ৰং আনন্দ, আবেগ-অনুভূতি। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰো ব্যৱহাৰ, ৰীতি-নীতি, ৰুচিবোধৰ পৰিবৰ্তন হৈছে। বিহু হৈ পৰিছে ব্যৱসায়। যাৰ উদাহৰণ দিব পাৰে ২০০৯ আৰু ২০১০ বৰ্ষৰ জানমণি শ্ৰব্য কেছেট দুখনৰ 'বাটি ভৰাই চিৰা খাবি' আৰু 'শদিয়া ধুবুৰী গোটেই ঘূৰিলো' শীৰ্ষক বিহুগান দুটি। যিবোৰ গান ঘৰৰ পৰিয়ালৰ আন সদস্যৰ সৈতে একেলগে শুনিব নোৱাৰো, অথবা কোনো কেছেটৰ দোকানত উচ্চস্বৰত বাজি থাকিলে তাৰ সমুখেৰে কোনোবা ভদ্ৰ মানুহ বা মহিলা পাৰ হ'ব নোৱাৰা অৱস্থা। অতীতৰ বিহু অৰ্থাৎ আদিম যুগত মানুহে বিহু পাতিছিল পথাৰৰ আঁহত গছৰ তলত, ঘৰৰ চোতালত, বিহু এতিয়া গৈ পালে চহৰৰ মঞ্চ, কেছেটৰ দোকানত। বৰ্তমানৰ শিপিনীয়ে মাকো ধৰিব নাজানে, সেই কাৰণে বিহুত অসমৰ বাহিৰৰ পৰা অহা মেছিনত বোৱা গামোচা, ৰেডিমেড কপৌফুল বা প্লাষ্টিক গাম খাৰুৰে চলি যায় বিহু। আজিৰ নৱ প্ৰজন্মই বিহুক কি বুলি ধাৰণা কৰে? বিহু আমাৰ বাপতি সাহোন, নে ইচ্ছা অনুযায়ী কৰিব পৰা আনন্দ? সচৰাচৰ যিখিনি দেখো ভাব হয় বিহু মানে চান্দা। চান্দা মানে টকা আৰু টকা মানেই হ'ল উপভোগ। চ'তৰ মাজ ভাগৰ পৰা আৰম্ভ কৰি জেঠৰ শেষলৈকে বিহু শেষ হ'বই নোখোজে। আজিকালিৰ বিহু মঞ্চত এজন হিন্দী গায়ক বা মুম্বাইৰ পৰা অহা গায়ক নাথাকিলে সেইখন যেন বিহুৱেই নহয়। কেতিয়াবা ভাব হয় সংস্কৃতি বা পৰম্পৰাৰ নামত আমি কলংকহে আনিছোঁ।

আধুনিক যুগ। হয় বৰ্তমান আধুনিক যুগ। এই আধুনিক শব্দটো ব্যৱহাৰ কৰিয়েই ল'ৰা-ছোৱালীবোৰে যেনি তেনি টিভি, চিনেমা, মোবাইল, অডিঅ প্লেয়াৰ, কম্পিউটাৰ ব্যৱহাৰ কৰিছে। বৰ্তমান বেছিভাগ ল'ৰা-ছোৱালীয়ে মোবাইলত অশ্লীল দৃশ্য উপভোগ কৰাটো আমাৰ চকুত পৰে। ইয়াৰ ফলত মন অন্য ফালে ঢাল খোৱাটো লক্ষণীয়। আধুনিক শব্দৰ অৰ্থ এইটো নহয় যে নিজৰ মান মৰ্যাদা বা জীৱনটোক বতাহত এৰি দিয়া। আজি স্কুল, কলেজীয়া বহু ছাত্ৰীয়ে বুকুত আচল (চুৰণি) লোৱাৰ পৰিৱৰ্তে ডিঙিতহে ওলোমাই লয়। আন এচাম যুৱতীয়ে নিজকে অভিজাত্যৰ চিন দেখুৱাব গৈ অৰ্ধস্তন আৰু নাভি দেখুৱাই বিনা দ্বিধাই ঘূৰি ফুৰে। দেহৰ বিভিন্ন অংগত ফুটা কৰি গহনা পিন্ধে। উদাহৰণস্বৰূপে কাণ, নাক চেলাউৰি, ওঠ, নাভি ইত্যাদি।

আজি আমি পৰিয়ালৰ লগত এখন চিনেমা বা এটা বিজ্ঞাপন চাব নোৱাৰো। কেৱল মাত্ৰৰ সেই অৰ্ধনগ্ন পৰিৱেশটোৰ বাবে। সেই সকল নাৰীক লৈ কবিয়ে কবিতা ৰচে। কবিৰ লিখনিত নাৰী হৈ পৰে সৌন্দৰ্যময়ী, গুণী জ্ঞানী। সেইবোৰ পঢ়ি আমি পাহৰি যাওঁ সিহঁতৰ অসভ্যামীৰ কথা। সেইচাম নাৰীয়ে অৰ্ধনগ্ন হৈছে বুলিয়েই সমাজখন কিন্তু অৰ্ধনগ্ন হোৱা নাই আৰু কেতিয়াও নহয়। তেওঁলোকে মাত্ৰ নাৰী সমাজক পুৰুষৰ আগত টুলুঙা আৰু মূল্যহীন কৰিহে গৈ আছে। আমি বাৰু আধুনিকতাক আদৰিবলৈ কম কাপোৰ পিন্ধিব লাগে নেকি? নে কম কাপোৰ পিন্ধিলেহে আধুনিক সভ্যতা পাম? আদিম যুগত লাজ নিবাৰণৰ বাবে মানুহে জন্তুৰ ছাল, গছৰ বাকলি পিন্ধিছিল। সভ্যতা আগবাঢ়িল আৰু কাপোৰৰ প্ৰচলন হ'ল। কিন্তু বৰ্তমানৰ যুৱতীক নিৰীক্ষণ কৰি মনত প্ৰশ্ন জাগে - আমি অতীতলৈ ঘূৰি গৈ আছো নেকি? পুনৰ বস্ত্ৰ এৰিম নেকি?

শিক্ষা জীৱনৰ মূল্যবান অংগ। শিক্ষা অবিহনে জীৱন উজ্বলময় কৰাটো খুৱেই কঠিন। ১৯৭৭ চনত নৱেম্বৰ মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতাৰ পাঠ্যক্ৰমৰ শেষত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে নিজৰ ছাত্ৰ-ছাত্ৰী সকলক কৈছিল — 'তোমালোকে যিয়েই যি নকৰা কিয় ইংৰাজী এছ আখৰেৰে আৰম্ভ হোৱা শব্দ কেইটামান মনত ৰাখিবা — Sincere, Simple, Straight, Suave and Soft কামত sincere হ'বা, লিখিযোৱা কথাখিনি simple কৈ লিখিবা, বক্তব্য সদায় straight কৰিবা, আচৰণত সদায় suave হ'বা অন্তৰখন বা মনটো আনৰ প্ৰতি soft ৰাখিবা।' বৰ্তমান সময়ৰ শিক্ষাবোৰেও যেন এক অন্য ৰূপ ধাৰণ কৰিছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃয়ে অকল নম্বৰ লাভ কৰা শিক্ষাৰ ওপৰতহে গুৰুত্ব দিছে। আন ছাত্ৰ-ছাত্ৰীতকৈ নিজৰটোৱে কেনেকৈ আগত যাব পাৰে সেইটোতহে গুৰুত্ব দিছে, কিন্তু আনতকৈ নিজৰটোৱে কিমান জ্ঞানী হৈছে তাত কোনো খেয়াল নাই। এই কথাটোৰ বাবে কিন্তু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকহে দায়ী। আজিৰ পৰা দহ-পোন্ধৰ বছৰ আগতে সন্তানটো স্কুলত যোৱাৰ সময়ত অভিভাৱকে ফলি, পেঞ্চিল, কলম-বহীৰ গুৰুত্ব লৈছিল। যেতিয়াৰ পৰা সৰ্বশিক্ষাই এফালৰ পৰা গ্ৰাস কৰিলে তেতিয়াৰ পৰাই শিক্ষাই গৈ জৰাজীৰ্ণ অৱস্থা পালে আৰু এতিয়া মাক-দেউতাকে সন্তানটোক বেগত টিফিন, পানী বটলৰহে হিচাপ লয়। আমাৰ সকলোৰে চকুত ধৰা পৰে যে এজন চৰকাৰী শিক্ষক বা শিক্ষয়িত্ৰীয়ে নিজৰ সন্তানটো কিন্তু চৰকাৰী স্কুলত নিদি প্ৰাইভেটত দিয়ে। এজন মানুহ শিক্ষিত হ'ব পাৰে- কিন্তু সেইজন জ্ঞানী নহ'বও পাৰে। আন এজন মানুহ শিক্ষিত নহ'বও পাৰে কিন্তু সেইজন জ্ঞানীও হ'ব পাৰে। পৃথিৱীত যিমানবোৰ ভাল কাম হৈছে সেইবোৰ শিক্ষিতৰ ফলতে হৈছে আৰু যিমানবোৰ দুৰ্নীতি, কেলেংকাৰী, ব্যাভিচাৰী আদি হৈছে সেয়াইও শিক্ষিতৰ প্ৰভাব। শিক্ষিত মানুহ বহুত পোৱা যায় কিন্তু জ্ঞানীহে পাবলৈ টান। হয়তো শিক্ষাৰ চাকি গছিৰ ভৱিষ্যৎ কিমান উজ্বল হ'ব তাৰে কল্পনা কৰিয়েই 'পদ্মনাথ গোহাঞি বৰুৱাই মন্তব্য কৰিছিল যে' — ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰ মানুহ - বা ভদ্ৰমহিলাৰ শাৰীত থিয় দিবলৈ নহয়।'

আমি অসমীয়া। আমি আমাৰ সংস্কৃতি জীয়াই ৰখাটো আমাৰ সকলোৰে কৰ্তব্য। অসমীয়া ভাষাটো বৰ্তমান বিশ্বৰ ভিতৰত ৩৭ নম্বৰ স্থানত আছে। এয়া আমাৰ বাবে গৌৰৱৰ কথা। কিন্তু আমি উচ্চ শিক্ষিত বা জ্ঞানী বুলি চিনাকি দিব গৈ অসমীয়া ভাষাটো হেৰুৱাবলৈ যত্ন কৰি আছো। উদাহৰণস্বৰূপে আমি ব্যৱহাৰ কৰা লুটপাত শব্দটো ইংৰাজী লুট (loot) শব্দৰ পৰাহে পোৱা। ডাক্তৰ আৰু বেমাৰীৰ ক্ষেত্ৰত কোৱা যায় যে ল'ৰাটোৱে খুব লেট্ৰিন (letrin) কৰি আছে। পাইখানা কৰা বুলি ক'লেও হয়। ৰন্ধা বঢ়া বা খোৱাৰ ক্ষেত্ৰত কয় যে ল'ৰা-ছোৱালীবোৰ একেবাৰে চব্‌জি (হিন্দী শব্দ) ভাল নাপায়। চব্‌জি মানে হ'ল শাক-পাচলি, কেঁচা বস্তু। ইয়াত চব্‌জি শব্দটো ব্যৱহাৰ নকৰি তৰ্কাৰী বুলি ক'ব পাৰি। সন্তান আৰু মাতৃৰ ক্ষেত্ৰত কোৱা শুনা যায় মোৰ ল'ৰাটোৰ 'টিফিন' (Tiphin) ত এইদিছো, সেইদিছো। ৰাতিপুৱা বা গধূলি খোৱা আহাৰকহে টিফিন বুলি কয়। স্কুলত খাবলৈ দিয়া খাদ্য বস্তু খিনিক নহয়। 'শিৱসাগৰ' নাম উল্লেখ কৰোতে কয় যে তেওঁ 'চিবচাগৰ' গৈছে। কিন্তু ইয়াৰ আচল নাম শিৱসাগৰহে। আমি কেতিয়াবা পাহৰি যোৱাৰ ক্ষেত্ৰত কওঁ অ ছৰি মই ভুলি (হিন্দী) গ'লো। কাৰোবাক সোনকালে আহিব কোৱাৰ ক্ষেত্ৰত কওঁ যে 'জলদি' (হিন্দী) আহা। ঘৰত কোনাবা অচিনাকী বা ডাঙৰ মানুহ আহিলে দৃষ্টিগোচৰ হয়যে ল'ৰা-ছোৱালীবোৰ আংকল (Uncle) বুলি মাতে। কিন্তু আংকল বুলি নামাতি খুৰা, জেঠা, দাদা, পেহা বা মহা বুলিও মাতিব পাৰি। যেতিয়া নিজৰ সন্তানটো স্কুললৈ যোৱাৰ সময়ত মাক-দেউতাকে সদায় 'টা-টা' (Ta.Ta) বুলি কয়। টাটা শব্দটো ব্যৱহাৰ নকৰি যদি বিদায় বুলি কয় তেন্তে নিজকে অশুচি যেন লাগিব নেকি। পাশ্চাত্য দেশৰ দৰে আমাৰ অসমতো বহু ল'ৰা-ছোৱালীয়ে দেউতা বা পিতাকক 'পাপা' (papa) বুলিবলৈ লৈছে। 'পাপা' বুলি মাতিলেহে তেওঁলোকে আমাৰ জন্মধাত্ৰী হ'ব নেকি? কিবা এটা ভুল হোৱাৰ লগে লগে কৈ দিও ছৰি (Sorry)।

আমি কৰি অহা দৈনন্দিন ভুলবোৰ এদিন আমাৰ সংস্কৃতি অৰ্থহীন ভাবে হেৰাই যাব পাশ্চাত্যৰ ধামখুমীয়াৰ মাজত। সভ্যতা সংস্কতিবোৰ হৈ পৰিব সুদূৰৰ সাধুকথা, উত্তৰ বিহীন সাঁথৰ। গতিকে আমি যদি এতিয়াৰ পৰাই সজাগ নহও, তেন্তে এদিন আমি হীৰা দলিয়াই কাঁচ বুটলিম। আহক আমি সকলোৱে আমাৰ সংস্কৃতি ৰক্ষা কৰো।●







# ভূপেন হাজৰিকাৰ মানৱদৰদী গীত আৰু জীৱন সম্পৰ্কে কিঞ্চিত

অনামিকা তহবিলদাৰ
স্নাতক দ্বিতীয় বৰ্ষ

মহাকালে দিলে মোক বিশাল দৃষ্টি
আৰু ধুমুহাই প্ৰচণ্ড শক্তি
ব্ৰজ্ৰই দিলে মোক উদাত্ত কণ্ঠ
আৰু দিলে সাহসৰ যুক্তি
ব্ৰজ্ৰৰ কণ্ঠেৰে, ধুমুহাৰ শক্তিৰে
গীত গাই কপাম দিগন্ত
দানবৰ সমাজত গাম মানৱৰে গীত
কলিজাৰ সঁচা সুৰ সিক্ত।'

সঁচাকৈয়ে মহাকাশৰ বিশাল দৃষ্টি, বজ্ৰৰ উদাত্ত কণ্ঠে, গীত গাই দিগন্ত কঁপাই দিয়া ভূপেন হাজৰিকা, কেৱল অসমীয়া জনজীৱনত, অসমীয়া গীতি সাহিত্যতে নহয় সমগ্ৰ বিশ্বৰ প্ৰান্তে প্ৰান্তে এটি জনপ্ৰিয় নাম। কুৰি শতিকাৰ প্ৰথম অৰ্ধত জনমি জ্যোতিপ্ৰসাদৰ স্নেহাশিস শিৰত লৈ দ্বিতীয় অৰ্ধত প্ৰতিভাৰ বিকাশ ঘটোৱা ভূপেন হাজৰিকা প্ৰকৃত অৰ্থত বিশ্ব নাগৰিক। বিশ্ব ভাবনা ভূপেন হাজৰিকাৰ বাবে লাস-বিলাস কেৱল নহয়, ই তেওঁৰ চেতনাৰ নিৰ্যাস। 'যাযাবৰ' আৰু 'উৰণীয়া মৌ' বিশেষণ দুটা তেওঁৰ নামৰ আগে পিছে নিকপকপীয়াকৈ বহি ল'লেও ভূপেন হাজৰিকা এনে যাযাবৰ যাৰ 'পণ' থাকে — লক্ষ্যবিহীন যাযাবৰ তেওঁ নহয়! আৰু, উৰণীয়া মৌৱেতো আনৰ বাবেই সংগ্ৰহ কৰে মৌজোল।

সম্ভৱতঃ অসমীয়া সকলৰ ভিতৰত সৰ্বাধিক ভ্ৰমণকাৰী তেওঁৱেই। অসমত জনমি ইয়াত শৈশৱ কৈশোৰ কটাই যৌৱনত হিন্দু বিশ্ববিদ্যালয় আৰু কলম্বিয়া বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি বিশ্বভাৱনা হৃদয়ত ৰপ্ত কৰিছিল তেওঁ। পদ্মা আৰু লুইতৰ পলস একেলগে থকাৰ কল্পনা কৰিব পাৰিছিল তেওঁ এই বিশ্ব ভাবনাৰ বাবেই। মৰমৰ ভাষাৰ আখৰ নাইকিয়া বুলি ক'ব পাৰিছিল তেওঁ এই বিশ্বভাবনাৰ বাবেই। তাৰোপৰি, তেওঁ এই বিশ্বভাবনাৰ বাবেই প্ৰশ্ন কৰিব পাৰিছিল — মানুহে মানুহৰ বাবে নাভাবিলে কোনেনো ভাবিব বুলি? সেয়ে প্ৰকৃত অৰ্থত ভূপেন হাজৰিকা বিশ্ব নাগৰিক।

সময় আৰু সমাজ সচেতনতা তেওঁৰ গীতৰ মূল উপজীব্য। প্ৰতিটো গীতৰে সুনিৰ্দিষ্ট দিশ, সুবিন্যস্ত আশা আৰু সুপ্ৰসস্ত গতি আছে। সকলো নদীয়ে সাগৰ মুখী হোৱাৰ দৰে সামগ্ৰিক মৰম-চেনেহ বিলাই দি আন্তৰিকতাৰে প্ৰয়োজনীয় সময়ত সহায়ৰ হাত আগবঢ়াই দিবলৈ গীতৰ মাজেদি জনসাধাৰণক সকীয়াই দিছে —

'দুৰ্বল মানুহে যদি
জীৱনৰ কোৱাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?
মানুহে যদি নহয় মানুহ
দানৱ কাহানিও নহয় মানুহ
যদি দানৱ কাহানিবা হয় মানুহ
লাজ পাব কোনেনো কোৱা?'

মানৱ প্ৰেমেই যেন তেওঁৰ জীৱনৰ ব্ৰত। মানৱ প্ৰেমৰ প্ৰকাশৰ কাৰণে তেওঁৰ গীতে কেৱল অসমীয়া শ্ৰোতাকে নহয়, বিশ্বৰ প্ৰান্তে প্ৰান্তে মানৱ দৰদী হৃদয়ৰ শ্ৰোতাৰ হৃদয় সিক্ত কৰিছে। সেয়েহে তেওঁৰ মানৱ প্ৰেমে চহকী হৈ বিশ্ব প্ৰেমলৈ ৰূপান্তৰিত হৈ কুৰি শতিকাৰ মানৱ প্ৰেম ভাবে তেওঁৰ গীতাৱলীয়ে মানৱ প্ৰেম জীৱন প্ৰীতি অভিমুখী। ভূপেন হাজৰিকাৰ গীতত স্বদেশ প্ৰেমৰ নদী নামি আহে মানৱ প্ৰেম জলধি অভিমুখে। জাতীয় জীৱনৰ মানৱীয় অনুভূতিৰ, মানৱ প্ৰেমৰ এনে এটা দিশ নাই, যিটো ভূপেন হাজৰিকাৰ গীতৰ মাজত প্ৰকাশ হোৱা নাই। ভূপেন হাজৰিকাক সেয়ে মানৱতাবাদী আশাৰে বিভূষিত কৰিব পাৰি। গীতৰ মাজেদি তেওঁ মানৱ প্ৰেমৰ এক যুগ-চেতনা শ্ৰোতাৰ অন্তৰত জগাই তুলিবলৈ সক্ষম হৈছে। মানুহে মানুহৰ বাবে

সাগৰত, অসমীয়া সমাজত গীতৰ মাজেৰে মানৱীয় মৰমৰ অমিয়া ঢালিব পাৰিছে। 'মানুহে মানুহৰ বাবে', 'সাগৰ সঙ্গমত কতনা সাতুৰিলো', গঙ্গা মোৰ মা পদ্মাও মোৰ মা অ' মোৰ চকুলোৰে দুটি ধাৰা। মেঘনা যমুনা।' আদি গীতত মানৱতাবাদী দৃষ্টিভংগীয়ে চূড়ান্ত ৰূপ পাইছে আৰু মানুহৰ হৃদয় বিশেষ ভাবে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এক কথাত ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিটো শব্দৰ মাজতে লুকাই আছে মানুহৰ প্ৰতি থকা সঁচা মৰম ভালপোৱা। দৰিদ্ৰজনৰ বাবে তেওঁ সঁচাকৈয়ে কান্দে গানেৰে, প্ৰাণেৰে। তেওঁৰ বিখ্যাত গীত 'শীতৰে সেমেকা ৰাতি'ত ফুটি উঠে মানৱ দৰদী হৃদয়ৰ আকুল হেঁপাহ। ধৰাৰ দিহিঙে দিপাঙে লৰৰি তেওঁ নাপাহৰে মানুহৰ কথা। গগন চুম্বী অট্টালিকাৰ শাৰীৰ ছাঁতো দেখে গৃহহীন নৰ-নাৰী, ফুলি থকা ফুলৰ লগতে তেওঁ দেখে আকালতে সৰা-মৰহা ফুলৰ পাপৰি। নিজৰ বাবে ভাবিবলৈ যেন আহৰিয়েই নাই। সেয়েহে তেওঁ গায় —

'মই এটি যাযাবৰ  
ধৰাৰ দিহিঙে দিপাঙে লৰৰো  
নিবিচাৰি নিজা ঘৰ।'

বহুমুখী প্ৰতিভা সম্পন্ন ভূপেন হাজৰিকাৰ বাবে গান হ'ল জীৱন, কথা সুৰ হ'ল উশাহ-নিশাহ। অতি মেধাৱী ভূপেন হাজৰিকাৰ গীতৰ ভাব-ভাষা উচ্চ খাপৰ। তেওঁৰ মগজুৰ প্ৰখৰতা আৰু হৃদয়ৰ গভীৰতা মিলায়েই সৃষ্টি কৰে কালোত্তীৰ্ণ সংগীত আৰু ইয়াৰ লগত যোগ হৈছে কণ্ঠৰ যাদুকৰী বাহাৰ। সুৰ কোমল, শব্দ সৰল, কিন্তু উচ্চমনৰ ভাব-ভাষাৰে সেই সংগীতৰ সাজ-সজ্জা ইমানেই মধুৰ যে শ্ৰোতাই কেতিয়াবা নুবুজিও বুজে তেওঁৰ হৃদয়ৰ আহ্বান। শিল্পীৰ সুগভীৰ জীৱনবোধ আছে, নিজস্ব এক জীৱন দৰ্শন আছে। তেওঁৰ কল্পনা মাত্ৰেই বেলেগ। অস্তাচলত সুৰুযৰ হেঙুলীয়া কিৰণ। ক্লান্ত লুইত বৈ যায় সেই হেঙুলীয়া বৰণেৰে। তাতে ভূপেন হাজৰিকাৰ কবি হৃদয়ৰ মহৎ কল্পনাই দেখে অস্ত আকাশৰ সপোন ৰহন। সুন্দৰৰ আৰাধানা কৰা শিল্পী তেওঁ। পদুম ফুলৰ নাৱেৰে ময়ুৰপংখী ৰহনবোৰ ছটিয়াই দিয়ে। লুইতৰ দুয়োপাৰৰ ৰাশি ৰাশি জীৱন আৰু ঐতিহ্যৰ কথা ভাবি বিভোৰ হৈ তেওঁ গায় —

'দুয়ো পাৰে কত মানুহ, কত যে ইতিহাস  
কত যুগৰ কত আশা নিৰাশাৰে নিশ্বাস।'

ভূপেন হাজৰিকাৰ জীৱনবোধ বিষ পাণেৰে কৰা অমৃত মন্থন। তেওঁৰ জীৱনলৈ 'প্ৰেম যেন বহুতো কটাৰীৰ খেল হৈ' আহিল গ'ল। কিন্তু তথাপিও ওৰে জীৱন তেওঁ লৈ ফুৰিল সেই সুন্দৰী প্ৰিয়তমাক মনৰ মাজত যি প্ৰথম যৌৱনৰ দুৱাৰ ডলিতে হাজৰিকাক নিজৰ কৰিব খুজিও সামাজিক বাধাত বিচ্ছিন্ন হৈ ৰ'ল চিৰকালৰ বাবে। সেয়েহে প্ৰিয়ম্বদা পেটেলে তেওঁক এদিন হঠাৎ বিবাহৰ প্ৰস্তাৱ দিওতে তেওঁ নাকচ কৰিছিল প্ৰথমা প্ৰেয়সীৰ কথা কৈ আৰু আৰ্থিক দুৰৱস্থাৰ বাবে । তথাপিও প্ৰিয়ম্বদা পেটেলে অৱশেষত ভূপেন হাজৰিকাৰ বিবাহ পাশত আবদ্ধ হৈ, হৈ গ'ল প্ৰিয়ম্বদা হাজৰিকা, তাৰ পিছত তেওঁলোকৰ মাজলৈ এজন পুত্ৰ সন্তান আহিছিল । বিয়াৰ তেৰ বছৰ পিছত তেওঁলোকৰ বিবাহ-বিচ্ছেদ হয় দুয়োৰে বুজাবুজিত। তাৰ পিছত ভূপেন হাজৰিকাৰ বাবে সকলো সময়তে কল্পনা লাজমী অপৰিহাৰ্য হৈ পৰিল। কল্পনাই সাগৰত পাল ছিঙি যোৱা নাওঁখন নিয়ন্ত্ৰণ কৰিলে ঢৌত চূৰ্ণ-বিচূৰ্ণ হৈ যোৱাৰ পৰা। কিন্তু দুয়োজনে নাজানে তেওঁলোকৰ সম্বন্ধৰ কথা। ভূপেন হাজৰিকাই সুধিলে কয় — 'তাই মোৰ ঘৈণী নহয়, প্ৰেয়সী নহয়, ৰক্ষিতা নহয়, কাৰণ তাই স্বাৱলম্বী, তাইৰ নিজা সুনাম আছে, তাই মোৰ সকলো সময়তে সহচৰ। কেতিয়াবা তাইক মোৰ নিজৰ কন্যাৰ দৰে লাগে, কেতিয়াবা তাই অভিভাৱক হৈ মোক বুজে, জানে।'

'সহস্ৰজনে প্ৰশ্ন কৰিলে — প্ৰেয়সীৰ নাম মনালিছানে, লিপিকানে, মল্লিকা?'... অৰ্থপূৰ্ণ ভাবে ঈষৎ হাঁহিৰে কওঁ, নহয় মালবিকা, লিপিকা বা হৈমন্তী বা মল্লিকা, বেদৰ মন্ত্ৰৰে দম্পতী যদিও নহ'লো আমি কাহানিও, একেটি পাত্ৰতে জীৱন মদিৰা পান কৰোঁ তথাপি — নামবিনা তাই অনামিকা।' নামবিহীন সম্পৰ্ক, ভালপোৱা নামবিহীন হৃদয়ৰ আকৃতিৰে এই পৃথিৱীত জীয়াই থাকিব পাৰি, বিশ্বজয় কৰিব পাৰি তাৰ জলন্ত প্ৰমাণ ভূপেন হাজৰিকা। সামাজিক, ভৌগোলিক চিন্তাৰ সীমাৰ পৰিধি ভাঙি অসীমত বিচৰণ কৰা একমাত্ৰ জনপ্ৰিয় নাম ভূপেন হাজৰিকা। কিন্তু তথাপিও ভূপেন হাজৰিকাই জনপ্ৰিয়তাৰ মাজত থাকিও নিঃসঙ্গ, ভালপোৱাৰ সাগৰত ডুবিও বঞ্চিত, অঘৰী হৈয়ো অসমীয়া সংগীত জগতত সাজিলে স্থায়ী ঘৰ। তাৰোপৰি ভূপেন হাজৰিকাই বৰ্তমানৰ জাতি অজাতিৰ বিচাৰৰ বা মাৰলিত হেৰাই যোৱা সাম্প্ৰদায়িক সমন্বয়ৰ এনাজৰীৰ আঁতডাল বিচাৰি উলিয়াই সংগীত সাহিত্যৰ তাঁতশালত সাহসৰ গৰকাত ভৰি থৈ মানৱীয় মহত্বৰ শালিকাঠীৰে আধুনিক চিন্তাৰ বুটা বাছি সুৰৰ দীঘ দি সমন্বয়ৰ বাণীৰে যি চেনেহ চেলেং বৈ উলিয়ালে ই নিশ্চয় যুগ-যুগলৈ বৰ অসমৰ গৌৰৱ ধ্বজা হৈ উৰি থাকিব...।●





# শিল্পী সাহিত্যিক লক্ষ্যধৰ চৌধুৰী

প্ৰণৱ দাস  
স্নাতক দ্বিতীয় বৰ্ষ

জন্মৰ লগে লগে হয়তো কোনোৱে ক'ব নোৱাৰে যে শিশুটিয়ে কি গুণ লৈ জন্ম লৈছে। যেতিয়া লাহে লাহে বাঢ়ি আহি তেওঁৰ চিন্তা, ধাৰণাই সুগন্ধিৰ পোহাৰ মেলে তেতিয়াহে বুজা যায়। যেনেদৰে কলি এটা বান্ধ খাই থাকোতে তাৰ কোনো সুগন্ধি পোৱা নাযায়।

ৰং মহল, সু প্ৰসিদ্ধ বুৰঞ্জীয়ে পৰশা এখন নগৰৰ অন্তৰ্গত এখনি শুৱনি গাঁও। এই ৰংমহল গাঁৱৰে গণ্যমান্য চৌধুৰী পৰিয়াল এটিত জন্ম ল'লে এটি শিশু। সেয়া আছিল ১৯১৫ চনৰ দিপান্বিতাৰ নিশা। পিতৃ ভূধৰ চৌধুৰী আৰু মাতৃ উমা চৌধুৰীৰ সংসাৰলৈ নামি আহিছিল এক পৱিত্ৰ সম্পদ, সৰগী দেৱদূত লক্ষ্যধৰ চৌধুৰী। এওঁৱেই আজি অসমৰ এগৰাকী অন্যতম শক্তিশালী গদ্য শিল্পী, সঁচা অভিনেতা, যশস্বী নাট্যকাৰ, মনোযোগী কথাছবি পৰিচালক, বিজ্ঞ ৰাজনীতিবিদ, বয়সে হাৰ মনাব নোৱাৰা অক্লান্ত কৰ্মী, সাংস্কৃতিক জগতৰ অন্যতম তাৰকা।

লক্ষ্যধৰ চৌধুৰীয়ে প্ৰাথমিক শিক্ষা ৰংমহল প্ৰাথমিক বিদ্যলয়ত লয়। ১৯২৪ চনত তেওঁ প্ৰাথমিক শিক্ষা সমাপ্ত কৰি হাইস্কুলত পঢ়িবলৈ গুৱাহাটীলৈ গুচি আহে। ১৯২৫ চনত বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত নাম ভৰ্তি কৰি খুৰাকৰ লগত থাকি পঢ়িবলৈ লয়। ১৯৩৩ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু উচ্চ শিক্ষা লাভ কৰিবলৈ 'কটন কলেজ'ত নাম ভৰ্তি কৰে আৰু বিজ্ঞানৰ কঠিন বিষয় বাছি লৈ পঢ়িবলৈ লৈছিল। গণিত, ৰসায়ন বিদ্যা আৰু পদাৰ্থ বিদ্যা যাক 'ৰয়েল কম্বিনেচন' বুলি কোৱা হয়। ১৯৩৭ চনত তেওঁ আটাইকেইটা বিষয়তে সমানে বুৎপত্তি প্ৰদৰ্শন কৰি স্নাতক মহলাত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়।

কলেজীয়া শিক্ষা লাভৰ অন্তত ইং ১৯৩৯ চনত উত্তৰ গুৱাহাটীৰ আউনি আটি কমলদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। ১৯৪২ চনৰ মহাত্মাৰ আহ্বানত স্বাধীনতা আন্দোলনত চৌধুৰীদেৱো জপিয়াই পৰে।

প্ৰথম অৱস্থাত চৌধুৰীদেৱে কংগ্ৰেছৰ প্ৰাথমিক সদস্য আছিল। 'ভাৰত ত্যাগ' আন্দোলন গঢ়ি তোলা বাবে কোনো কংগ্ৰেছীকে তেতিয়াৰ বৃটিছ চৰকাৰে ভাল চকুৰে চোৱা নাছিল। তেতিয়া বৃটিছ চৰকাৰৰ বিৰুদ্ধে অনুষ্ঠিত হোৱা জাতীয় মুক্তি সংগ্ৰামত শিক্ষক, বনুৱা, হালোৱা-হজুৱা আদি কৰি সকলো আবাল বৃদ্ধ বনিতাই দেহে কেহে খাটিছিল। চৌধুৰীয়ো ইয়াৰ ব্যতিক্ৰম নাছিল। তেওঁ ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ লৈছিল। স্বদেশী আন্দোলনৰ সময়ত তিনি বছৰ আত্মগোপন কৰিও ফুৰিব লগা হৈছিল।

সৰুৰে পৰা খেলা-ধূলা, গীত, নাট, অভিনয় আদি ভালপোৱা চৌধুৰীদেৱে সকলো সামাজিক কামতে আগৰণুৱা আছিল। তেখেতে ১৯৬৪ চনত গুৱাহাটী মহানগৰীৰ পৌৰ সভাৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ আসন লাভ কৰিবলৈ সক্ষম হৈছিল।

'যি মূলা বাঢ়ে তাৰ দুপাততে চিন।' সাহিত্যৰ প্ৰতি আগ্ৰহী চৌধুৰীদেৱৰ চতুৰ্থ শ্ৰেণীত থাকোতেই অন্তৰত থিতাপি লোৱা সাহিত্যৰ বীজটোৱে ফণিয়াবলৈ ধৰে। পোনতে তেওঁ 'পখিলা' নামৰ কবিতা এটি লিখে। কিন্তু তাৰ পিছত তেখেতে নাটক বা গদ্য ৰচনাতহে মনোযোগ দিয়ে। নৱম শ্ৰেণীত থাকোতেই তেওঁ 'একলব্য' নামৰ এখন নাটক লিখি উলিয়ায়। তেওঁৰ আন কেইখনমান নাটক হ'ল আলিবাবা,

ওমলা ঘৰ, নিমিলা অংক, ৰক্ষকুমাৰ, ঠিকনা আদি। তেখেত এজন সুদক্ষ অভিনেতা আৰু শিল্প চেতনা থকা ব্যক্তি হোৱা বাবে তেওঁ ৰচনা কৰা নাট সমূহো নিখুঁত হয়। তেখেতৰ অন্য পুথিবোৰ হ'ল - মানুহ বিচাৰি, মইনামতী, ভিন্ন জন ভিন্ন মন, অভিনেতা জীৱনৰ কাহিনী, আদি। 'মানুহ বিচাৰি' নামৰ পুথিখনে ১৯৮৯ চনত ভাৰতীয় ভাষা পৰিষদৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ ৰচনা সমূহে চৌধুৰীদেৱ যে এগৰাকী সুক্ষ্ম অনুভূতি সম্পন্ন আৰু ৰসোত্তীৰ্ণ গদ্য শিল্পী তাকেই প্ৰতিপন্ন কৰিছে। তেখেতৰ 'অন্নপ্ৰাশন' এখন জনপ্ৰিয় অনাতাঁৰ নাট।

পত্ৰিকা সম্পাদক হিচাবেও চৌধুৰীদেৱে কিছুদিন কাৰ্য নিৰ্বাহ কৰিবলগীয়া হৈছিল। ৰাজনৈতিক প্ৰয়োজনতেই ১৯৪৭-১৯৫২ চনলৈ তেখেতৰ দলৰ মুখপত্ৰ 'জনতা'ৰ সম্পাদনাৰ দায়িত্ব নিষ্ঠা সহকাৰে বহন কৰিছিল। ১৯৯২ চনত তেখেত অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল।

অভিনেতা হিচাপেও চৌধুৰীদেৱে অভিনয় জগতৰ লগত সম্পৰ্কিত ব্যক্তি আছিল। হাইস্কুলত থাকোতে ১৯৩২ চনৰ ডিচেম্বৰ মাহত চৌধুৰীদেৱৰ ৰচিত নাট 'একলব্য' কুমাৰ ভাস্কৰ নাট্য মন্দিৰত একেৰাহে চাৰিদিন জুৰি অভিনীত হয়। চৌধুৰীদেৱে তাত নিজে একলব্যৰ ভাও লৈছিল। স্বনামধন্য অভিনেতা আৰু নাট্যকাৰ চৌধুৰীদেৱৰ শিক্ষা গুৰু কামাখ্যা নাথ ঠাকুৰে তেখেতক নাট লিখা আৰু অভিনয় কৰাত অনুপ্ৰেৰণা যোগাইছিল। চৌধুৰীদেৱে পাঁচশ ছয়শ মান নাটত অভিনয় কৰিছিল। এবাৰ তেখেতক বাস্তৱ জীৱনৰ মন্ত্ৰী, অভিনয়ৰ মন্ত্ৰী আৰু সাহিত্য জগতৰ কাণ্ডাৰী — এইকেইটাৰ ভিতৰত সাদৃশ্য আৰু বৈসদৃশ্য কেনে ধৰণৰ বুলি কৰা এটা প্ৰশ্নৰ উত্তৰত কৈছিল — 'মই অভিনয়ত কেতিয়াও মন্ত্ৰীৰ ভাও লোৱা নাই। কিয়নো এনে ভাওৰ মাদকতা নাথাকে। কিন্তু ৰাজনৈতিক মন্ত্ৰীৰ সোৱাদ পাইছো।এই ভাগ্য নোহোৱা হ'লেও ভাল আছিল। সাহিত্য চৰ্চাত বৰ মাদকতা আছে। দেশ সেৱা কৰিবলৈ বহু পথ আছে, উত্তম পথ সাহিত্য-সংস্কৃতি, অধম পথ হ'ল ৰাজনীতি। মই উত্তমে-অধমে বিচৰণ কৰিছো।

তেখেতৰ জীৱনৰ স্মৰণীয় ভাওঁবোৰ হ'ল পিয়লি ফুকনত পিয়লি ফুকনৰ; 'ৰক্ষকুমাৰ'ত ৰক্ষকুমাৰৰ আৰু 'ৰাবনৰ নীলম্বৰ'ত ললিতাৰ, '১৮৫৭' চন নাটকত মৌলবীৰ, 'মেদেলুৱা'ত সোনা মহৰীৰ, 'উমা'ত গোবৰ্দ্ধন'ৰ, কৰ্ণাৰ্জুন'ত শকুনিৰ, 'সিংহাসন'ত কৃষ্ণ'ৰ, নিমিলা অংকত হৰকান্তৰ ভাও। জীৱনৰ বিয়লি বেলাত (মৃত্যুৰ কেইমাহমান আগতে) 'ঠিকনা' নাটকত তেওঁ নাতিৰে সৈতে কৰা অভিনয় তেওঁৰ জীৱনৰ উল্লেখযোগ্য কীৰ্ত্তি। কুমাৰ ভাস্কৰ নাট্য মন্দিৰত কৰা 'ঠিকনা'ৰ অভিনয়ে তেখেতক চিৰযুগমীয়া কৰি ৰাখিব।

অসমীয়া সমাজৰ সাহিত্যৰ বৰক্ষেত্ৰ অসম সাহিত্য সভাক তেখেতে মাতৃস্বৰূপ জ্ঞান কৰে আৰু এই মাতৃ নিন্দা পাপৰ কথা বুলি বিবেচনা কৰে। নিজৰ ভাষা সাহিত্য আৰু সংস্কৃতিৰ উন্নতিৰ কথা তেখেতে সদায় চিন্তা কৰি আহিছিল। তেখেতৰ মতে 'নিজৰ সংস্কৃতিৰ সাধনা কৰা সকল 'খেতিয়ক' শিল্পী আৰু আনৰ সংস্কৃতি সাধনা কৰা সকল আধিয়াৰ শিল্পী'। ভৱিষ্যতৰ উত্তৰ পুৰুষৰ ক্ষেত্ৰত আশাবাদী চৌধুৰীদেৱে অসমীয়াৰ জাতীয় চৰিত্ৰৰ প্ৰতি কটাক্ষপাত কৰি কৈছিল — 'অসমৰ বিভিন্ন ঠাইত ডেকা ডেকা লিখক সকলে ভাল ভাল কিতাপ আদি ৰচনা কৰিছে। কিন্তু দুৰ্ভাগ্য বশতঃ আমি অসমীয়া সকলে অইনে কৰা ভাল কামবোৰৰ প্ৰশংসা কৰিব নোৱাৰো বা নোখোজো।' পিন্ধনত ধূতি পাঞ্জাবী, ক্ষীণ চেহেৰা, হাঁহো হাঁহো কৰা মুখখনি, খোজত চৰৈবতি চৰৈবতি ভাবেৰে অসমীয়া সমাজৰ গৌৰৱ কবি, নাট্যকাৰ জীৱনীকাৰ, গদ্যশিল্পী, ৰাজনীতিবিদ, অভিনেতা, বোলছবি মঞ্চ পৰিচালক, সু বক্তা চৌধুৰীদেৱে সম্প্ৰতি তিনিকুৰি সোতৰ বছৰত অসমৰ ভাষা সাহিত্য সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অনুষ্ঠান অসম সাহিত্য সভাৰ ১৯৯২-৯৩ চনৰ সভাপতিৰ আসনখন শুৱাইছিল।

ৰাতি পুৱা চাৰে চাৰি বজাতে শোৱা বিচনা ত্যাগ কৰি নিশা ১০ বজাত বিচনালৈ যোৱালৈকে দিনটোত কমেও ৭-৮ ঘণ্টা লিখা পঢ়া কৰি নানা সভা সমিতিত যোগদান কৰি বহুত সংখ্যক সাক্ষাৎ প্ৰাৰ্থীক লগ কৰি চৌধুৰীদেৱ এগৰাকী পঁচিশ বছৰীয়া চফল যুৱকৰ দৰেই কৰ্ম প্ৰেৰণাৰ এক বাস্তৱ আদৰ্শ হৈ আমাৰ মাজত থিয় দিছিল।

মৃত্যু এক চিৰন্তন সত্য। প্ৰতিজন ব্যক্তিৰ জীৱনলৈ এদিন হ'লেও মৃত্যু আহিবই। এই গৰাকী চিৰ তৰুণ ব্যক্তিকো সৌ সিদিনা ২০০০ চনৰ ১৮ আগষ্ট তাৰিখে মৃত্যুৱে তাৰ কোলাত শুৱাই লৈ গ'ল। নুমাই গ'ল এক উজ্বল চাকি। তেখেতৰ মৃত্যুত সু-সাহিত্যিক যোগেন্দ্ৰ নাৰায়ণ ভূঞাই এষাৰ বৰ উচিত মন্তব্য কৰিছিল — 'লক্ষ্যধৰ চৌধুৰীৰ বিয়োগত এজন হাঁহিব জনা আৰু হহুঁৱাব জনা ৰসিক ব্যক্তিৰ অভাব ঘটিল, আত্ম বিশ্বাস আছিল লক্ষ্যধৰ চৌধুৰীৰ এক বিৰল সম্পদ। যিয়ে তেওঁক সমাজত এজন সফল ব্যক্তি হিচাপে প্ৰতিষ্ঠিত হোৱাত সহায় কৰিছিল।●

সহায়ক গ্ৰন্থ ঃ শিল্পী সাহিত্যিক লক্ষ্যধৰ চৌধুৰী





# গদ্য সাহিত্যৰ পথ প্ৰদৰ্শক ঃ ভট্টদেৱ

অনামিকা ৰয়
স্নাতক তৃতীয় বৰ্ষ

অসমীয়া গদ্য সাহিত্যৰ জন্মদাতা হ'ল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য বা ভট্টদেৱ। যদিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাটকৰ মাজত প্ৰথম অসমীয়া গদ্যৰ উকমুকনি দেখিবলৈ পোৱা যায় সেই গদ্য লয়যুক্ত হোৱা বাবে ভট্টদেৱকে অসমীয়া গদ্য সাহিত্যৰ পথ প্ৰদৰ্শক ৰূপে ধৰা হৈছে। এৱেঁই পোন প্ৰথম বাৰৰ বাবে পূৰ্ববৰ্তী কবি সকলৰ ছন্দেৰে ভাব প্ৰকাশ কৰা ৰীতি পৰিহাৰ কৰি নিভাজ গদ্যৰেও যে মনৰ ভাব প্ৰকাশ কৰিব পাৰি সেই আদৰ্শ পৰবৰ্তী লিখক সকলৰ বাবে এৰি থৈ যাব পাৰিছিল।

পণ্ডিত ঁ হেমচন্দ্ৰ গোস্বামীয়ে নিৰ্দেশ কৰা অনুসৰি ১৫৫৮ খ্ৰীষ্টাব্দৰ পৰা ১৬৩৮ খ্ৰীষ্টাব্দৰ সময়ছোৱাকে ভট্টদেৱৰ জীৱন কাল বুলি নিৰূপণ কৰিব পাৰি। ভট্টদেৱৰ জন্মস্থান সম্পৰ্কে পণ্ডিত সকলৰ মাজত মতভেদ আছে। কোনো কোনোৰ মতে কামৰূপৰ বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰামত চন্দ্ৰ ভাৰতীৰ ঔৰষত ভট্টদেৱৰ জন্ম হৈছিল। কিন্তু নীলকণ্ঠ দাসৰ 'দামোদৰদেৱ চৰিত'ত পোৱা অনুসৰি বজালী অঞ্চলৰ বিচানকুছিৰ নিবাসী কবি সৰস্বতী নামৰ পণ্ডিত গৰাকীৰ দ্বিতীয় পুত্ৰ হৈছে ভট্টদেৱ। সময়ত গৈ ভট্টদেৱ সকলো শাস্ত্ৰতে পাৰ্গত হৈ উঠে। ভাগৱত শাস্ত্ৰৰ ওপৰত থকা এওঁৰ দখল আৰু ব্যুৎপত্তিৰ বাবে এওঁ কবিৰত্ন আৰু ভাগৱত ভট্টাচাৰ্য উপাধি পায়। পাছলৈ ভট্টদেৱে গুৰু দামোদৰদেৱৰ ওচৰত গৈ শৰণ লয় আৰু দামোদৰ দেৱৰ পৰামৰ্শ মতে সাহিত্য ৰচনাত প্ৰবৃত্ত হয়।

গুৰু দামোদৰদেৱৰ উপদেশ ক্ৰমে ভট্টদেৱ 'স্ত্ৰী-শূদ্ৰ সৰ্বলোকে' বুজিব পৰাকৈ ভাগৱত গ্ৰন্থখন 'কথা ভাগৱত' ৰূপত ভাঙি উলিয়ায়। 'কথা ভাগৱত'ত এওঁ কোনো অধ্যায়কে বাদ দিয়া নাই, সকলো অধ্যায়ৰ কথাকেই চমুকৈ গদ্য ৰূপত প্ৰকাশ কৰিছে। টীকা ভাষাৰ সহায় ল'লেও ভট্টদেৱে তাক হুবহু অনুবাদ নকৰি বিষয়বস্তুক সহজভাবে ৰূপ দিছে। 'কথা-ভাগৱতৰ পাছতেই অন্য দুখন পৱিত্ৰ ভাব গধুৰ গ্ৰন্থ 'গীতা' আৰু 'ভক্তিৰত্নাৱলী'ক 'কথা-গীতা' আৰু 'কথা ৰত্নাৱলী' নামেৰে অসমীয়া গদ্যত ভাঙি উলিয়ায়। 'কথা-গীতা'ত ভট্টদেৱে শংকৰী, ভাস্কৰী, দামোদৰী, শ্ৰীধৰী এই চাৰিও টীকা আলোচনা কৰি গীতাৰ তত্ব গধূৰ বিষয়বস্তু দাঙি ধৰিবলৈ চেষ্টা কৰিছে। টীকাৰ দৰে ইয়াতো একোটা সম্ভাৱনীয় প্ৰশ্ন তুলি তাৰ উত্তৰ দি বক্তব্য বিষয় প্ৰকাশ কৰি যোৱা বাবে পাঠকৰ পক্ষে বক্তব্য বিষয় বুজি পোৱাত সহায় হৈছে। সেয়ে ড০ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে — 'কথা গীতা' পঢ়ি এনেহে লাগে যেন নামঘৰত ৰাইজ গোট খাইছে আৰু ভাগৱতীয়ে শাস্ত্ৰপাঠ কৰি টীকাসহ ব্যাখ্যা কৰিছে, মাজে মাজে গভীৰ বিষয়ৰ প্ৰশ্ন তুলি নিজেই যেন তাৰ সমাধান কৰিছে।' কথা-গীতাৰ পাতনিত হেমচন্দ্ৰ গোস্বামীয়ে লিখিছে—'কথা-ভাগৱতৰ ভাষাতকৈ কথা-গীতাৰ ভাষা বেছি কোমল আৰু সৰল। 'কথা-ভাগৱত'ত যিমান পুৰণি অপ্ৰচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায় কথা-গীতাত সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ কথা গীতা ৰচনাও বেছি প্ৰাঞ্জল আৰু মধুৰ।' স্ত্ৰী-শূদ্ৰ চন্দাল সকলোৱে বুজিব আৰু পঢ়িব পৰাকৈ অনুবাদ কৰাই আছিল ভট্টদেৱৰ উদ্দেশ্য আৰু সেইবাবে ভট্টদেৱে কথা-গীতাত কিছু কথা ভাষাৰ আশ্ৰয় লৈছে। 'কথা ৰত্নাৱলী'তো ভট্টদেৱে প্ৰশ্ন আৰু উত্তৰৰ যোগেদি একোটি তত্ব সহজভাবে দাঙি ধৰিবলৈ চেষ্টা কৰিছে। ভট্টদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তি স্তম্ভ স্বৰূপ 'কথা-ভাগৱত', 'কথা-গীতা', 'কথা ৰত্নাৱলী'ৰ দ্বাৰা ভট্টদেৱে অসমীয়া গদ্যৰীতিৰ বান্ধোনক দৃঢ় কৰি তোলাৰ লগতে আধুনিক আৰ্য ভাষাৰ ভিতৰতে প্ৰথম গদ্য ৰচক বুলি নিজৰ চিনাকি দি থৈ গৈছে।

ভট্টদেৱে এই তিনিও ভাব গধূৰ গ্ৰন্থক অসমীয়া গদ্যলৈ অনুবাদ কৰি অসমীয়া গদ্য ভাষাৰ প্ৰকাশিকা পৰিচয় দিছে। ইয়াৰ বাবে ভট্টদেৱে দৈনন্দিন কথ্য ভাষা গ্ৰহণ নকৰি কথ্য ভাষাতে এটা সাধু আৰু গম্ভীৰ ৰূপ গদ্যত ব্যৱহাৰ কৰিছে। গদ্য বা কথাৰীতিক প্ৰকাশৰ মাধ্যম স্বৰূপে গ্ৰহণ কৰিলেও পদ বন্ধৰ মোহ ভট্টদেৱে একেবাৰে এৰিব পৰা নাছিল বিশেষকৈ 'কথা-ভাগৱত'ৰ ঠায়ে ঠায়ে তেওঁৰ ৰীতি ছন্দগন্ধী হৈ পৰিছে। এনে ঠাইত বাক্যবোৰ অন্ত্যানুপ্ৰাসযুক্ত আৰু শব্দ বিন্যাস ৰীতি, লয় প্ৰসাৰ হৈছে। ভট্টদেৱৰ বাক্যত শব্দ বিন্যাসৰ প্ৰণালী নিখুঁত আৰু ব্যাকৰণৰ প্ৰয়োগো বিশুদ্ধ। বাক্যবোৰ সাধাৰণতে চুটি চুটি, কিন্তু স্থান বিশেষে

সংস্কৃতীয়া প্ৰভাবৰ পৰা মুক্ত হ'ব নোৱাৰি সমাসবদ্ধ বাক্যও প্ৰয়োগ কৰা দেখা যায়। এনেদৰে কথিত ভাষাৰ লগত প্ৰচুৰ তৎসম শব্দ আৰু বাক্যৰীতিৰ প্ৰয়োগ ঘটাত ভট্টদেৱৰ ভাষা বহু পৰিমাণে কৃত্ৰিম হৈছে যদিও এই ভাষাটোৱে গীতা-ভাগৱতৰ বিষয় বস্তুৰ গাম্ভীৰ্য আৰু পৱিত্ৰতা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে। ছন্দ বদ্ধ ৰচনাত প্ৰয়োগ নোহোৱা উত্তৰ পুৰুষৰ ভৱিষ্যত কালৰ প্ৰত্যয় 'ম' আৰু তৃতীয় পুৰুষৰ 'ব' প্ৰত্যয়ৰ প্ৰয়োগ ভট্টদেৱৰ গদ্যৰ বিশেষত্ব। তদুপৰি কাৰক বিভক্তিৰ ক্ষেত্ৰত 'পৰা' প্ৰত্যয়ৰ ব্যৱহাৰো ভট্টদেৱৰ ভাষাত দেখা যায়। এওঁৰ ৰচনাত জতুৱা ঠাঁচৰ ব্যৱহাৰ বিশেষভাৱে নাই যদিও মাজে মাজে ঘৰুৱা উপমা বা চিত্ৰ প্ৰয়োগ কৰি বক্তব্য বিষয় পৰিস্ফুট কৰাৰ এটি ক্ষীণ প্ৰচেষ্টা পৰিলক্ষিত হয়।

'কথা-ভাগৱত', 'কথা গীতা' আৰু 'কথা ভক্তি' ৰত্নাৱলী' এই তিনিখন তত্বগধূৰ গ্ৰন্থৰ উপৰিও 'শ্ৰীমদ ভক্তি-বিবেক', ভক্তিসাৰ, 'প্ৰসঙ্গমালা', 'গুৰু বংশাৱলী', 'বিষ্ণু সহস্ৰ নাম', 'ভাগৱতাধিকৰণ', 'শৰণ মালিকা' আদি গ্ৰন্থ ভট্টদেৱৰ নামত পোৱা গৈছে। ইয়াৰ উপৰিও 'নন্দোৎসৱ' নামে এখন ঘোষা আৰু গীতৰ পুথিতো ভট্টদেৱৰ নামৰ ভণিতা আছে। উল্লেখিত গ্ৰন্থবোৰৰ ভিতৰত ভক্তি বিবেক, ভক্তিসাৰ, ভাগৱতাধিকৰণ আৰু 'শৰণ মালিকা' সংস্কৃতত ৰচনা কৰা গ্ৰন্থ। অসমীয়া ভাষাৰ উপৰিও সংস্কৃত ভাষাৰ ওপৰতো যে ভট্টদেৱৰ অসামান্য দখল আছিল তাকেই এইগ্ৰন্থ কেইখনে প্ৰকাশ কৰে। ইয়াৰ ভিতৰত 'ভক্তি বিবেক' হৈছে সংগ্ৰহ গ্ৰন্থ। পুৰাণ সাহিত্য উপনিষদ আদিৰ পৰা শ্লোক সংগ্ৰহ কৰি এই গ্ৰন্থখনি সজোৱা হৈছে। শ্ৰৱণ, কীৰ্ত্তন আদি নৱধা ভক্তিৰ মহিমা, বিষ্ণুৰ শ্ৰেষ্ঠত্ব, সাকাৰ-নিৰাকাৰ, তত্ব আদি প্ৰকাশ কৰা শ্লোক সমূহ ইয়াত শৃখলাবদ্ধভাৱে সজোৱা হৈছে। 'ভক্তিসাৰ' গ্ৰন্থত কৃষ্ণৰ পূৰ্ণব্ৰহ্মাত্ব প্ৰতিবাদন কৰি ভক্তিৰ শ্ৰেষ্ঠতা দেখুৱাইছে।

ভট্টদেৱৰ গদ্য সম্পৰ্কে ড০ বাণীকান্ত কাকতিদেৱে এইদৰে মন্তব্য প্ৰকাশ কৰিছে —

"While admirable as presenting a specimen of prose style so far back, there is hardly anything remarkable in this prose rendering from the linguistic point of view. The diction is ovrloaded with Sanskritic words and the language of the verse writer which accasionally betrays colloqualism."

সংস্কৃতৰ প্ৰতি বিশেষ শ্ৰদ্ধা থকা কাৰণেই বোধহয় ভট্টদেৱে অসমীয়া তদ্ভৱ শব্দ থকা সত্বেও বাৰে বাৰে তৎসম শব্দ ব্যৱহাৰ কৰিছিল। সংস্কৃত তৎসম শব্দৰ প্ৰয়োগ 'কথা-গীতা'ত তুলনামূলক ভাৱে কম বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে তলত দুয়োটাৰে অলপ নমুনা দিয়া হ'ল —

'কথা ভাগৱত' —

'বেদব্যাস ঋষি প্ৰথমে নানা শাস্ত্ৰ কৰিলা, তথাপি মন প্ৰসন্ন নভৈলঃ প্ৰথম খেদত শ্ৰীনাৰদৰ উপদেশে শ্ৰীভাগৱত কৰিতে শাস্ত্ৰৰ প্ৰতিপাদ্য পৰমেশ্বৰক চিন্তন্তঃ যাহাতে মিছা প্ৰপঞ্চ প্ৰকাশেঃ যাতে হন্তেজগতৰ সৃষ্টি স্থিতি সংহাৰ হয়। প্ৰকৃতি পুৰুষতপৰ ব্ৰহ্মাৰো জ্ঞানদাতা সত্য সৰ্বজ্ঞ তাহাংক চিন্তএো সকল শাস্ত্ৰত কৰি শ্ৰীভাগৱত শ্ৰেষ্ঠ, যাক শ্ৰীনাৰায়ণে কহিছে, যাতে কহে পৰম ধৰ্ম কেৱল হৰি ভজন মোক্ষতো কৰি শ্ৰেষ্ঠ যাত ব্ৰহ্মা জ্ঞান অযত্নে হয়।'

'কথা গীতা' —

'কুন্তিপুত্ৰ অৰ্জুনে শ্ৰীকৃষ্ণক সেই বাক্য বুলিলা, হে কৃষ্ণ, এই জ্ঞাতিসৱ যুজিবে ইচ্ছায়ে যুদ্ধত উপস্থিত দেখি মোৰ কৰ চৰণাদি ভাগি যাহি, মুখো শুখাই, শৰীৰো কাম্পে, ৰোমো সিহৰে, গাণ্ডীৱ ধনু হাতৰ খসি পড়ে, চৰ্মো তাপ হৰে। আছোক যুঝিম, আগত থাকিতে নাপাৰো, মনে মহা ভ্ৰম হয় বিমংগল সব দেখা, উপৰত শগুণ উৰে, শৃগালে আৰাৱ কৰে। যুদ্ধত স্বজনক বধি কিছো ফল নেদেখো, বিজয়কো আকাংক্ষা নকৰো, ৰাজ্যকো ইচ্ছা নকৰে...।'

'কথা-ভাগৱত' আৰু 'কথা-গীতা'ৰ দৰে গধূৰ তত্বমূলক গ্ৰন্থ অসমীয়া গদ্যলৈ ভাঙনি কৰি ভট্টদেৱে পোনপটীয়া ভাৱে গদ্যৰ যোগেদি ভাব প্ৰকাশৰ আদৰ্শ প্ৰথমে দাঙি ধৰে। তেওঁৰ পৰৱৰ্তীৰ লেখক সকলে ভট্টদেৱৰ ৰচনা ৰীতিকেই অনুসৰণ কৰি গদ্য ৰচনাত প্ৰবৃত্ত হয়। এনেদৰে অসমীয়া ভাষাক ভট্টদেৱে যি মৰ্যাদা প্ৰদান কৰিলে তাৰ বাবে অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভট্টদেৱৰ নাম সদায় স্মৰণীয় হৈ ৰ'ব।●

পঢ়ুৱৈ ঃ আপোনাৰ আত্মজীৱনীখন পঢ়ি খুব ভাল লাগিল।
লেখক ঃ ধন্যবাদ।
পঢ়ুৱৈ ঃ এনেকুৱা আৰু দুখনমান লিখক না।





বিশ্বৰ মহান লোকসকলে নিজৰ কৰ্মৰ যোগেদি বহুত আদৰ্শ তথা জ্ঞান দি গৈছে। সেই মহান ব্যক্তি সকলৰ ভিতৰত এজন অসম মাতৃৰ সন্তান সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালা। চুটি জীৱনক লৈয়ো তেওঁ যিখিনি লিখি গ'ল সেইখিনি আমাৰ বৰ্তমান বৃহৎ সম্পদ। অসমীয়া জন জীৱনত নতুন এক অসীম সাহসৰ পৰিচয় দিওঁতা 'জয়মতী' প্ৰথম অসমীয়া কথা ছবি উলিয়াওতা জ্যোতিপ্ৰসাদৰ 'জয়মতী কথা ছবিৰ অভিনৱ সংগীতৰ মূৰ্চ্ছনা লাগি যি দিনা অসমীয়াৰ প্ৰাণ কেন্দ্ৰ মঞ্জুৰিত হৈ উঠিল, অসমীয়াই নিজৰ অন্তৰৰ আপোনৰো আপোন অতিকৈ আপোন সুৰ শুনি ৰোমাঞ্চিত আৰু আত্মহাৰা হৈ উঠিল, সেইদিনাই অসমীয়াই এই ৰূপৰ পূজাৰী জনক আদৰি সাদৰি নাম দিলে 'ৰূপকোঁৱৰ'।

# প্ৰথম অসমীয়া কথাছবি নিৰ্মাতা

# জ্যোতিপ্ৰসাদ আগৰৱালা

হিমাংশু পাটগিৰি
স্নাতক দ্বিতীয় বৰ্ষ

জন্ম ঃ হৰিবিলাস আগৰৱালাৰ তৃতীয় পুত্ৰ পৰমানন্দ আগৰৱালা আছিল এজন চাহ ব্যৱসায়ী। বিয়াৰ পিছত তেওঁ পৰিবাৰ কিৰণময়ীৰ সৈতে ডিব্ৰুগড়ৰ মদাৰখাট মৌজাৰ তামোলবাৰীত থাকিবলৈ লয়। ইংৰাজী ১৯০৩ চনৰ জুন মাহৰ ১৭ তাৰিখ। এই দিনটোতে পৰমানন্দ আগৰৱালাৰ পৰিবাৰ কিৰণময়ীয়ে চেনেহৰ প্ৰথম সন্তান ৰূপে জ্যোতিপ্ৰসাদে জন্ম গ্ৰহণ কৰে। এই নৱজাত জ্যোতিপ্ৰসাদেই হ'ল অসমৰ সাহিত্য সংস্কৃতিৰ বৰপুত্ৰ তথা বিপ্লৱী মনীষাৰ প্ৰতীক ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা।

বুৰঞ্জীয়ে নিশ্চিত স্পষ্ট কৰি কৈছে যে 'সুদূৰ ৰাজস্থানৰ মৰুদেশৰ পৰা ভাগ্যৰ অন্বেষণত ইংৰাজী ১৮১৯ চনত অসমলৈ অহা মাৰোৱাৰী যুৱক নৱৰঙ্গৰাম আগৰৱালাৰ চতুৰ্থ পুৰুষ হ'ল আমাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ।'

শিক্ষা ঃ বিশ্বৰ সকলো মানুহেই শিশুক পৱিত্ৰৰূপে জ্ঞান কৰে। ফৰকাল আকাশত তিৰবিৰাই থকা তৰাবিলাক, জিৰজিৰকৈ বৈ যোৱা মনোমোহা জুৰি আদিৰ দৰে শিশুও পৰমেশ্বৰৰ এক অপূৰ্ব সৃষ্টি। নিষ্পাপ শিশুৰ পৱিত্ৰ হাঁহি চাই সৰল মনৰ সকলো মানুহেই আনন্দ লাভ কৰে। শিশুসকল যিহেতু ভৱিষ্যতৰ সুনাগৰিক। উপযুক্ত বয়সত শিশুসকল শিক্ষাদান কৰোৱাটো সকলো মাক দেউতাকৰ কৰ্তব্য। জ্যোতিপ্ৰসাদক এজন উপযুক্ত মানুহ হিচাপে গঢ়ি তুলিব বিচাৰিছিল মাক-দেউতাকে। সেয়ে ১৯১১ চনত জানুৱাৰী মাহত ৭ বছৰ বয়সত দেউতাকে জ্যোতিপ্ৰসাদক তেজপুৰ চৰকাৰী হাইস্কুলত নাম লগাই দিয়ে। তাত জ্যোতিপ্ৰসাদৰ মন নবহাত ডিব্ৰুগড় চৰকাৰী হাইস্কুলত আৰু পিছত জৰ্জ ইনষ্টিটিউটত (বৰ্তমান এই স্কুলখন নামাকৰণ কৰা হৈছে বাগ্মীবৰ নীলমণি ফুকন হাইস্কুল) নাম লগাই দিয়ে।

ডিব্ৰুগড়ত বৰদেউতাকৰ লগত থাকি দুই বছৰ পঢ়া-শুনা কৰাৰ পিছত জ্যোতিপ্ৰসাদে পুনৰ তেজপুৰলৈ যায় আৰু তেজপুৰ হাইস্কুলতে প্ৰবেশিকা বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈ চূড়ান্ত পৰীক্ষাৰবাবে প্ৰস্তুতি চলাবলৈ লোৱাৰ সময়তে অসহযোগ আন্দোলন আৰম্ভ হয়। নিজৰ জন্মভূমিক স্বাধীন কৰাৰ আহ্বানত প্ৰাণ চঞ্চল জ্যোতিপ্ৰসাদে পঢ়া-শুনা বাদ দি অসহযোগ আন্দোলনত জপিয়াই পৰে। কিছুদিন পিছত জ্যোতিপ্ৰসাদে কলিকতালৈ গৈ দেশবন্ধু চিত্ত ৰঞ্জন দাসে প্ৰতিষ্ঠা কৰা 'জাতীয় বিশ্ববিদ্যালয়'ৰ পৰা দ্বিতীয় বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতাৰ নেচনেল কলেজত কলা শাখাত নাম লগাই পঢ়া শুনা আৰম্ভ কৰে। এইবাৰো আন্দোলনৰ অশান্ত পৰিস্থিতিৰ বাবে কলেজ হঠাৎ বন্ধ হৈ যোৱাত জ্যোতিপ্ৰসাদৰ কলেজীয়া শিক্ষা অন্ত পৰে। ১৯২৬ চনত জ্যোতিপ্ৰসাদে বিলাত (ইংলেণ্ড)ৰ এডিনবৰ্'ৰা বিশ্ববিদ্যালয়ত স্নাতক মহলাত নাম লগাই অধ্যয়ন আৰম্ভ কৰে। জ্যোতিপ্ৰসাদে এডিনবৰ্'ৰা বিশ্ববিদ্যালয়ত চৰ্ত সাপেক্ষে এম.এ. পঢ়া অনুমতি লাভ কৰে যদিও পৰীক্ষাত অকৃতকাৰ্য হয়। সেয়ে তেওঁ উচ্চ শিক্ষা লাভৰ আশা সিমানতে পৰিত্যাগ কৰে।

প্ৰবন্ধকাৰ হিচাবে জ্যোতিপ্ৰসাদ ঃ জ্যোতিপ্ৰসাদে 'শিল্পীৰ পৃথিৱী', 'নালিয়াপুৰৰ বিপদ', 'সংকেত', 'অসমীয়া সংস্কৃতি', 'নতুন

ক্ৰীড়াক্ষেত্ৰৰ বাবে নিৰ্ধাৰিত পুঁজিৰ পৰিমাণ যথেষ্ট বৃদ্ধি কৰিব লাগিব। কিয়নো উন্নতমানৰ খেলৰ সা-সজুলি, উন্নত মানৰ বিদেশী প্ৰশিক্ষক, বিদেশত নি উচ্চ কোচিং, বিদেশত নি পৰ্যাপ্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব দিলেহে ভাৰতে অলিম্পিকত ভাল ফল দেখুৱাব পাৰিব। তৃতীয়তে দেশৰ আগশাৰীৰ কোম্পানীয়ে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জণ কৰা প্ৰতিভাৱান খেলুৱৈ তথা খেল সমূহক স্পনাৰশ্বিপ্ কৰিবলৈ আগুৱাই আহিব লাগিব। সংবাদ মাধ্যম, নিউজচেনেলসমূহে ভাৰতৰ ক্ৰীড়াক্ষেত্ৰত সফলতা অৰ্জন কৰা খেলুৱৈ সকল তথা তেওঁলোকৰ কৃতিত্বক ক্ৰিকেটৰ দৰে বাতৰিৰ শিৰোনামালৈ আনিব লাগিব। চতুৰ্থতে ভাৰতৰ শিক্ষা ব্যৱস্থাত ক্ৰীড়াক এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে অন্তৰ্ভূক্ত কৰিব লাগিব। কিয়নো স্কুল, কলেজৰ দৰে ক্লাব পৰ্যায়ৰ পৰা নিলেহে ভাৰতে ভৱিষ্যতত সফলতা লাভ কৰিব পাৰিব। পঞ্চমতে অভিভাৱক সকলেও নিজৰ সন্তানক ক্ৰিকেটৰ বাহিৰে অন্যান্য খেল যেনে — ৰেষ্টলিং, বক্সিং, আৰ্চাৰী আদি খেলাৰ বাবে উৎসাহ আৰু প্ৰেৰণা যোগাব লাগিব।

ভাৰতৰ দৰে দ্বিতীয় জনবহুল দেশ এখনে অলিম্পিকৰ দৰে বিশ্বস্তৰৰ প্ৰতিযোগিতাত এটা পদক লৈ উভতি অহাটো সঁচাকৈয়ে লজ্জাজনক। ইয়াৰ তুলনাত সৰু সৰু দেশ যেনে- কেনিয়া, কিউবা, জাপান আদি দেশে অলিম্পিকত অভুতপূৰ্ব সফলতা লাভ কৰিছে। ভাৰতৰ প্ৰতিভা আছে কিন্তু নাই উন্নত মানৰ প্ৰশিক্ষক, উন্নত খেলৰ সা-সজুলি ইত্যাদি। এইবাৰ ২০১২ চনত লণ্ডনত অলিম্পিক খেলৰ আয়োজন কৰা হৈছে। তাত ভাৰতে কেনেকুৱা ধৰণৰ প্ৰদৰ্শন দাঙি ধৰে সেয়া মনকৰিবলগীয়া।●

## মহৎ লোকৰ বাণী

- আমি যি জানো সামান্য, আমি যি নাজানো তাৰে সীমা নাই। এতেকে নিজকে জ্ঞানী বুলি ভবা অনুচিত — পালেজ
- কথা কোৱাতকৈ শুনাই হ'ল আচৰণৰ এটি মহৎ আৰু ভদ্ৰ সন্মত গুণ। — ডঃ জাকিৰ হুছেইন
- চিগাৰেটৰ এমূৰত জুই আৰু ধোৱা থাকে আৰু আনটো মূৰত একোজন মুৰ্খ। — ডঃ ছেমুৱেল
- শিক্ষা এডাল মমবাতিৰ সমান যিয়ে নিজে জ্বলি আনক পোহৰ দিয়ে। — সুভাষ চন্দ্ৰ বসু
- আশা আছে বাবে পৃথিৱীখন ইমান ধুনীয়া। — হেম বৰুৱা
- আটাইতকৈ সুখী হ'ল সেইজন, যিজনে অতি কম বস্তুলৈয়ে সন্তুষ্ট থাকে। — চক্ৰেটিচ

## অসমৰ কিছুমান ভৌগলিক আখ্যা

**ববিতা ভূঞা**
**স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ**

| | |
|---|---|
| প্ৰাচ্যৰ মানচেষ্টাৰ | শুৱালকুছি |
| অসমৰ স্কটলেণ্ড | হাফলং |
| অসমৰ পিৰামিড | চৰাইদেউৰ মৈদাম |
| উত্তৰ-পূৰ ভাৰতৰ প্ৰৱেশ পথ | গুৱাহাটী |
| চিৰ ৰোমাঞ্চিত চহৰ | তেজপুৰ |
| তৈল নগৰী | ডিগবৈ |
| অসমৰ চাহৰ ৰাজধানী | যোৰহাট |
| অসমৰ খাজুৰাহো | মদন কামদেৱ |
| পঞ্চ তীৰ্থ | হাজো (গুৱাহাটী) |
| অসমৰ নৱদ্বীপ | নলবাৰী |





*English Section*

# ROLE OF HIGHER EDUCATIONAL INSTITUTIONS IN THE SOCIAL LIVES OF INSERVICE WOMEN

**Dr. Birendra Deka,**
*Principal, Nimal Haloi College, Patacharkuchi.*

**INTRODUCTION :**

Learning activity comes out with the help of some institutions. Educational institutions are the significant place where from the learning outcomes. Learning in the modification of behaviour through training and experience. Universities and colleges may be called the home of learning. Its standard and efficiency of teaching regarding the higher knowledge depends upon the mental and moral acquisition of the society. No doubt the universities and the colleges are the institutions of higher learning from where society get leaders in science, arts and various other fields of national life as well as social life. The prosperity of the country is linked upon with the Higher educational institutions. Educational institutions are the place where the fate of the nation is moulded and shaped. Its success is judged by the type of young men and women it produces and it cousiously devoted to the pursuit of knowledge, the solution of problem the critical appreciation of achievement and the training of men at a really high level. Institutions of higher learning reforms our society from different point of view. High class cultured people come out from these institutions of higher learning. Colleges are the principal centres of higher learning. A vicious institutions of higher learning is like a "contaminated fountain" which is bound to imperil the health of those who drink from it.

Gender equality is a constituent of development as well as an instrument of development. No institution can be deemed developed if half of its population is severely disadvantaged in terms of basic needs, livelihood options, access to knowledge and political voice. Women play a critical role in the family which the basic unit of society. Strong national machineries for the advancement of women and promotion of gender equality require political comitment of the highest level. Reforms to meet the challenges of the changing world are essential to ensure women's equal access to institutions and organisations , Institutional and conceptual charges are a strategic and important aspect of creating an enabling environment for the implementation of policies and programmes for the advancement of women.

To enhance women's opportunities programme support potentials and activities need to have a dual focus, on the one hand, programmes aimed at meeting the basic as well as the specific needs of women for capacity building, organizational development and empowerment ; and on the other, gender mainstreaming in all programme for-mulation and implementation activities. It is particularly important to expand into new area of programming to

advance gender equality in response to current challenges.

**CONSTITUTIONAL PROVISIONS :**

Following are the provisions in the constitution of India for socio-economic development of women.

| Article | Description |
|---|---|
| Article 14 | Men and women to have equal rights and opportunities in the political, economic and social spheres. |
| Article 15 (1) | Prohibits discrimination against any citizen on the grounds of religion, race, caste, sex etc. |
| Article 15 (3) | Special provision enabling the state to make affirmative discrimination in favour of women. |
| Article 16 | Equality of opportunities in matter of public appointments for all citizens. |
| Article 39 (a) | State shall direct its policy towards securing all citizens men and women, equally, the right to means of livelihood. |
| Article 39 (d) | Equal pay for equal work for both men and women. |
| Article 42 | State to make provision for ensuring just and humane conditions of work and maternity relief. |
| Article 51 (A) (e) | To renounce the practices derogatory to the dignity of women. |

Women as an independent group constitute 48 percent of the country's total population as per the 2001 Census. The importance of women is recognised by the Constitution of India which not only accords equality to women but also empowers the state to adopt positive measures for discrimination in their favour. There are Articles in the Constitution which reiterate the commitment of the nation towards the socio-economic development of women and upholding their political rights and participation in decision making.

Drawing the strength from the constitutional commitments, the Government of India has been engaged in the continuous endeavour of concretely translating all the rights, commitments and safeguards incorporated in the Indian Constitution for women from *de jure to de facto status.*

The objectives of various legislations enacted include the following:

1. Creating and enviornment through positive economic and social policies for full development of women to enable them to realize their full potential.
2. Enjoyment of all human rights and fundamental freedom by women on equal basis with men in all spheres political, economic, social, cultural and civil.
3. Equal access to participation and decision making of women in social, political and economic life of the nation.
4. Equal access to women for health care, quality education at all levels, career and vocational guidance, employment, remuneration, occupational health and safety, social security and public office.
5. Strengthening legal systems aimed at elimination of all forms of discrimination against women.
6. Changing societal attitudes and community practices by active participation and involvement of both men and women.





7. Mainstreaming a gender perspective in the development process.
8. Elimination of discrimination and all forms of violence against women and the girl child.
9. Building and strengthening partnerships with civil society, particularly women's organizations.

**WOMEN AND SOCIETY :** Indian social structure was conservative in nature. Before independence a small amount of women enabled themeselves in educational Institutions. A few of them had completed their education. But in service sector only male persons are entered. Most of the women were busy in household duties. After independence the social situation are partially changed into a new direction. Society demanded to engage women worker in educational sector and encouraged the general situation. The objective of increasing female employment can in the context of long working hours and added household duties.

Women of all ages with any forms of disablity are generally among the more vulnerable and marginalized of society. There is therefore need to take into account and to address their concerns in all policy making and programming special measures are needed at all levels to integrate them into the mainstream of development. Effective and Co-ordinated plans and programmes for the full implementation of women oriented policies required a clear knowledge on the situation of women worker. Effort are needed to ensure capacity building for all actors involved in the achievement of these goals. Efforts are also needed at the national level to increase transperency and accountability.

Equality for women, like equality in general, is at its core a universal ideal. For a developing country like India which is the home to 127.1 million working women. Women's liberation is not an opulance but an urgent requisite for a life that is more than satisfying materially, intellectually and spiritually. Women's status and acknowledgement of their contribution and also other related issues, have gained credence both in developing as well as developed countries.

Women's are employed and empowerment of women is largely determined by their economic status in the society. The changing global ambience throws up lucrative economic opportunities at the same time it puts forth new challenges which can be pragmatically faced by a women only when she is armed with education, skill, knowledge and information.

**Social life of Inservice women :** Institutional mechanism for the advancement of inservice women is significant in nature. There are different types of educational institutions from primary level to university level. Service culture of all the levels are different no doubt but there are some common aspects. Accordingly to service rule of the educational institutions inservice womens are governed. Generally rules and regulations of the educational institutions are same for inservice men and women. So there is no discrepency in administration process. Educational Institutions are interested in the social attitude towards the sources, the limits and validity of knowledge. With the change in these social attitudes are finds a considerable interest in the interaction among the inservice men and women in educational Institution. In the development of social life of inservice women following aspects are helpful.

**(1) Interaction within the educational Institution :** The most important area of the social life of inservice women is the development of Interaction among the different members of the institution. The educational system involves three social constituents Collegues, Learners and Administration, and in a small measure the society or the community at a large. Al these constituents constantly chaged within themselves and in their

save the energy from waste and concentrate it in the attainment of objective. Culture is the cultivation of the inner excellence of character. It is the harmonious development of the intellectual, emotional and volitional elements in the self. Harmonious self development is the keynote of true culture. Culture is self- development which means development of individuality into personality. The individuals personal life is gradually enriched and widened into selfless life of devotion to the common good of the society. It never becomes an impersonal life.

We should add coverage and honour also to the virtues of individual life. Courage is the power of resisting the fear of pain. If temperance in self-restraint, courage is inward energy. Every Moral courage is the courage of conviction in the face of abuse, redicule, slander and social persecutian. Honour means self-respect. It is regard for one's own character. Thus temperance, culture, courage and honour may be regarded as self-regarding virtues.

James Seth regards justice and benevolence as the virtues of social life. Justice in the negative social virtue. Justice is a social virtue which is actually inclusive of all social virtues. Benevolence is the positive social virtue. Justice consists in not hindering the personal life of other. It is non-interference with the free development of other persons. As temperance is a prior condition of true culture, so in justice a prior condition of true benevolence. We must be just before we can be generous. Benevolence consists in helping and furthering the personal life of others. It means sympathy, fellow-feeling and love. It means identifying oneself with other persons. The highest culmination of benevolence is found in selfless devotion to the progress of humanity.

Noviolence or Ahimsa is an important social virtue. It literally means non-killing, non-injury or non-violence. It means abstaining from injuring any living being. It includes the control of mind, speech and action. It is non-violence in thought, word and deed. But it is not a negative virtue. It is the positive virtue of love for all creatures. It includes good will, friendship, compassion for all, irrespective of caste, creed and colour. It was stressed by Buddhism and Jainism. At present it is emphasized by M.K. Gandhi.

Moreover love, loyalty and respect should be added to the virtues of the social life. Love includes love for husband and wife, love for parents, love for children, love for relatives, love for friends, love for countrymen and love for humanity. Love implies self-sacrifies and service to others. It is self forgetful devotion to the good to others. It is instinctive at first but becomes enlightened by intelligence later. Justice consists in rendering to others in fairness and equity what makes for the general good. Love urges us to feel tenderness and comradeship for all mankind and to render to them more than justice demands. Love is felt for individuals. Loyalty is felt for groups. A person feels loyalty for his family, college, profession, community or nation. The virtue of loyalty is felt towards different groups with which a person is identified. Loyalty tends to embrace in a common and coherent whole all the sentiments which a person feels for different groups. Respect for superiors is a social virtue. We feel humility in the presence of persons of superior qualities. We also feel wonder, admiration, fear and awe for them on account for their superior qualities. If a person feels ad-





miration or awe towards aother person, he acquiress the sentiment of if respect for him. We should have respect for our own character and that of others. We should praise others for their moral excellence and blame others for their moral depravity. Veracity is the habit of speaking the truth. It is the habit of truth fullness. It is harmony between thoughts and words and harmony between words and action. Equivocation, calumny, flattery, hypocrisy, perjury etc. are various kinds of lying. Veracity implies service to others by communication of truth. Instruction, advice, admonition, correction as well as teaching and preaching are various kinds of veracity. Justice, benevolence, love loyalty, respect and veracity are other-regarding or social virtues.

Reverence is the virtue concerning God. It is respect for God, who excites in us complex emotions of humility, admiration, awe, love, gratitude, mystic rapture and devotion. God is one supreme object of religious reverence. He is the supreme moral person endowed with all the moral virtues in superhuman excellence.

Intellectual virtue, aestheic virtue and moral virtue are the ideal-regarding virtues. We should cultivate the habits of pursuing Truth, Beauty and good which are intrinsic and absolute values. Knowledge implies truth. Good implies Happiness.

All virtues are intrinsic values. They are also instrumental values. They promote the good of the individuals and society. Social virtues assist particularly social life and individual virtues are of a similar use in individual life. But this classification is not absolute. It is a relative classification. Roughly, the virtues of individual life are courage, self control, preseverance, self-respect, temperance, and culture. And similarly the social virtues are justice, benevolence, love, worship, respect, veracity, gaity, faithfulness, honesty etc.

However, virtues are not isolated. Actually all virtues are different aspects of one supreme virtue. Man's ultimate end is self realization. This is the supreme objective and ultimate duty. And the habit of obeying this duty is the supreme virtue. Plato said, "The virtues are not isolated, but the one and whole." Green also said that, "It is true that the end of all virtues in the same."●

## Time is Precious

1. To know the value of 1 year–Ask a student who has failed in examination.
2. To know the value of 1 month – Ask a boy who has given birth a premature baby.
3. To know the value of one week–Ask the editor of a weekly.
4. To know the value of 1 day–Ask a daily wage labourer.
5. To know the value of 1 minute–Ask a person who has missed the train.
6. To know the value of 1 second – Ask a person who has survived on accident.
7. To know the value of 1 milli second–Ask a person who has missed the gold medal in the Olympic.

ড° ভূপেন হাজৰিকাৰ স্মৃতিত

## সেই গানৰ দেশত ওভতাই নিয়া

ৰাজেন দাস, সহযোগী অধ্যাপক, দৰ্শন

সেই গানৰ দেশত মোক ওভতাই নিয়া আই
মোৰ শেষ ঠিকনা জালুকবাৰীত এটা দীঘল নিদ্ৰা
সৌদিশে দেখো মোৰ গানৰ দেশৰ মানুহ জাতিষ্কাৰ
সেমেকা শীতৰ ব্ৰহ্মপুত্ৰ মোৰ বুকুৰেদি বগাইছে
শেষ হোৱা চিতাৰ ছাই কহুৱা হৈ উৰিছে
ৰণ দিয়া শৰাইঘাটত পাৰ চৰাই উৰিছে
নীলাচল পাহাৰৰ ফুল শোকত নিয়ৰ হৈ পৰিছে

সেই গানৰ দেশত মোক ওভতাই নিয়া আই
মোক দীপ্ত শিখাৰে জ্বলাই দিয়া আই
অগ্নি যুগৰ ফিৰিঙতি হ'বলৈ জগাই দিয়া আই
নাটঘৰৰ ভাওৰীয়া হ'বলৈ সজাই দিয়া আই
বুকুৰে বুকুৰে নিশ্বাস হ'বলৈ সাহ দিয়া আই
লুচাই পাহাৰত প্ৰতিধ্বনি হ'বলৈ শিকাই দিয়া আই
সেই গানৰ দেশত মোক ওভতাই নিয়া আই
আই কাৰ গানেৰে নোৱাব নিজৰাপাৰ
কাৰ শেতেলীত বাজি উঠিব দুখৰ চেতাৰ
কাৰ আখলত পোৱা মাছৰ গোন্ধ বগৰীৰ বিছনা
কোনে দেও দি গুচি যাব শূন্যতাৰ পৰা শূন্যতালৈ

সেই গানৰ দেশত মোক ওভতাই নিয়া আই
মোৰ বুকুৰ তেজেৰে গঢ়া সকলো সমদল
পাতি দিয়া আই পাৰি দিয়া আই তোমাৰ আচল
মোৰ চকুৰ পানীয়ে সাতুৰি সাতুৰি যোৱা সকলো দাগৰ
চৌদিশে দুখৰ গৰল তথাপি ক্লান্তিহীন বুকুৰ ভাগৰ

সেই গানৰ দেশত মোক ওভতাই নিয়া আই।
মোৰ মৃত্যু নাই
যদি আছে সেয়া এটা কবিতা
প্ৰতিটো ফাগুণ প্ৰতিটো ব'হাগ প্ৰতিটো শীতৰ ঋতুত
মোৰ টোপণি ভাগিব
মোৰ টোপণি ভাগিব
কৃষ্ণচূড়াৰ আলিঙ্গনত সেউজীয়া হৈ পৰিব জালুকবাৰী
আৰু মই হৈ গলিম শীত হৈ তিতিম ৰ'দ হৈ ফুলিম

সেই গানৰ দেশত মোক ওভতাই নিয়া আই

## মই তোমাক ভাল পাওঁ বাবে

মৃগেন দাস
স্নাতক তৃতীয় বৰ্ষ

মই তোমাক ভাল পাওঁ বাবে
অনুভৱ কৰিব পাৰো
ভালপোৱাৰ স্পন্দন
তুমি নোকোৱাৰ আগতেই
মই তোমাক ভাল পাওঁ।

মই তোমাক ভাল পাওঁ বাবে
চোতালৰ দুবৰি বনে
নিৰ্জনতাত কথা পাতে মোৰ সতে

মই তোমাক ভাল পাওঁ বাবে
উজাগৰে কটাব পাৰো
শীতৰ নিজান দুখৰ ৰাতি

মই তোমাক ভালপাওঁ বাবে
সকলো দিব পাৰো
তোমাৰ প্ৰয়োজনত।

মই তোমাক ভালপাওঁ বাবে
হৃদয়ত অংকুৰিত নহয়
নোপোৱাৰ বেদনা...।





## জীয়া বেদনা

ভাস্কৰ চৌধুৰী
স্নাতক প্ৰথম বৰ্ষ

বিষাদৰ অন্ধকাৰ পথৰ তুমি দুৱৰী
তোমাৰ অনুমতিতহে
সেই অন্ধকাৰত প্ৰৱেশ কৰিছিলো।
তুমি সোধা প্ৰশ্নটিৰ উত্তৰ
মোৰ আবেগতে ওলাইছিল
'মই তোমাক ভাল পাওঁ'
জীৱনৰ গভীৰ নিদ্ৰাত পৰি থকা
সৰ্প এডালক হাতত তুলি ল'লো।
সেই ভুলৰ দোষী ময়েই
সেই ভুল, সপোনৰ এক মৰীচিকা আছিল।
কিন্তু...
অভিমানৰ ভয়ত হাতত হাত থৈছিলো
কিজানিবা তুমি বেয়াই পোৱা
তুমি বেয়া পালে
মোৰ হৃদয় আত্মাই কান্দি উঠিব
গোপনে হাহাকাৰ কৰিব।
মই ভালদৰে বুজি পাওঁ,
বিষাদেৰে জীৱনৰ অন্ত পেলাব নোৱাৰি।
প্ৰকৃতিৰ সৌন্দৰ্যৰ অভিনয়েৰে
তোমাৰ সৌন্দৰ্যৰ প্ৰশংসা কৰিছিলো।
চেউলী, চূড়ামণি আদিবোৰে
তোমাক বৰ ধুনীয়াকৈ শোভাইছিল
যেন পূৰ্ণিমাৰ ৰঙীন জোনটি।
তোমাৰ মনত আছেনে বাৰু?
তুমিযে কৈছিলা
কপৌফুল মূৰত গুজিবৰ সময় হ'লে
পুৰণি গাঁৱলৈ যাম
ঢোলৰ চাপৰি, পেঁপা, গগণাৰ মাতত
কঁকাল ঘূৰাই ঘূৰাই নাচিম
আবেলি পৰত ম'হযুঁজ, কুকুৰাযুঁজ চাম,
আৰু, বেলি প্ৰস্থানৰ আগে আগে
গাগৰী কঁকালত লৈ নৈৰ ঘাটলৈ যাম,
হৃদয় জুৰুৱা বতাহ জাকৰ লগে লগে
গুণ গুণাই উভতি আহিম।



## যেতিয়া বৃষ্টি নামে নীৰৱে

অনামিকা বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

কিয় জানো শীতল হৈ
যায় মনটো পলকতে।
বাহিৰ ওলাই তিতি তিতি
গাবৰ মন যায়
এজাক সপোন
যেন বৰষুণ...।
নিমিষতে হেৰাই যায়
মনৰ ভিতৰৰ বিষাদবোৰ,
হৃদয়খনো ডাঠ হৈ যায়
কিবা-কিবি সপোনেৰে।
ভাৱনাবোৰ দেখোন
আউলি-বাউলি হৈ যায়,
গছবোৰেও বাগৰ সলাই
নাচি নাচি উঠে।
কিয় জানো যেতিয়া
বৃষ্টি নামে নীৰৱে...।



## তুমি নহা হ'লে বেছি সুখী হ'লোহেঁতেন

মৃণাল কলিতা
স্নাতক তৃতীয় বৰ্ষ

তুমি নহা হ'লে বেছি
সুখী হ'লোহেঁতেন
অন্তত... হেৰুৱাই
নেপালোহেঁতেন
জীয়াই থকাৰ স্পৃহা
ভাল নেপালোহেঁতেন
ব্যৰ্থ প্ৰেমিক কবিৰ
বীভৎস কবিতাৰ ছন্দ
তুমি নহা হ'লে বেছি
সুখী হ'লোহেঁতেন
যিদৰে সুখী হয়
বৰষুণ নাহিলে...
গৃহহীন ফুটপাথৰ
প্ৰতিজন ভিক্ষুক

## পি.চি.অ' এটাত এদিনাখন

হীৰেণ দাস
স্নাতক তৃতীয় বৰ্ষ

আমি একেলগে মৰিম দিয়া
দিখৌ নৈত জাপ দি
প্ৰেমৰ অৰ্থ যদি সৰ্বোচ্চ ত্যাগ
মই বা তুমি কিয় মৰিব নোৱাৰিম প্ৰেমৰ বাবে
ওঁহো! প্ৰেমৰ সংজ্ঞা যিয়েই নহওঁক।
আমিতো মৰিব প্ৰেমত পৰা নাই
আমি জীৱনক জীৱন দিবলৈ প্ৰেমত পৰিছো জান
পি.চি.অ' এটাৰ মূৰৰ পৰা কঁপি কঁপি ভাহি অহা
তোমাৰ কথাই মোক কবি সজালে
মই যেন তাঁৰে তাঁৰে লতা বগাই যাম তোমাৰ কাষলৈ'
দুয়ো একেলগে হাঁহিম উমলিম
নীলিম নয়নৰ বানত হিয়া উজাৰি সাঁতুৰিম
কি হ'ল? কোনোবা ধুনীয়া গাভৰুৰ চকুৰ চাৱনিত
উটি ভাহি গ'লা নেকি ক'ৰবালৈ?
তোমাৰ কথাত পি.চি.অ'টোৱে থৰ্ থৰ্‌কৈ কঁপিছে
তুমি চাগে সপোন দেখিছা?
সপোন! সপোন মই সদায় দেখো জান। এখন সাগৰৰ
বুকুত আকাশ শুই থকাৰ সপোন!
তুমি বলিয়া হ'লা
তোমাৰ অবিহনে মই সকলো ত্যাগ কৰিম
চিগাৰেটৰ ধোঁৱাতকৈয়ো নে?
চিগাৰেটৰ ধোঁৱাৰ নিচাতকৈ প্ৰেমৰ নিচাই মোক
সাৱটি ধৰিছে।
কালি বৰষুণত তিতিছিলা!
হয় তিতিছিলো! আৰু তিতি তিতি নিঃশেষ হ'ম ধূলিৰ সতে
তোমালৈ ৰাতি বৰকৈ মনত পৰিছিল জান
তুমি চাগে মোক পাহৰি গৈছিলা
তুমি কেনেকৈ...?
পাহৰা জনকহে মনত পেলাব পাৰি
মোৰ শেষ কথাত তুমি খুব কান্দিছিলা। তোমাৰ সেই
কান্দোনে মোৰ বুকুত ফুলাই তুলিলে নিহ মেটেকাৰ
ফুল। মই যেন তোমাৰ অবিহনে
নিঃশেষ হৈ যাম ওৰে দিন ওৰে ৰাতি

## তুমি আহিবা বুলিয়েই ৰৈ আছো

পাৰ্থপ্ৰতীম গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ

গছৰ পাতবোৰ সৰি সৰি গজি উঠাৰ দৰে
নদীখন শুকাই শুকাই বাঢ়ি অহাৰ দৰে
তুমি মোৰ কাষলৈ উভতি আহিবা
এদিন, দুদিন, এমাহ অথবা এবছৰৰ পাছত
মোৰ অপেক্ষাৰ অৱসান ঘটিব
বহাগৰ প্ৰথমজাক বৰষুণৰ দৰে
নাচি উঠিব মন
তুমি আহিবা বুলিয়েই
কোনো তৰাক দিয়া নাই মোৰ ঠিকনা
এটা দিন অথবা এটা ৰাতি
কৰা নাই কাৰো নামত উৎসৰ্গা
তোমাৰ বাবে খোলা ৰাখিছো
মোৰ হৃদয়ৰ সকলো দুৱাৰ-খিৰিকী
পাটী পাৰি বহিবা
হেঁপাহ পলুৱাই শুবা
গুণ গুণাবা গাবা
হৃদয়ৰ গান!!







## তুমি মোৰ প্ৰিয়তম

ৰবিতা গোস্বামী
স্নাতক দ্বিতীয় বৰ্ষ

মই তোমাক ভাল পাওঁ
মই বাৰে বাৰে প্ৰেমত পৰো তোমাৰ
প্ৰতিটো হতাশাৰ ৰাতি
মই নিপাত কৰিব খোজো তোমাৰ স'তে
তুমি মোৰ একান্ত আপোনজন
শোক আৰু যন্ত্ৰণাই আচ্ছন্ন কৰা
জয়াল ৰাতিবোৰত
চকুলোৰে গৰাখহনীয়াৰে গৈ গৈ...
মই জাহ যাব খোজো তোমাত।
অনাহূত বিষাদ ডাৱৰে যেতিয়া
আৱৰি ধৰেহি হিয়া
মই সকলোবোৰ উবুৰিয়াই দিও তোমাত
তুমি হিয়াৰ উমেৰে সামৰি লোৱা
মোৰ শোকাকুল সময়
তুমি মোৰ প্ৰকৃত বান্ধৱ।
তুমি মোৰ প্ৰিয়তম
অনন্য তোমাৰ প্ৰেম।।



## মই যেতিয়া জন্ম ল'ম মা

দিপুমণি শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

মই যেতিয়া জন্ম ল'ম মা?
মই হাতত কলম তুলি নলওঁ মা।
মই হাতত ১.৩ কাৰ্তিজৰ পিস্তল তুলি ল'ম মা।
কাৰণ কিয় জানা মা, মই তেতিয়া সৰু
হৈ থাকিম নহয়,
মই আৰু অলপ ডাঙৰ হ'লে পঢ়া-শুনা নকৰো মা
মই প্ৰশিক্ষণ লম বন্দুক চলাবলৈ।
মই মা একেবাৰে ডাঙৰ হ'লে ডাক্তৰৰ
চিকিৎসা তুলি নলওঁ
মই ল'ম এল. এম.জিৰ কাৰ্তিজ
আৰু ডাক্তৰৰ দৰে, অপাৰেচন কৰিম
সিহঁতৰ বেমাৰতোৰ ওপৰত।
মই মা কাৰ কথা কৈ আছো তুমি জানিছানে বাৰু!
মই যে মা তোমাৰ গৰ্ভত থিতাপি লোৱাৰ পিছতে
সেই ক'লা কাপোৰ পিন্ধা দুবৃত্তৰ দলটোৱে
দেউতাক স্বৰ্গলৈ পঠাইছিল।
সেই নেজ নোহোৱা কুকুৰ কেইটাৰ কথা কৈছো।
মই মা সেই কুকুৰ কেইটাক মানুহলৈ পৰিবৰ্তন
কৰাৰ দিনাই ভাল ডাক্তৰ বুলি আখ্যা ল'ম
আৰু তোমাৰ সপোন পূৰণ কৰিম মা।

## কালি ৰাতি যেতিয়া মই টোপণিত আছিলো

লীনা শৰ্মা

কালি ৰাতি যেতিয়া মই টোপণিত আছিলো
দেখা পালো কিযে বিনন্দীয়া দৃশ্য
এটা জুৰি বৈ গৈছিল
মোৰ হৃদয়ৰ মাজেদি
কোৱা, কোৱা কোন গোপন বাটেদি
আহিছিলা তুমি অ' পানী
এটা নতুন জীৱনৰ সুঁতি
য'ৰ পানী খোৱা নাছিলো মই কোনোকালে
কালি ৰাতি যেতিয়া মই টোপণিত আছিলো
দেখা পালো কি যে বিনন্দীয়া দৃশ্য
এটা মৌচাক ওলমি আছিল
মোৰ হৃদয়ৰ মাজত
আৰু দেখিছিলো
ঈশ্বৰ আছিল সাইলাখ ঈশ্বৰৰ দৰে
যাক মই কঢ়িয়াই লৈ ফুৰিছিলো
মোৰ হিয়াত।

## মোৰ ভাববোৰ

ৰাতুল দাস
স্নাতক প্ৰথম বৰ্ষ

এটি ফুল হৈ সুবাস
বিলাইছিল মোৰ বুকুত
আশা হৈ নাও মেলিছিল
মোৰ সপোনত।
বৃষ্টি হৈ তিয়াই পেলাইছিল,
মোৰ উদং পিঠি আৰু
এচাতি মলয়া হৈ
শীতল কৰিছিল
মোৰ ক্লান্ত দেহ।
ভাগৰুৱা প্ৰাণত আঁকি
দিছিল,
দুহাতেৰে জেতুকাৰ বোল।
আৰু এদিন অজানিতে
আঁতৰি গৈছিল
মোৰ বুকুৰ পদূলিত
দি থৈ বেদনাত
গধুৰ বোজাটি।

## কথাবোৰতো এনে হোৱাৰ কথা নাছিল

অনামিকা দাস
স্নাতক প্ৰথম বৰ্ষ

কথাবোৰতো এনে হোৱাৰ কথা নাছিল
নদী হ'ব খুজিছিল,
পথাৰ হ'ব খুজিছিল,
হৃদয়খন চহাই-মৈয়াই ভুঁই কই
সপোনবোৰ সজালি মেলাব খুজিছিলো।

সীমাৰ জেওৱাৰে বান্ধি ৰাখিবতো খোজা নাই
কণ কণ হেঁপাহবোৰ,
সেউজীয়া গান হ'ব খুজিছিলো,
বনৰীয়া পক্ষী হ'ব খুজিছিলো,
আশাৰ চাকি হ'ব খুজিছিলো,

কথাবোৰতো এনে হোৱাৰ কথা নাছিল
তোমাৰ মুখৰ হাঁহি হ'ব খুজিছিলো
দোষৰ কথাতো নাছিল।

## আহা এবাৰ একেলগে তিতি চাওঁ

মিতালী ৰাজবংশী
স্নাতক তৃতীয় বৰ্ষ

যৌৱনৰ ধুমুহা গাজনিত
নামি আহিছে এজাক প্ৰেমৰ বৰষুণ।
আহা, দুয়ো একেলগে এবাৰ তিতি চাওঁ।
মোৰ হৃদয়ে তোমাৰ হৃদয়ত খামুচি ধৰিব,
প্ৰেমৰ বৰষুণে সেউজীয়া কৰিব
আমাৰ ভালপোৱাবোৰ
আঁহতৰ কুমলীয়া পাতত চুমা আঁকি
স্বপ্ন ৰথত উটি ভাহি ফুৰিম দুয়ো
জীৱন নদীৰ পাৰে পাৰে।

টোপ টোপকৈ সৰি পৰিব
মৌ মিঠা প্ৰেমৰ সুবাস...।

আহা! দুয়ো এবাৰ তিতো
হাতে হাতে ধৰা ধৰিকৈ...
বুকুত বুকু থৈ...
ওঁঠত ওঁঠ লগাই...
চঞ্চল আৱেগৰ চুমা আঁকি
মৰমবোৰৰ ভাগ বতৰা কৰিম।





## জীৱন যাত্ৰা

ন্দিতা খাটনিয়াৰ
াতক প্ৰথম বৰ্ষ

াও বুলিয়েতো ভাবিছিলো কিন্তু
াব নোৱাৰিলোঁ কিয়...
তথাপি বাট বুলি গৈ আছো
অচিনাকি বাটেৰে
চিনাকি বাট পাম বুলি।
দীঘলীয়া বাটৰ সপোনবোৰ
বাস্তৱ জীৱনৰ সতে
পৰিচয় নাই মোৰ কিয় জানো
হয়তো এদিন ভাগৰি
পৰিম মই...
তোমাৰ অপেক্ষাত মই
টোপনিক সাৰটি ধৰি
সিদিনাই শেষ হ'ব
জীৱন বাটৰ পৰিচয়হীন যাত্ৰা

## উপলব্ধি

হিৰামণি পাঠক
প্ৰথম বৰ্ষ

এখন উকা কাগজত
এটা শব্দই
মোৰ জীৱনৰ সৰ্বস্ব বুলি নাভাবিবা
অশ্ৰুসিক্ত এজাক বৰষুণত
মই তিতি আছো
নেজানো কি বৰষুণ
হালধীয়া নে সেউজীয়া।
জোনাক ধোৱা অৰণ্যৰ
বিশাল আহত জোপাৰ তলত
মাজে মাজে জিৰণি লৈছো
কিন্তু ঠিক জানিবা
এটা শব্দই
মোৰ জীৱনৰ সৰ্বস্ব বুলি নাভাবিবা।

## সময়বোৰ বোবা

নয়ন মদাহি
স্নাতক প্ৰথম বৰ্ষ

সময়বোৰ বোবা কিন্তু
সিয়ো কথা কয়।
বছৰৰ পিছত বছৰ ধৰি সি
কথা কৈ আহিছে, অতীত, বৰ্তমান
আৰু ভৱিষ্যতেও ক'ব।
সময়বোৰ বোবা কিন্তু
সিয়ো কথা কয়,
বাৰ মাহৰ প্ৰতি পুৱাৰ পৰা প্ৰতি পুৱালৈ।
কেতিয়াবা ফুল ফুলায়
কেতিয়াবা পচোৱা হৈ
কেতিয়াবা শীত অথবা গ্ৰীষ্ম হৈ,
কেতিয়াবা বৰ্ষা হৈ
পথাৰত জিৰ জিৰকৈ নামি আহি
কৃষকৰ সতে কথা পাতে।
মৃত্যু নাই, শেষো নাই তাৰ
সময়বোৰ বোবা
সি কথা ক'ব নোৱাৰে, নাজানে
জ্ঞাত হৈ গান গাব
সি মাথো সময়ত ফুল ফুলাব
জানে
জানে সি তাৰ সময়ত
তাৰ কাপোৰবোৰ সলাব।

## এই...তুমি কিয় নাহিলা

সৰযু দাস
স্নাতক দ্বিতীয় বৰ্ষ

কল্পনাৰে পাৰাপাৰ নোহোৱা সীমাহীন ৰাজ্যত
তোমালৈ বুলি বৈ আছিলো
কিয় নাহিলা কোৱাচোন?
জালুকবাৰীৰ ট্ৰেফিক জামত ফচি আছিলা,
নে ভৰালুইতৰ বুকুত ককবকাই থকা
দিবাকৰৰ লুকাভাকু চাই মোহিত হৈছিলা?
তুমি নাহিলেযে মই একেবাৰে অকলশৰীয়া
মহ মাখি আৰু ধুলিকণাবোৰেও যেন
তোষামোদ কৰিব খোজে
কিয় নাহিলা কোৱাচোন?
কেৰাচিন তেল বিচাৰি কৰবালৈ গৈছিলা নেকি?
নে কলেজ বাটত লগ পাই সেই ধুনীয়া
পখিলাজনীৰ সৈতে
কথা পাতি আছিলা?
তোমালৈ বুলি বৈ বৈ
লতাজীৰ এটি বিখ্যাত গীতৰ কলি আওঁৰাই
আছিলো জানা
কিন্তু কিমান সময়...।
পাঁচ মিনিট, দহ মিনিট, আধা ঘণ্টা, ডেৰ ঘণ্টা...
নিদ্ৰাদেৱী কেতিয়া জানো মোক হৰণ কৰিলে?
তুমি নাহিলা...!
এস্ ভালেই কৰিলা দিয়া
'চেলেঞ্জ কৰি থোৱা হৰিকাইৰ দোকানৰ
চিঙৰাৰ বিলটো
মইহে দিব লাগিব।
দেউতাই কিজানি ভাবি আছে
তোমাৰ আৰু মোৰ মিলনেৰে
মৰহি যোৱা ফুলনিখন কেতিয়া সতেজ হৈ উঠিব...।
এই... তুমি কিয় নাহিলা!!!

## বহু কথা আছে তোমাক ক'বলৈ

মিতু লহকৰ
স্নাতক প্ৰথম বৰ্ষ

শামুক বগাই বগাই পাহাৰ শিলৰ
বুকুত
খামুচি থকাৰ কথা,
শিলবোৰ ভাঙি ভাঙি নিজৰা
হোৱাৰ কথা
আৰু নিজৰাবোৰ নদী,
ঠিক তেনে এখন বুৰঞ্জীৰ
কথা আছে তোমাক ক'বলৈ।
আকাশত জোন বেলি ওলোৱাৰ কথা
ৰাতি নামি দিন হোৱা
দিন গুচি ৰাতি হোৱা,
ঠিক তেনে এখন পৃথিৱীৰ,
কথা আছে তোমাক ক'বলৈ।
ধোৱাই ছানি ধৰা আকাশ
মৰমে উপচা বিশাল সাগৰৰ
কথা,এখিলা শুভ্ৰ পাতৰ বুকুত
মৰমে ভৰা
তেনে এখনি হৃদয়ৰ,
কথা আছে তোমাক ক'বলৈ।
তোমাক ভালপোৱাৰ বহুদিনৰ
বহু কথা আছে তোমাক ক'বলৈ।

## মই সোনাই পাৰৰ ছোৱালীজনীৰ প্ৰেমত পৰিছো

প্ৰণৱ দাস
স্নাতক প্ৰথম বৰ্ষ

নাম তাইৰ কি সোধা
হোৱা নাই।
তাইৰ প্ৰতিটো খোজত,
দুবৰি বোৰ মৰহিব ধৰে।
তিনি আলিত, সদায়ে
লগ পাও তাইক
কেন্টিনত বহি আড্ডা মাৰো,
দুচকুত চকু থৈ সাতোৰো
তাইৰ দুচকুৰ নীলাত।
উৰ্মিত কেশৰবোৰ
দো খাই
যেন টোপণি বলিয়া
এটি সৰু কেচুৰা।
প্ৰতি উশাহত বাহ লয় তাই,
মোৰ বুকুৰ
উদং পথাৰত।
প্ৰতি নিশা সপোন আকে তাই
মোৰ বুকুৰ চোতালত,
এনে লাগে, তাই মোৰ
চিনাকি যেন, বহুযুগৰ।
প্ৰতিটো খোজত,
প্ৰতিটো উশাহত,
তাই মোৰ সহচৰ।
শেষ নিশা অনুভৱ কৰিছো,
মই সোনাই পাৰৰ ছোৱালীজনীৰ
প্ৰেমত পৰিছো।





## মোৰ বুকুত গজি উঠা এক নস্ত অনুভৱ

বনজিৎ প্ৰতিম বৰ্মন
স্নাতক তৃতীয় বৰ্ষ

সেইখিনিতে
হয়, ঠিক সেই খিনিতে
তুমি সিচি শেষ কৰিব নোৱাৰা
অভিমানেৰে বৈ আছো মই
য'ৰ পৰা তোমালৈ নীৰৱে চাই থাকো মই
য'ত অবৈধ নৈশব্দৰ মিছিল
য'ৰ পৰা সপোনে গজালি মেলে
য'ত সপোনৰ হয় অকাল মৃত্যু,
কিবা এক অনামী আকৰ্ষণত তন্ময়
হৈ ৰওঁ তোমাৰ পিনে,
পলকহীন চকুৰ পতাত কেকুৰিয়ে বিষাদ গাঁথে,
তথাপিতো উন্মনা হয় মোৰ বুকুৰ সেউজীয়া গান,
অথচ নীৰৱে থাকা তুমিও মোৰ দৰে
কিবা দুখত, ভয়ত অথবা ভৱিষ্যতৰ
নিৰাপত্তাহীনতাত
দোষ কাৰ তোমাৰ অন্যমনস্কতাৰ
নে বুকু ফালি ওলাই নহা মোৰ দুখৰ ঢল।
নে কোনোবা অদৃশ্য সীমাৰ য'ৰ পৰা
আগুৱাই গ'লে খহি পৰিব তোমালৈ
দুবৈৰ পৰা চোৱাৰ স্বাধীনতা
মই কাহানিও কবি হ'ব খোজা নাছিলো।
যদিওবা তোমাৰ ওঁঠৰ ফাকেৰে সৰি পৰা
ব্যাকৰণহীন হাঁহিত মই প্ৰেমিক হৈ গ'লো
সেই হাঁহিটিৰ বাবে মই ক্ৰমশঃ দুৰন্ত
প্ৰেমিক হৈ গৈ আছো।
তুমি নোচোৱা নেকি এবাৰ মোৰ
চোতালৰ চৌপাশ,
এবাৰ মোক চোৱাৰ বাবে খৰচ নকৰা
নেকি দুটা চকুৰ সন্মিলিত এক চাৱনি।

## কালি ক'লা বজাৰত জুই লাগিছিল

ব্ৰজেন বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

কালি ক'লা বজাৰত জুই লাগিছিল
লেলিহান শিখাবোৰে উগ্ৰমূৰ্তি ধৰি চুই গৈছিল এটি এটিকৈ
হিংসা-বিদ্বেষ-সন্ত্ৰাসৰ চুবুৰী
মুখাপিন্ধা ভদ্ৰলোকৰ ভস্মীভূত ছাই দেখি
হাজাৰ নিষ্পেষিত জনতাই
মুখ খুলি প্ৰতিবাদ কৰিছিল
প্ৰতিবাদৰ সেয়াই সিহঁতৰ প্ৰথম কণ্ঠস্বৰ আছিল
কালি ক'লা বজাৰত জুই লাগিছিল।

কালি এটি এটিকৈ হত্যা কৰা হৈছিল
মুখা পিন্ধা ভদ্ৰলোকক
শাৰী পিন্ধাই নচুওৱা হৈছিল ৰাজধানীত
এনেকৈয়ে কালি লুইতৰ বুকুত জাহ গৈছিল
এটি অভদ্ৰ কলংক জাতি।

কালি মোৰ দেশৰ মানুহে নতুনকৈ ৰচিছিল
হৃদয়ে হৃদয়ক ভালপোৱাৰ নতুন প্ৰেমৰ কবিতা
য'ত নাই প্ৰেয়সীৰ দুষ্টৰ লঘু লাঞ্চনা
য'ত নাই প্ৰেমিকৰ শোষণ বঞ্চনা।
কালি মোৰ দেশৰ জনতাই নিৰ্ভয়ে ঘূৰিছিল
ৰাজআলিত
মৰমৰ পদুলিত চেনেহৰ বীজ সিঁচি
ন-সাহসেৰে ন উদ্যমেৰে ওলাইছিল
নতুন সভ্যতা গঢ়িবলৈ।

কালি নিষ্পাপ শিশুৰ সৰস ক্ৰন্দনত
কঁপি উঠিছিল শুভ্ৰ জননী
কালি যে নাছিল সংশয়
নিৰ্ভয়, কেৱল নিৰ্ভয়
বহুত দুৰ বিয়পি কেৱল নিৰ্ভয়..

## উভতি নাহিবা তুমি

বনজিৎ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

উভতি নাহিবা তুমি, আনৰ মৰম নেওচি
জানোচা মোৰ দৰে
তোমাক ভালপোৱা জনৰো প্ৰাণ ভৰিছিল
তুমি মৰা হাঁহিৰ বাবে,
সেয়ে তুমি উভতি নাহিবা।
উভতি নাহিবা তুমি
আনৰ প্ৰেৰণা উৎসাহক গচকি
তেওঁ বোধহয় মোৰ দৰে
প্ৰেৰণা পাইছিল তুমি কাষত থকাৰ বাবে
সেয়ে তুমি উভতি নাহিবা।
উভতি নাহিবা তুমি
দুনাই মোৰ জীৱনলৈ
তুমি উভতি আহিলেওঁ তোমাক পাইও
সুখী হ'ব নোৱাৰিম মই
তুমিয়েতো...
মোক ভাল পাই জীৱন যুঁজত আগবঢ়াইছিলা?
এতিয়া... আৰু নোৱাৰিম
মই তোমাক লৈ ভালপোৱাৰ নৈ সাতুৰি পাৰ হ'বলৈ।
সেয়ে মোৰ প্ৰাৰ্থনা তোমালৈ
উভতি নাহিবা তুমি মোৰ জীৱনলৈ
উভতি নাহিবা তুমি...।

## নিঃসংগতাৰ এটি মুহূৰ্তত তুমি ফোন কৰিছিলা

সঞ্জীৱ কুমাৰ শৰ্মা
স্নাতক তৃতীয় বৰ্ষ



আজি বহুদিনৰ মূৰত তুমি ফোন কৰিছিলা
তৃষ্ণাতুৰ মানুহে পানী পি খোৱাৰ দৰে
নিৰুদ্দেশ শিশুৱে মাকক পোৱাৰ দৰে
তোমাৰ মৌ-বৰষা মাতত
ময়ো পাইছিলো এক ক্ষণস্থায়ী আনন্দ
মই জানো মোৰ বাবে এতিয়াও
বহু কথাই অব্যক্ত হৈ তোমাৰ হৃদয়ত
তোমাক নোপোৱাৰ
আবেগৰ গজালটোৱে খুচি খুচি
সৃষ্টি কৰিছে হৃদয়ত এটুকুৰা কেচা ঘাঁ।
তোমাৰ মিঠা মিঠা কথাবোৰে
মোক লৈ গৈছে অতীতৰ স্মৃতিৰ মাজলৈ
ঠিক পোহৰৰ গতিৰ দৰে
খিৰিকীৰে চাই থকা তোমাৰ সজল দুচকু
ফিলশ্বফীৰ নোট বুকত সোমাই অহা
তোমাৰ মেঘালী চুলিতাৰি
তোমাৰ হাতৰ ভঙা খাৰুৰ টুকুৰাকেইটা
সযতনে সাচি ৰাখিছো মোৰ ড্ৰয়াৰত
যদি তুমি মোক ভাল পাব নোৱাৰো
বুলি কৈছিলা।
মই জানো
মোৰ বাবে এবাৰ হ'লেও তোমাৰ চকুলো সৰিছে
মোৰ বাবে এবাৰ হ'লেও তুমি
প্ৰাৰ্থনা কৰিছা
মোৰ বাবে এটা ৰাতি হ'লেও তুমি
উজাগৰে পাৰ কৰিছা
আবেগৰ প্ৰচণ্ড হেচাত এবাৰ হ'লেও
তুমি মৌনভাৱে কৈছা।
ময়ো তোমাক বহুত ভাল পাওঁ।





গল্প

## সম্পৰ্ক

প্ৰণিতা বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

অন্যমনস্কভাৱে দৰ্জা খুলিবলৈ আহিছিল তনভী। দৰ্জা খুলিয়েই থমকি ৰ'ল সম্মুখত বিকি। নহয়, ঠিক সম্মুখত নহয়, কলিংবে'ল বজাই কিছু দূৰত্বত থিয় দি আছে, প্ৰায় ছিৰিৰ কাষত। দীৰ্ঘ শৰীৰ, হাতত জ্বলন্ত চিগাৰেট সেই চিনাকী ভংগী। কিমানদিনৰ পিছত ইমান কাষত তনভীয়ে দেখিছে বিকিক! পাঁচ বছৰ? নে অনেক বেছি? মুহূৰ্ততে মচি গ'ল এক দীৰ্ঘ সময়। তনভীয়ে অস্ফুট কণ্ঠেৰে ক'লে আহা। বিকিয়ে মুখখন ঘূৰাই দূৰৰ পৰাই প্ৰশ্ন কৰিলে - মুনমীৰ এতিয়া কেনেকুৱা? আঘোণ মাহ। সূৰ্য ডুবিলেই এন্ধাৰ নামি আহে এই সময়ত। মুখখন ভালদৰে দেখা নাই বিকিৰ তনভীয়ে। বিকিয়ে ফোঁপাইছে নেকি? যেন বিকিক সদায়ে লগ পায় এনেকুৱা এটা ভাবত তনভীয়ে ক'লে - জ্বৰ বাঢ়িছে। আহা, ভিতৰলৈ আহা। সামান্য ইতস্ততঃ কৰি লাহে লাহে ভিতৰলৈ সোমাই আহিল বিকি, তনভীয়ে চাকৰি সূত্ৰে পোৱা এই ফ্লেটটোক বিকিয়ে কোনোদিনে নিজৰ বুলি ভাবিব পৰা নাছিল। তনভীৰ নামত, তনভীৰ চাকৰি সূত্ৰে পোৱা এই ফ্লেটটোত থাকি বিকিৰ পুৰুষত্বত লাগিল। এইবোৰ লৈ কম বাক-বিতণ্ডা, কম অশান্তি হোৱা নাছিল এসময়ত। ঘৰটোৰ চাৰিওপিনে সোমাই বিকিয়ে তীক্ষ্ণ দৃষ্টি দিছে। তনভীৰ চকু কোঁচ খালে, পাঁচ বছৰত বহু সলনি হৈছে, যেনেদৰে মানুহ সলনি হৈ যায়, দিনে-দিনে, মাহে-মাহে, বছৰে বছৰে। ঘৰটোত বস্তুৰ সংখ্যা বাঢ়িছে, সময়ৰ লগে লগে যেনেদৰে ম্যাদ বাঢ়ে, অভিজ্ঞতা বাঢ়ে। ঘৰটোৰ ভিতৰৰ টাবত এডাল গছ আছিল। বিকিয়ে এই গছডাল বিচাৰিছে নেকি? বিকিয়ে যেতিয়া এই ঘৰ এৰি গুচি গৈছিল, সেইদিনাই তনভীয়ে আছাৰি আছাৰি ভাঙিছিল টাবটো। পিছত সকলো পেলাই দিছিল ৰাস্তাৰ ডাষ্টবিনটোত আৰু এই গছডালেই বিচাৰিছে নেকি? তনভীয়ে প্ৰশ্ন কৰিলে - কি চাইছা- একো নাই। অপ্ৰস্তুত হৈ বিকিয়ে ক'লে - মুনমীয়ে কি কৰিছে? শুইছে? নাই। তনভীয়ে শোৱা কোঠালিৰ পৰ্দা আঁতৰাই ক'লে - ভিতৰলৈ নোযোৱা কিয়? তাৰ পিছত মুনমীৰ পিনে চাই ক'লে - চোৱা মুনমী, তোমাক চাবলৈ কোন আহিছে! যোৱা তিনিদিন ধৰি মুনমীৰ জ্বৰ উঠি আছে। অলপ আগতে তনভীয়ে হৰলিক্স খুৱাবলৈ চেষ্টা কৰিছিল মুনমীক, মুনমী বহি থাকিব পৰা নাছিল, সাংঘাতিক দুৰ্বল হৈছে। কোঠাত বিকিক দেখি মুনমীৰ শীৰ্ণ মুখমণ্ডল উদ্ভাসিত হৈ পৰিল - দেউতা। বিকি দৌৰি গ'ল বিছনাৰ কাষলৈ, ছোৱালীজনীৰ মুখখন বুকুৰ মাজত সুমুৱাই ক'লে - কি হৈছে তোমাৰ মুনমী? কেনেদৰে আছা তুমি? মুনমীয়ে তনভীৰ মুখলৈ চালে তুমি কেনেদৰে জানিলা মোৰ অসুখ বুলি? পুৱা তোমাক নাচৰ স্কুলৰ পৰা ফোন কৰিছিলো যে। প্ৰতি দেওঁবাৰে পুৱা নাচৰ স্কুলৰ পৰা মুনমীক বিকিয়ে লৈ যায়। আইনৰ চৰ্ত অনুসৰি। গোটেই দিন নিজৰ লগত ৰাখি ৰাতি ওভতাই দিয়ে জীয়েকক। ঘৰত নোসোমায়, তনভীৰ



কৰিব পাৰিব তোমাক...। — আকাশৰ মাত থোকাথুকি হৈ আহিল। জোৰ কৰিয়েই সি চেপি ধৰিলে ওঁঠ দুটা।

ঃ নহয় আকাশদা। গাৰ্ণাৰ আমাৰ ঘৰলৈ নাহিলে দেউতাই আমাৰ প্ৰেমক স্বীকৃতি নিদিব। গাৰ্ণাৰক বুজাব পৰা প্ৰথম ব্যক্তি হৈছে আপুনি। সি আপোনাৰ কথা কেতিয়াও না নকৰে। মই কিন্তু তাক নাপালে মৰি যাম আকাশদা। — বেলিয়ে এনে দেখুৱালে যেন তাইৰ মৃত্যুৰ বাবে দায়ী হ'ব আকাশ।

ঃ ধেৎ আকৰী। মৰি যাব পৰাকৈ ইমানেই ডাঙৰ হ'লানে? আকাশে বেলিৰ কথা নুবুজিলে বুজিব কোনে? অহাকালি দেউতাক ঘৰত থাকিবলৈ ক'বা। গাৰ্ণাৰ সময়তে গৈ পাব। মই তাক কল কৰিম। — দুটোপাল তপত অশ্ৰুৱে আকাশৰ গাল স্পৰ্শ কৰিলে।

ঃ থেংক ইউ আকাশদা। আপুনি থকালৈকে মোৰ কোনো সমস্যা নাই। বাই। — কানেক্‌চন্ কাটি দিলে বেলিয়ে।

হয়, সি থকালৈকে বেলিৰ কোনো সমস্যা নাই। কিন্তু বেলি থকালৈকেটো তাৰ বহুত সমস্যা থাকিব। থাকক সি এইবোৰ হজম কৰিব পৰা হৈছে। গাৰ্ণাৰে বেলিক নিজৰ কৰিব কিন্তু তাতো আকাশৰ সহায়ৰ প্ৰয়োজন হৈছে। এইখিনিতেই সুখী সি। এদিন ধেমালিতে মৃণালে তাক কৈছিল —'টেন্‌ছন পাইছ যদি মদ খাবি।' সি কেৱল হাঁহিছিল সিদিনা। কিন্তু আজি তাৰ বৰ মন গ'ল মদ খাব। সদায় কলেজৰ পৰা আহোতে দেখা Wine Shop খনৰ পৰা সি পঞ্চাশ টকাৰে এটা নাম নজনা মদৰ বটল কিনি আনিলে। আজি সি টেন্‌ছনৰ অৰ্থ বিচাৰিব। তাৰ চিৰাচিৰ হৃদয়ক শান্ত হোৱাৰ উৎকোচ দিব। ৰূমৰ ভিতৰত অকলে সোমাই সি বটলৰ সোপাটো খুলি ল'লে। মুখত ঢালি দিম বুলিও ৰৈ গ'ল আকাশ। মনত পৰিল বেলিয়ে দি যোৱা ... কৰ্তব্যটোৰ কথা। তাৰ এটা ফোনৰ ওপৰত নিৰ্ভৰ কৰিব বেলিৰ ভৱিষ্যত। বেচেৰী গাৰ্ণাৰক খুবেই ভাল পায় চাগে। অথচ তি... শব্দ ক'ব নোৱাৰাৰ বাবে তাই বুজি নাপা... আকাশৰ হৃদয়ৰ কথা। ব্যৰ্থ হৈ গ... কবিতাবোৰ। তাৰমানে তাৰ কবিতাবোৰে কো... অৰ্থ বহন নকৰে। শিহৰিত নকৰে কোনো এ... হৃদয়। আকাশে থিৰাং কৰিলে আজিৰ পৰা... আৰু কবিতা নিলিখে। কবিতা অবিহনেও পৃ... আকাশত মাৰ যোৱা বেলি পূৰ আকাশত উদ... প্ৰতিশ্ৰুতি কঢ়িয়াব। কিন্তু তাৰ বেলিক জা... সি গাৰ্ণাৰৰ হ'ব দিব পাৰিব? পাৰিব লাগি... পাৰিব লাগিবই সি। মদৰ বটলটো এহাতে... খামুচি আকাশে ডাইল কৰিলে গাৰ্ণা... নম্বৰ....।●

(বাস্তৱৰ ছাঁ পৰা কল্পনাৰ সৃষ্টি)

যদি সূৰ্যই অমৃত দিয়ে তাত থু পেলাই দিয়ক, যদি জ্ঞানীয়ে বিষো দিয়ে তেন্তে খাই দিয়ক। — গৰ্কী

বিদ্যা তাকহে বোলে যি যুক্তি দিব পাৰে। — হেমচন্দ্ৰ গোস্বামী

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা। — মিল্টন

এজনে কৰা ভুল ভ্ৰান্তিৰ পৰা তেওঁৰ চৰিত্ৰ জানিব পাৰি। — কনফুচিয়াচ

যিজনে নিজকে জ্ঞানী লোক বুলি ভাবে তেওঁতকৈ মুৰ্খলোক পৃথিৱীত দ্বিতীয়জন নাই। — ভল্টেয়াৰ

তৰলমনা লোকেহে ভাগ্যত বিশ্বাস কৰে — এমাৰ্ছন

আত্ম বিশ্বাসহীন মানুহৰ বাবে নাৰৱতা অবলম্বনেই শ্ৰেয়। — লাঁ ৰচ্‌কুঁক্





# মহীয়সী



উপাসনা চৌধুৰী
স্নাতক তৃতীয় বৰ্ষ

বিয়াৰ পিছদিনা সীমাক বস্তুবাহিনীসহ যিটো ঘৰত থাকিবলৈ দিয়া হ'ল সেইটো পুৰণি। পুৰণি মানে প্ৰায় ন-দহ বছৰ পুৰণি। তাৰ পূৰফালে নতুনকৈ বনোৱা এটা বোম্বাই আৰ্হিৰ ঘৰ। বাহিৰ ফালে ৰং কৰা নাই। তিনিফালে বাৰাণ্ডা আছে। বাৰাণ্ডাবোৰ গ্ৰীলেৰে আৱৰা। গ্ৰীলবিলাক ধুনীয় ডিজাইনেৰে বনোৱা। মাজতে ডাঙৰকৈ এটা ময়ুৰ সজ্জিত। সীমাহঁতে যে সেই নতুন ঘৰটোতহে থাকিব মাকে কোৱাৰ পিছৰে পৰা সীমাই সুযোগ পোৱাই প্ৰতি ঘৰটো আলেঙে আলেঙে চাই আছে। ঘৰটো তাইৰ ভালেই লাগিল। বেডৰূমত তিনিখন বিছনাৰ উপৰিও অন্য আচবাবৰ লগতে তাইৰ পঢ়া মেজো ধৰিব। কেতিয়াবালৈকে ভায়েককেইজন বেলেগ-বেলেগকৈ থাকিবলৈ ল'লেও ড্ৰইংৰূম আৰু ডাইনিংৰূমৰ লগত এটাচ্চ হৈ থকা ৰূমটো গেষ্ট কৰিব পৰা যাব। সিহঁতে সেইটো ঘৰেই ব্যৱহাৰ কৰিব বাবেই নেকি সীমাৰ লগত দিয়া আচবাববোৰ বাৰাণ্ডা তিনিখনৰ সন্মুখৰ লনত সজাই লোৱা হ'ল। ঘৰত বহুত আলহী থকা অজুহাতত বস্তুখিনি বাৰাণ্ডাত থৈ দিয়া কথাটোত তাই একো অস্বাভাৱিকতা দেখা নাছিল।

সীমাৰ মূৰত সৰগ ভাগি পৰিল তেতিয়াহে যেতিয়া আঠ মঙলাৰ দিনা তাইক লৈ অহা হ'ল। সেইদিনাৰ পৰা সিহঁতে নতুন ঘৰটোত থাকিব। নতুন ঘৰটোত সোমায়ে তাই দেখিলে ঘৰটো অন্য কিছুমান অত্যাধুনিক আচবাবেৰে ভৰাই তোলা হৈছে। অথচ দেউতাকে তাইৰ লগত দিয়া আচবাব খিনি আগৰ দৰে বাৰাণ্ডাত পৰি আছে। অৱশ্যে থিক আগৰ দৰে নহয়। সেইখিনি মেৰিয়াই অনা কাগজ পাতি ফালি পেলোৱা হৈছে আৰু অত্যন্ত বিশৃংখল ভাবে পেলাই থোৱা আছে। ৰাতি শুবলৈ গৈ তাই পলাশক সুধিলে —

'এইবোৰ কি হ'ল? নতুন আচবাববোৰ কিয় অনা হ'ল? মোৰ লগত দিয়াখিনিৰে নহ'লহেঁতেননে?' দিয়াখিনিৰে হ'লহেঁতেন। মাই তেনেকুৱা আচবাবেৰে ঘৰ শুৱাবলৈ বেয়া পায়। সেইবাবে এইখিনি নতুনকৈ পৰহি অনাইছে।

সেইদিনা ৰাতি তাইৰ টোপণি নাহিল। এইখিনি কথা দেউতাকে গম পালে বাৰু কি হ'ব? সাধাৰণ চাকৰি এটাৰ সামান্য উপাৰ্জণেৰে তেওঁ তাইক তাইৰ বায়েকক আৰু ভায়েকক ডাঙৰ দীঘল কৰিছে, বায়েকক বিয়া দিছে। উচ্চ শিক্ষিত কৰাইছে। কলেজ বিশ্ববিদ্যালয়ত পঢ়াইছে। ২৫ বছৰীয়া সাচতীয়া ধনেৰে তাইক বিয়াৰ খৰচ নোজোৰাত তেওঁ বহু টকা ধাৰ কৰি হ'লেও তাইৰ লগত দিয়া বস্তুখিনি ভাল চাই কিনিবৰ বাবে তেওঁ কাৰ্পণ্য কৰা নাছিল। যুগৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখিয়ে তেওঁ ডাঙৰ ছোৱালীৰ বিয়াত দিয়াখিনিতকৈ চাৰিগুণ দামৰ আচবাব কিনি আনিছিল। সেইখিনি কিনিবৰ বাবেই দেউতাকে গাঁৱৰ মাটিখিনিও বিক্ৰী কৰিবলৈ ইতস্ততঃ বোধ কৰা নাছিল। অথচ সেইখিনিৰে ইহঁতৰ ফেমেলি প্ৰেচষ্টিজ ৰক্ষা নহ'ল, সেইদিনা ৰাতি তাইৰ টোপণি নাহিল।

পিছদিনা ৰাতি পুৱাৰ লগে লগে উঠি আহি তাই এবাৰ বাৰাণ্ডাত অনাদৃত হৈ পৰি ৰোৱা আচবাব খিনি চাই ল'লে। দেউতাকৰ সন্মানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথম বাৰৰ বাবে তাই প্ৰতিবাদী মনটোক শাসন কৰিলে।

ইমান খিনিলৈকে একো সমস্যা নাছিল। কিন্তু লাহে লাহে তাইৰ ওপৰত অত্যাচাৰ বৃদ্ধি পাবলৈ ধৰিলে। শাহুৱেকে সিহঁতৰ বাবে নতুনকৈ অনা আচবাবখিনিৰ মূল্য আনিবলৈ ঘৰলৈ যোৱাৰ কথা ঘনাই কোৱা হ'ল।

তাই আৰু কিমানদিন এনেকৈ সিহঁতৰ অত্যাচাৰ সহ্য কৰি থাকিব। জৈৱিক প্ৰয়োজনত মানুহে মানুহৰ ওপৰত ইমান অত্যাচাৰ তাইৰ কাৰণে কল্পনাতীত। পাৰ্থিৱ সম্পদৰ দ্বাৰা জীৱনৰ মানদণ্ড বিচাৰ কৰা মানুহৰ লগতো যে এটা সময়ত তাই জীৱন কটাবৰ কাৰণে প্ৰস্তুত হ'ব লাগিব তাই ভবা নাছিল। মানুহৰ এই চৰিত্ৰ

তাইৰ মুঠেও অচিনাকী নহয়। কিন্তু যিজন মানুহৰ লগত সমগ্ৰ জীৱন কটাবৰ বাবে বিশ্চৰাচৰৰ সৃষ্টিৰ পৰম্পৰা মানি চলিবলৈ হৃদয়ৰ সমস্ত সুখ-দুখ ভাগ কৰি লোৱাৰ বাবে হোমৰ গুৰিত অগ্নিক সাক্ষী কৰি প্ৰতিজ্ঞাবদ্ধ হৈছিল সেইজন মানুহৰ ক্ষেত্ৰতো অমানবীয় কাৰ্যৰ বিৰুদ্ধাচৰণ কৰিবলৈ যোৱাটো তাইৰ বাবে এটা 'ট্ৰেজিক কইনচিডেন্চ্'। যিজনী ছোৱালীয়ে পদে পদে সমাজৰ দায়বদ্ধতা অনুভৱ কৰে, সমাজৰ প্ৰতি দায়িত্ববোধ যাৰ আন্তৰিক তাগিদা আনহাতে নিজৰ স্বামীক দেৱতা জ্ঞান কৰা হাজাৰ বছৰীয়া ভাৰতীয় সভ্যতাৰ ৰক্ষিতা আজি সেইজনী ছোৱালী এক মানসিক অন্তৰ্দ্বন্দত জুৰুলা।

লাহে লাহে সীমাৰ উৎকণ্ঠা বাঢ়িল। ইমান দিনে মাত্ৰ এটা আশাতে সীমাই সিহঁতৰ ইমানবোৰ অত্যাচাৰ সহ্য কৰিলে। তাই ভাবিছিল সময়ৰ লগে লগে হয়তো তাই সিহঁতৰ মনত ঠাই পাব, পাৰ্থিব বস্তুৰ প্ৰতি সিহঁতৰ লোভ নাইকিয়া হ'ব। সিহঁতৰ চিন্তাবোৰৰ পৰিবৰ্তন হ'ব, সমাজত ৰহিমলাৰ দৰে গজি উঠা এই কু-সংস্কাৰবোৰৰ বিষয়ে সিহঁতে নিজেও এদিন মাত মাতিব, সময়ে সকলো ঠিক কৰি নিব। কিন্তু তাই দেখিলে সিহঁতৰ মনৰ পৰিবৰ্তন হোৱাৰ কোনো আশা নাই।

ঘৰৰ অন্যবোৰৰ কথা বেলেগ। কিন্তু তাইৰ গিৰিয়েক যিজনক তাই দেৱতাৰূপে পূজা কৰে, অত্যন্ত ভাল পায় আৰু শ্ৰদ্ধা কৰে, সুখ-দুখৰ ভাগ বতৰা কৰিবৰ বাবে যিজন পুৰুষৰ ওচৰত অংগীকাৰবদ্ধ সেইজন মানুহে যেতিয়া এই সমস্ত ঘটনাৰ প্ৰতি উদাসীন এই কথাটোৱে তাইক বেছিকৈ অতিষ্ঠ কৰি তুলিছে। মাক বাপেকেৰ পৰা পাৰ্থিব সম্পত্তিৰ প্ৰতি লালসিত হোৱাৰ যি আদিপাঠ পলাশে সৰুতে শিকিছিল তেওঁ যেন সেই পাঠৰ এজন দক্ষ ছাত্ৰ। প্ৰতিটো কথাতে তেওঁৰ নিৰ্বিকাৰ ভূমিকাই তেওঁৰ সন্মতিকে নুসূচায়নে? সকলো দেখিও যেন তেওঁ একো নেদেখে। এনেকুৱা এজন ব্যক্তিৰ লগত সীমাই গোটেই জীৱন কেনেকৈ কটাব আনফালে মাকৰ অত্যাচাৰ বোৰতো আছেই।

সীমাই নিজৰ অতীতক ৰোমন্থন কৰিলে তাই নিজৰ কাৰ্যতে বিস্ময়াভিভূত হয়। তাইতো ইমানখিনি অত্যাচাৰ সহ্য কৰা ছোৱালী নহয়। স্কুল কলেজত পঢ়া অৱস্থাতে যৌতুকৰ দৰে কু-সংস্কাৰবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। নাৰীক পুৰুষসকলৰ সমানে অধিকাৰ দিয়াৰ দাবী কৰিছিল। তাইচোন নিজেই যৌতুক প্ৰথাৰ বিৰোধী আছিল। সাহিত্যৰ প্ৰতিটো ক্ষেত্ৰতে সৰুৰে পৰা পাৰদৰ্শী সীমাই তৰ্ক প্ৰতিযোগিতাত প্ৰায়ে প্ৰথম স্থান পাইছিল। সীমাৰ মনত প... এবাৰ গুৱাহাটীত অসম ভিত্তিত এখন ত... প্ৰতিযোগিতা হৈছিল। তৰ্কৰ বিষয় আছিল 'সংবিধানে নাৰীক পুৰুষৰ সমানে অধিকাৰ দি... উচিত।' প্ৰতিযোগিতাত তাই প্ৰথম স্থান অধিকাৰ কৰিছিল। কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজতো সীমা... বক্তৃতা আৰু নাৰী স্বাধীনতাৰ প্ৰৱক্তা... আলোচিত হৈছিল। অতীতৰ সীমাৰ ... দুৰ্দমনীয় ৰূপত স্মৃতি ৰোমন্থন কৰি তাই অনুভৱহৈছে তাই যেন কিবা এক দুৰ্বলতা... পাশত বন্দী হৈ গৈছে।

নাই তাই আজি আৰু সেই দুৰ্বলতা... প্ৰশ্ৰয় দিয়া উচিত নহয়। পৃথিৱীৰ আপেক্ষি... ভাবে দুৰ্বল মানুহবোৰে নিজৰ কৰিবৰ এ... সাধ্য নাই বাবেই সকলো অত্যাচাৰ নীৰ... সহন কৰে। প্ৰতিবাদ সাব্যস্ত কৰিব প... প্ৰতিভা আৰু দক্ষতা থকা মানুহবোৰ... ওপৰতে নিৰ্ভৰ কৰে এইবোৰ মানুহৰ যুক্তি... তাই আজি নিজৰ ঘৰখনৰ পৰাই সেইবো... নিষ্পেষিত নাৰীৰ মুক্তি বিদ্ৰোহৰ সূচ... কৰিব।

এই বিদ্ৰোহ তাইৰ মুক্তিৰ বাবে নহয় সমাজৰ হাজাৰ হাজাৰ নিপীড়িতা নাৰীৰ মুক্তি... বাবে।●

●পৃথিৱীৰ সৰ্ববৃহৎ ফুলপাহৰ নাম কি?

⇒ ৰাফ্লেছিয়া আৰ্নল্ডি

●কি মাছৰ কলিজা তিনিটা?

⇒ কাটল মাছৰ

●ইংৰাজীত D.D.T ৰ সম্পূৰ্ণ নাম কি?

⇒ ডাইক্ল'ৰ ডাইফেনিল ট্ৰাইক্ল'ৰ ইথেন

●কোনবিধ পতংগৰ তেজৰ বৰণ নাই?

⇒ পইতাঁচোৰা







# মুনিচুনিৰ পোহৰত সন্ধ্যা

অনামিকা তহবিলদাৰ
স্নাতক প্ৰথম বৰ্ষ

পৃথিৱীৰ কোন গৰাকী মাতৃয়ে পুত্ৰৰ মৃত্যুৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে? আহল বহল কোঠাটোৰ একোণত থকা বিছনাখনত পুত্ৰ নীলাভে হাত-ভৰি আছাৰি, ঘন ঘনকৈ উশাহ লৈ মৃত্যুৰ বাবে অপেক্ষা কৰিছে। সি চকুৰে নেদেখে, কাণেৰে নুশুনে, কেবল মৃত্যু যন্ত্ৰণাত ছটফটাই আছে। মাক সন্ধ্যাই বিছনাৰ কাষত মাটিত বহি পুত্ৰৰ মৃত্যু যন্ত্ৰণা সহিব নোৱাৰি ভগৱানৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰিছে, তাৰ আত্মাক মুক্তি দিবলৈ। ক্ৰমটোত থকা আন মানুহ খিনিৰো মৃত্যুৰ কৰুণ যন্ত্ৰণা সহিব নোৱাৰি তপত হুমুনিয়াহ ওলাই আহিল। কিছুসময় পিছত নিলাভৰ বিছনাৰ কাষত খিৰিকিৰে কজলা মেঘৰ বুকু বাই কোঠাটোলৈ সোমাই আহিল বৰষুণৰ টোপাল।

বাস্তাটোৰ ইটো পাৰত সন্ধ্যাৰ ঘৰ আৰু সিটো পাৰত পথাৰখন। পথাৰৰ শেষ বিন্দুত একুৰা দপদপাই জুই জ্বলিছে। সেইয়া নীলাভৰ চিতাৰ জুই। এটাৰ পিছত এটা ওপৰা-উপৰি দুখত জৰ্জৰিত সন্ধ্যাৰ চকুলোৰ সাগৰ গোটমাৰি বৰফ হ'ল। একেথৰে নীলাভৰ চিতাৰ জুইকুৰালৈ চোতালৰ এচুকত বহি সন্ধ্যাই চাই আছে। চোতালত থিয় হৈ থকা মানুহবোৰৰ কোনেও তাইক মাতিবলৈ সাহস কৰা নাই। জুইৰ ধোঁৱাবোৰ কুণ্ডলী পকাই আকাশলৈ উৰি গৈছে। আৰু সন্ধ্যাৰ সপোনবোৰো যেন ধোঁৱাৰ লগতে উৰি গৈ নীলাকাশৰ বুকুত আশ্ৰয় বিচাৰিলে।

সন্ধ্যা আছিল মাক দেউতাকৰ একমাত্ৰ সন্তান। গৰমৰ বন্ধত সন্ধ্যাই মোমায়েকৰ ঘৰলৈ ফুৰিবলৈ গৈ লগ পালে বিক্ৰমক। বিক্ৰমৰ লগত সন্ধ্যাই চিনাকি হ'ল আৰু দুয়োৰে মাজত বন্ধুত্ব স্থাপন হ'ল। কিন্তু লাহে লাহে সন্ধ্যাই নিজে নজনাকৈয়ে নিজতকৈয়ো ভাল পাইছিল বিক্ৰমক। মোমায়েকৰ ঘৰত কেইদিন মান থাকি সন্ধ্যা ঘৰলৈ উভতি আহিছিল। ঘৰলৈ উভতিআহি বিক্ৰমৰ সতে বিজড়িত স্মৃতিৰ পথিলা খেদি প্ৰেমৰ বৰষুণত তিতি জুৰুলি জুপুলি হৈ পৰিছিল।

সময়ৰ গতিময়তাত বিক্ৰম আৰু সন্ধ্যাৰ ৰাঙলী সপোন বাৰিষাৰ নদীৰ দৰে ভৰুণ হৈ আহিছিল। ঘৰত সন্ধ্যাৰ বিয়াৰ কথা ওলোৱাত এদিন তাই স্পষ্টভাবে দেউতাকক সকলো কথা ক'লে —

ঃ দেউতা, বিক্ৰমৰ বাদে মই আন কাৰো স'তে বিয়াত নবহো।

দেউতাকে সন্ধ্যাৰ জেদী মনৰ কথা জানেই। তাই যি সিদ্ধান্ত লয় নিজৰ প্ৰাণৰ বিনিময়তো তাই সেই সিদ্ধান্ত পৰিত্যাগ নকৰে। দেউতাকে সন্ধ্যাৰ প্ৰেমৰ তাড়ণাতে বিক্ৰমৰ লগত তাইৰ বিয়া থিক কৰিলে।

সময়ৰ সোঁতত জীৱন নাওঁ উটি ভাঁহি চাকনৈয়াৰ বুকুত আশ্ৰয় ল'লে। কেইবছৰমান আগৰ সময়ৰ বিক্ৰমক সন্ধ্যাই হৃদয়ৰ চুকত বিচাৰিব লগা হ'ল। সেই সময়ৰ বিক্ৰম আৰু আজিৰ বিক্ৰমৰ মনৰ পৰিবৰ্তন হ'ল। প্ৰতিটো কথাতে সন্ধ্যাক এজাউৰি দিয়ে —

ঃ তইয়ে মোৰ জীৱন শেষ কৰিলি। মোৰ লগৰ ল'ৰাই পঢ়ি চাকৰি কৰি আছে। তই প্ৰেমৰ মিছা চলেৰে মোৰ পঢ়া জীৱন বৰবাদ কৰি দিলি।

বিক্ৰমৰ কথা শুনি সন্ধ্যাৰ কন্দাৰ বাহিৰে আন উপায় নাছিল।

শাহু-শহুৰেকেও সন্ধ্যাক কটা ঘাত চেঙা তেল দিয়া হ'ল। বিক্ৰমৰ অনুপস্থিতিত তাই আনৰ ঘৰলৈ যোৱা বুলি পুতেকক লগোৱা হ'ল।

ৰাতি বিক্ৰমে ঘৰ সোমোৱাৰ লগে লগে মাকে খঙেৰে ক'বলৈ ধৰিলে —

ঃ ডেকা কালটো তইঁতক খুৱাই-ধুৱাই কষ্টেৰে পাৰ হ'ল। এতিয়া বুঢ়া বয়সতো শান্তিৰে এসাজ খাবলৈ নোপোৱা হ'লো। দিনটো বান্দীৰ দৰে কাম কৰোতে গ'ল। এজনীয়ে লোকৰ চুৰা চেলেকি অলপ আগতে ঘৰ সোমাল। একো ক'বলৈ নোৱাৰি। মুখখন আখৈ ফুটা দিব। এইয়ে কপালৰ লিখন — এইবুলি হাওৱাওকৈ কান্দিবলৈ ধৰিলে।

বিক্ৰমে সকলো অপযশ সঁচা বুলি ভাবি সন্ধ্যাৰ পিঠিত কেইটামান কেচা কিল সোধালে। অতীতৰ 'handsome' বিক্ৰম আৰু আজি দাড়ি-চুলিয়ে ভোবোকাৰ, মুখত মদৰ ভেকেটা ভেকেট গোন্ধ, কথাৰ লাগ-বান্ধ নোহোৱা বিক্ৰমক দেখি সন্ধ্যা চমকি উঠিল। টকা-পইচাৰ অভাৱত মানুহে দৰিদ্ৰৰ জ্বলন্ত কুণ্ডত পৰি ছট ফটাই থাকে। সেয়েহে সন্ধ্যাৰ প্ৰতি বিক্ৰমে এনে নিদাৰুণ আচৰণ কৰিলে। সেই কথা সন্ধ্যাই মৰ্মে মৰ্মে উপলব্ধি কৰিলে।

ফাগুণৰ দুপৰীয়া। ধূলিৰে ধুসৰিত আকাশ-গছৰ পাতবোৰ সৰি ডালবোৰ মানুহৰ জঁকাটোৰ দৰে থিয় হৈ আছে। মাটিৰ বুকুত চিৰাল ফাট। নিৰ্জন দুপৰীয়া সন্ধ্যাই তাঁত শালত বহি হাতত মাকোটো লৈ কিবা ভাবি আছে। ওচৰৰ ঘৰৰ তিৰোতাগৰাকীয়ে আহি সন্ধ্যাৰ ভাবৰ যতি পেলাই মন ফাগুণৰ বৰদৈচিলাজনীৰ গতি আৰু বেছি বেগৱতী কৰিলে। বৰদৈচিলাৰ দুৰন্ত গতিত পাত নোহোৱা ডালবোৰ মৰমৰকৈ ভাগি গ'ল। ক'ৰবাৰ এটি জ্বলন্ত আঙঠা শুকান পাতত পৰি দপদপাই জুই জ্বলি উঠিল। কথা প্ৰসঙ্গত তিৰোতাগৰাকীয়ে তাইক ক'লে —

ঃ বিক্ৰমে গাঁৱৰ আন এজনী নিলয়া নামৰ ছোৱালীৰ প্ৰেমত পৰিছে। চকিদাৰিণী চাকৰিটো কৰি ক'ত ল'ৰাক লোভ দেখুৱাই ধ্বংস কৰিলে তাৰ ঠিকনা নাই। এতিয়া সিয়ো তাইৰ প্ৰেমত বন্দী হ'ল।

এনেদৰে কৈ সন্ধ্যাৰ শাহুৱেকক দেখা পাই তিৰোতাগৰাকীয়ে খৰখেদাকৈ ঘৰমুৱা হ'ল। সন্ধ্যাই ইমান বছৰৰ চিনাকি বিক্ৰমক অতি সোনকালে মুনিচুণিৰ পোহৰত অবিশ্বাস কৰিব নোৱাৰিলে। টকা-পইচাৰ অভাৱত মানুহ খিংখিঙিয়া হয়। অলপ কথাতে খং উঠে। সেই বুলি সদায় এনেকুৱা হৈয়ে থাকিবনে? এইবাৰ বিক্ৰমৰ প্ৰতি সন্ধ্যাৰ স্নেহ উঠলি উঠিল।

কিন্তু কেইদিনমান পিছত সন্ধ্যাই অনুভৱ কৰিলে বিক্ৰমে নিলয়াক সঁচাকৈয়ে ভাল পায়। কেইটামান টকাৰ লোভত বিক্ৰমে নিজৰ হৃদয় বন্ধকত থ'লে। সঁচা মৰম ভালপোৱাৰ লগ... টকা-পইচা দিব নোৱাৰিলে তাৰ কোনো মূ... নাই। সঁচা প্ৰেম আজিৰ পৃথিৱীৰ পৰা কেনি... ধোঁৱাৰ দৰে উৰি গ'ল।

ধুমুহাৰ লগতে অহা শিল বৰষু... আহিনৰ পথাৰক গচকি থেনথেনীয়া কৰি যোৱা... দৰে সন্ধ্যাৰ জীৱনৰো একে অৱস্থা হ'ল... কেইদিনমানৰ পৰা নীলাভৰ শুই উঠাৰ পিছ... পৰা চকু মুখ উখহিবলৈ আৰম্ভ কৰিছে। ডাক্ত... ওচৰলৈ নীলাভক লৈ যোৱাত ডাক্তৰে পৰীক্ষা... কৰি 'ৰিপৰ্ট' দিলে যে তাৰ 'কিড্‌নী' এটা সম্পূ... অসাৰ, আনটোও নষ্ট হ'বলৈ আৰম্ভ কৰিছে।

অৱশেষত টকাৰ অভাৱত সন্ধ্যা... নীলাভক মৃত্যুৰ শেতেলিত চিৰদিনলৈ শুৱা... দিবলৈ ওলাইছে।

আজি সঁচাকৈয়ে সন্ধ্যাৰ সেই দিন আহি... পালে। তাইৰ চকুৰ আগত দপ্‌দপাই জ্বলি উঠি... নীলাভৰ চিতাৰ জুই।

যৌৱনৰ শেষ সীমাত থিয় হৈ তাই বুলি... পালে হৃদয়ৰ সেউজীয়া ৰঙবোৰ কেনেদ... নীলা ৰঙলৈ ৰূপান্তৰিত হয়। চিতাৰ জুই নুমুৱা... লগে লগে পশ্চিমৰ হেঙুলীয়া সূৰুযে বাৰী... পিছফালে থকা বাঁহগছ কেই জোপাৰ মাজ... নীৰৱে আশ্ৰয় ল'লে।●

দেউতা ঃ ৰাতুল আজি দিনটোত কিবা ভাল কাম কৰিছনে?
ৰাতুল ঃ কৰিছো! এজন মানুহে দৌৰি গৈও শেষ বাছখন ধৰিব নোৱাৰা দেখি মই তেওঁৰ পিছত মোৰ কুকুৰটো লগাই দিছো।
দেউতা ঃ অ'টো, কুকুৰৰ ভয়ত প্ৰাণটাকি দৌৰাৰ ফলতহে তেওঁ গাড়ীখনত উঠিব পাৰিলে।

●●● ●●● ●●●

*যাত্ৰী ঃ ঐ ৰিক্সা যাবি?*
ৰিক্সাচালক ঃ (হিন্দীত) কাহা?
যাত্ৰী ঃ নাকাহিলে নাযায় নে কি?





# মা

ৰূপ তালুকদাৰ
স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ



**মা**। যদিও 'মা' শব্দটো এটা বৰ্ণৰে গঠিত তথাপিও ইয়াৰ মাজতে লুকাই থাকে মৰম, ভালপোৱা, সুখ-দুখ, শ্ৰদ্ধা-ভক্তি কিছুমান চিন বা বংশৰ সূতাডাল। এই 'মা' শব্দটো যদিও সহজ সৰল তথাপি এগৰাকী 'মা' বা মাতৃ হ'বলৈ ইমান সহজ নহয়। যাৰ বাবে প্ৰয়োজন কেৱল মাত্ৰ ভাগ্যহে। মাতৃ স্নেহ কি বস্তু ইয়াৰ সঁচা অৰ্থটো উপলব্ধি কৰিব পাৰে যিজন মাতৃ স্নেহৰ পৰা বঞ্চিত হৈছে।

পলাশৰ মুখত 'মা' শব্দটো একেবাৰে অচিনাকি। কাৰণ সি সৰুৰে পৰা 'মা' বুলি উচ্চাৰণ কৰিয়ে পোৱা নাই। ঘৰত কাম কৰা মানুহজনীক পেহী বুলি মাতে আৰু তাইয়েপলাশক ডাঙৰ কৰা, টিফিন বনোৱা,স্কুলত অনা-নিয়া আদি সম্পূৰ্ণ কাম কৰে যদিও লাহে লাহে যেন পেহীৰ দৃষ্টিশক্তি কমি আহিছিল। তথাপিও পেহীৰ আদৰত সি ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ হৈ উঠিছিল। পলাশৰ দেউতাক যদিও এজন মধ্যবিত্ত শ্ৰেণীৰ ব্যৱসায়ী আছিল তথাপি বেছিভাগ বাহিৰতে কটাইছিল।

এদিন পলাশে স্কুল টিফিনত ৰুটি নিছিল। টিফিনৰ সময়ত খাবলৈ উলিয়াওতে তাৰ সহপাঠী জোনে পলাশক ক'লে -ছিঃ ছিঃ তুমি ইমান লেটেৰা ৰুটি খোৱা। তাৰ পিছত জোনে নিজৰ ৰুটিখন দেখুৱাই কৈছিল — এয়া ছোৱা তোমাৰ ৰুটিখনৰ দৰে মোৰ খনৰ কতো ক'লা দাগ নাই। পলাশে জোনৰ ফালে চালে, কিন্তু একো উত্তৰ নিদিলে। তাৰ দুগালেৰে ধাৰাসাৰে চকু পানী বৈ আহিল। সি কান্দি কান্দি টিফিনটো বুকুত সাৱটি ধৰিলে। জোনে কিন্তু একো বুজি নাপালে যে পলাশে কিয় কান্দিছে। স্কুলৰ শেষত জোনৰ মাকে আহি জোনক লৈ গৈছিল। পলাশে দূৰৰ পৰাই জোনক অনুসৰণ কৰিছিল। তাৰ দুচকু সেমেকি গৈছিল।

তাৰ পিছদিনাখন পলাশহঁতৰ স্কুলত মাতৃ দিৱস উদ্‌যাপন কৰিছিল। যথা সময়ত সকলো ল'ৰা-ছোৱালীৰ মাকবোৰ উপস্থিত হৈছিল আৰু এখন ৰংগ মেলাৰ সৃষ্টি হৈছিল। মাতৃ দিৱস উপলক্ষে বিভিন্ন জনে নানা ধৰণে মাতৃক লৈ ভাষণ দিছিল। সকলো ল'ৰা-ছোৱালীয়ে ৰং ধেমালি কৰি আছিল। কিন্তু পলাশৰ মনটো কিবা এক যন্ত্ৰণাত উচপিচাই আছিল। স্কুলৰ বাকৰিত থকা গছ এজোপাৰ তলত বহি পলাশে উচুপি থাকিল তাৰ জীৱনত যেন কিবা এটা আধৰুৱা হৈ আছে। তাৰ কান্ধত কোনোবাই হাত এখন থৈ মাতিলে — পলাশ এয়া কেক লোৱা। পলাশে ঘূৰিচাই জোনক দেখিলে। জোনে পুনৰ ক'লে - তুমি কিয় কান্দিছা পলাশ। তেতিয়া পলাশে ক'লে - আজি যদি মোৰো মা থাকিলহেঁতেন, ময়ো তোমালোকৰ দৰে হাঁহি স্ফুৰ্তি কৰিলোহেঁতেন। মা থকাহ'লে মোক কেতিয়াও আধা পোৱা ৰুটি টিফিনত নিদিলেহেঁতেন। জানা জোন, নিষ্ঠুৰ ভগৱানে মোক এগৰাকী মা নিদিলে মোৰ মা থকা হ'লে কিমান যে কি কৰিলোহেঁতেন। জোনে পলাশৰ ফালে চাই ক'লে — তোমাৰ মা নাই! তোমাৰ মা নাই বুলি মই আজিহে গম পালো। পলাশে মূৰ দুপিয়ালে। জোনে অলপ সময় নীৰৱ হৈ ক'লে - পলাশ মোৰো দেউতা নাই জানা এইবাৰ পলাশে জোনক সুধিলে তোমাৰ দেউতাৰা ক'ত গৈছে। জোনে দুখ মনেৰে ক'লে — নাজানো মায়ে মোক প্ৰায়ে গালি পাৰে কাৰণ মই বোলে ৰাক্ষসী। মই জন্মিয়ে বোলে দেউতাক খালো মায়ে মোক কেতিয়াও আনৰ লগত লগ হ'ব নিদিয়ে। পলাশ ময়ো তোমাৰ দৰে একে দুখী জানা। মোক যদি কোনোবাই সঁচা মৰম

গুৱাহাটীৰ পৰা চিফুং যাত্ৰীবাহী ৰেলেৰে ৰাতি প্ৰায় ৪:৩০ মানত পাঠশালা আহি পালো। তেতিয়া এপ্ৰিলৰ মাহ চলি আছিল। লাহে লাহে ঠাণ্ডাৰ প্ৰকপতো নাইকিয়া হৈছিল। বৰদৈচিলাৰ তাণ্ডৱ আৰম্ভ হৈছিল। ষ্টেচনত আহি দেখিলো মোৰ ওচৰৰ এজন বন্ধুই মোক নিবলৈ আহিছে। মই তাৰ বাইকত উঠি প্ৰায় ৯ মানত পাঠশালা এৰিলো। মই আহি থাকোতে তাৰ মুখৰ পৰা শুনিলো যে আমাৰ ওচৰৰ গাঁওখনত ধুমুহাই বৰ তাণ্ডৱ নৃত্য চলাইছে। গাঁৱখন ধুমুহাৰ প্ৰকোপৰ পৰা কিবা কৰি বাচি গ'ল। ওচৰৰ গাঁৱৰ মানুহবোৰে উপায়হীন হৈ মথাউৰিত আশ্ৰয় লৈছে। (আমাৰ গাঁৱৰ মথাউৰিটো দিনতে বৰ জয়াল, মথাউৰিটোৰ ওচৰতে এখন বাঁহৰ বাৰী আছে। সেই বাৰীখনত মানুহে ভূত আদি থকা বুলি বিশ্বাস কৰে।) গতিকে আমি মথাউৰিৰে যোৱাটো ভাল হ'ব। মথাউৰিৰে আহি থাকোতে মই গাঁৱৰ মানুহবোৰক দেখিলো তেওঁলোকে ইতিমধ্যে শুবলৈ যো-জা চলাইছে। লাহে লাহে বাঁহৰ বাৰীখন পালো। তেতিয়া মোৰ বুকুখন কঁপি উঠিল। বাঁহৰ বাৰীখন পাৰ হ'লো মাত্ৰ তেতিয়া গাড়ীখন আপোনা আপুনি বৈ গ'ল। তেতিয়া সি ক'লে গাড়ীখনৰ প্লাগডাল চিণ্ডি থাকিল গতিকে তই অলপ জিৰাই ল, মই গাড়ীখন ঠিক কৰো। মই গাড়ীখনৰ পৰা অলপ দূৰলৈ আহিলো। তেতিয়া অকনমাণ বতাহ বলিছিল, এনেতে মোৰ চকু বাঁহৰ ওপৰলৈ গ'ল। এনেতে দেখিলো যে এটা বগা বস্তু বাঁহৰ ওপৰত নাচি আছে। অলপ বতাহ জোৰকৈ বলাত বগাটো আৰু বেচিকৈ নাচিব ধৰিছে। আৰু মই কিংকৰ্তব্য বিমূঢ় হৈ বগাটোৰ পিনে চাই পঠালো আৰু একো ধৰিব নোৱাৰি ভাবিলো যদি বগাটোৱে মোক আক্ৰমণ কৰে তেন্তে হয় মই মৰিম নহয় বগাটোক মাৰিম বুলি ভাবি ওচৰতে থকা চেকনি এডাল বুটলি ল'লো। অলপ পিছত মই ... ভাবিছিলো সেয়ে হ'ল। অৱশেষত বগাটো ... মূৰৰ ওপৰত পৰিল আৰু মই চেকনি ডাল... চকু মুদি সজোৰে কোব মাৰিলো ... চিঞৰিলো আৰু অনুভৱ কৰিলো যে বগা... ইতিমধ্যে মোৰ মূৰৰ ওপৰৰ পৰা আঁতৰি ... আৰু হাঁহিছে...। মই ভয়ে ভয়ে চকু ... দেখিলো যে মোৰ বন্ধুজনে বগাটো লৈ হাঁহি... বাগৰি পৰিছে। মই ওচৰলৈ গৈ দেখিলো ... 'সেইখন এখন বগা চাদৰ। বোধহয় ধুমুহা... কৰবাৰ পৰা উৰি আহি বাঁহৰ আগত লাগি... সি ক'লে যে 'তোৰ নিচিনা ভয়াতুৰ মা... পৃথিৱীত দেখা নাই এখন সাধাৰণ চাদৰক ... বুলি ভয় কৰ। গাড়ীখন ভাল হ'ল। এনেয়ে ... হৈছে গাড়ীত উঠ ঘৰত যাব লাগে।' মই ... কথাৰ প্ৰত্যুত্তৰ নিদি মূৰটো পিহি পিহি গাড়ী... উঠিলো।●

# ভূত

কীৰ্তিকমল দত্ত







# এটা নতুন চাৰ্ট

কাকলি ৰয়
স্নাতক প্ৰথম বৰ্ষ

দুখ মনেৰে পুৰণি ভঙা ঘৰটোৰ বাৰান্দাৰ খুটাটোত আউজি ৰাজু বহি আছে। দুচকুত তাৰ চকুপানী, মুখত দুখৰ চাপ। লগৰ ল'ৰা-ছোৱালী বিলাকৰ গাত তত নাই স্কুলৰ ৰূপালী জয়ন্তীৰ কাৰণে। কোনে কি গাব, কি আবৃত্তি কৰিব তাকে লৈ ব্যস্ত। ৰাজু দুখুনী বিধৱা মাকৰ এক মাত্ৰ ল'ৰা। মাকে গাঁৱৰ ইঘৰ সিঘৰত কাম কৰি কোনোমতে দুটা প্ৰাণীয়ে জীয়াই আছে। দেউতাকৰ দিনৰ সেই উৰলি যোৱা ঘৰটোৰ বাহিৰে সিহঁতৰ আৰু সম্পত্তি নাই। মাকৰ কাৰণে পুতেক ৰাজু হ'ল তেওঁৰ একমাত্ৰ সম্পত্তি। যোৱা বছৰ সামান্য অসুখতে মাক আৰু ৰাজুক দোলনিত পোনা মেলা দি এৰি থৈ দেউতাক মৰিল। অনেক দুখ কষ্ট স্বীকাৰ কৰি ৰাজুক বুকুত বান্ধি বিধৱা মাক জনীয়ে কোনোমতে জীয়াই আছে। ৰাজুৰ মনত বহু সপোন। সি পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব ভাল চাকৰি কৰি মাকক সুখত ৰাখিব। পঢ়া-শুনাত ৰাজু স্কুলত প্ৰথম ছাত্ৰ। শিক্ষক শিক্ষয়িত্ৰীয়ে তাক খুব মৰম কৰে। শিক্ষক-শিক্ষয়িত্ৰীয়ে তাক পঢ়াত উৎসাহ দিয়ে যাতে সি স্কুলৰ নাম ৰাখিব পাৰে। সদায় সকলো ক্ষেত্ৰতে আগ-ভাগ লোৱা ৰাজু আজিৰ এই দিনটোত স্কুললৈ নগৈ মন মাৰি ঘৰতে বহি আছে। স্কুলত শিক্ষক-শিক্ষয়িত্ৰীসকলে আলোচনা কৰিছে ৰাজু কিয় স্কুললৈ অহা নাই। আজি বহু দিনৰে পৰা ৰাজুৱে বিশেষ অভাৱত পৰি আছে। লগৰ ল'ৰা-ছোৱালী বিলাকে নানা ধৰণৰ নতুন কাপোৰ পিন্ধি স্কুলৰ ৰূপালী জয়ন্তীৰ সকলো কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। কিন্তু সকলোৰে মৰমৰ ছাত্ৰ ৰাজু আজি স্কুললৈ যাব পৰা নাই তাৰ উৰলি যোৱা সেই চাৰ্টটোৰ কাৰণে। বহুদিনৰ পৰা এটা চাৰ্টৰ অভাৱ সি অনুভৱ কৰি আহিছে। কিন্তু কোনোপধ্যে সি এটি নতুন চাৰ্ট যোগাৰ কৰিব পৰানাই। চিৰি যোৱা সেই পুৰণি চাৰ্টটোকে ধুই পোখালি নি আছিল কিন্তু কেইদিন মান আগতে লগৰ ল'ৰা পুলিনে তাৰ চাৰ্টটো একেবাৰে ফালি পেলালে। পুলিনৰ এই কাৰ্যত ৰাজুৰ খুব খং উঠিছিল যদিও সি পুলিনক একো নক'লে বৰঞ্চ সি তাৰ মনকে ধিক্কাৰ দিলে। সি এটা সামান্য চাৰ্টৰ কাৰণে আজিৰ দৰে দিন এটাত স্কুললৈ যাব পৰা নাই। মাকে আহি মাত লগোৱাত ৰাজুৰ চিন্তাত আউল লাগিল। ৰাজুৱে মাকৰ হাতত কিবা এটা টোপোলা দেখিলে। মাকে টোপোলাৰ পৰা ৰাজুক এটা চাৰ্ট উলিয়াই দি ক'লে — বোপা মই তোৰ দুখ বুজি পাইছো কিন্তু কি কৰিবি। আমাৰ দৰে দুখীয়া দুৰ্ভগীয়া মানুহে পিন্ধো বুলি পিন্ধিব নোৱাৰো। ৰাজুৱে দুহাতেৰে চাৰ্টটো ধৰি কান্দি উঠিল মাকৰ তাৰ প্ৰতি থকা মৰমৰ কাৰণে। সি চাৰ্টটো পিন্ধি একে দৌৰে স্কুল পালেগৈ।●

## কৌতুক

এজন আপোন ভোলা অবিবাহিত প্ৰফেছাৰে বিজ্ঞানৰ ক্লাছলৈ আহি ছাত্ৰসকলক ক'লে — চোৱা, মোৰ হাতত এইটো ভেকুলী। আজি তোমালোকক ভেকুলীৰ সম্বন্ধে ক'ম।

ঃ কিন্তু ছাৰ, আপোনাৰ হাতত সেইটো ভেকুলী নহয়। সেইটো দেখোন আলুৰ চপহে।

ঃ হে' প্ৰভু, তেনেহ'লে আজি পুৱাৰ ব্ৰেকফাষ্টত মই কি খালো?

শিক্ষক ঃ কচোন, পৃথিৱীৰ আটাইতকৈ বেছি ব্যৱহাৰ হোৱা শব্দটো কি?

ঃ নোৱাৰো। ছাত্ৰই মূৰ জোকাৰিলে।

ঃ হৈছে, বহ।

সাধু

# মতা গৰুৰ গাখীৰ

হীৰা দা
স্নাতক প্ৰথম ব

এসময়ত এজন বৰ নিষ্ঠুৰ ৰজা আছিল। তেওঁৰ এজন মন্ত্ৰীয়ে কৰা এটা সামান্য ভুলৰ বাবে তেওঁক আদেশ দিয়া হ'ল যে, পিছদিনা তেওঁ ৰজাক মতা গৰুৰ গাখীৰ আনি দিব লাগিব। নহ'লে তেওঁক প্ৰাণদণ্ড দিয়া হ'ব। মন্ত্ৰীয়ে প্ৰাণ যোৱাৰ ভয়ত মন মাৰি ঘৰলৈ উভতিল।

মন্ত্ৰীৰ ছোৱালীজনী আছিল বৰ বুধিয়ক। দেউতাকে মন মাৰি থকা দেখি তাৰ কাৰণ সুধিলে, উপাই নাপাই দেউতাকে সকলো কথা খুলি ক'লে। তেতিয়া মন্ত্ৰীৰ ছোৱালী নমীয়ে হাঁহি মাৰি ক'লে - দেউতা তুমি চিন্তা নকৰিবা এতিয়া তুমি খাই বৈ শুই থাকা। কাইলৈ ৰাজসভালৈ মই যাম, আপুনি যাব নালাগে দেখা যাব কাইলৈ কি হয়।

পিছদিনা ৰাতিপুৱা নমীয়ে ৰাজসভালৈ গ'ল আৰু ৰজাক নমস্কাৰ জনাই ক'লে - 'মহাৰাজ মই মন্ত্ৰীৰ ছোৱালী, মোৰ নাম নমী।' তোমাৰ দেউতাই ভয়তে তোমাক পঠাইছে কিজানি তোমাৰ কাকুতি-মিনতি শুনি মই তেওঁক প্ৰাণদণ্ড নিদিও বুলি। তেতিয়া নমীয়ে ক'লে দেউতাই গাখীৰখিনি ৰাতিপুৱাই আনি থৈ দিছে পিছে দিব আহিব নোৱাৰিলে তাৰ কাৰণে মোক ক'বলৈ আহিব দিছে কিয় মতা গৰুৰ গাখীৰখিনি আপোনাক দিব আহিব নোৱাৰিলে। ৰজাই ক'লে কিয় নোৱাৰিলে তেওঁ আহিব, নমীয় ক'... দেউতাৰ সন্তান হ'বৰ সময় হৈছে সেই কাৰ... আহিব নোৱাৰিলে।

ৰজাই গৰজি উঠিল আৰু ক'লে ম... মানুহৰ কৰবাত সন্তান হয় নেকি? তেতি... নমিয়ে গম্ভীৰ ভাবেৰে ক'লে যিখন দেশত ৰজা... মতা গৰুৰ গাখীৰ বিচাৰি আন এজন নিৰ্দোষ... মানুহক প্ৰাণদণ্ড দিব পাৰে, সেইখন দেশত ম... মানুহৰ সন্তান কিয় নহ'ব মহাৰাজ। নমীৰ কথা... এইবাৰ ৰজাৰ মুখৰ মাত নাইকিয়া হ'ল আৰ... বৰ লাজ পালে। মতা গৰুৰ গাখীৰ বাদ দি মন্ত্ৰী... মৃত্যুৰ পৰা ৰেহাই দিলে।●

# মহৎ লোকৰ বাণী

সংগ্ৰহ ঃ ব্ৰজেন বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

- বিৰহৰ এটোপাল চকুলো মিলনৰ হাজাৰ আনন্দতকৈও মহান।
  — মাইকেল এঞ্জেলো
- ভালদৰে কটোৱা দিন এটাৰ পিছত যেনেকৈ সুখৰ নিদ্ৰা আহে ঠিক তেনেকৈ ভালদৰে কটোৱা জীৱন এটাৰ পিছটো সুখৰ চিৰনিদ্ৰা আহে।
  — লিঅ'নাৰ্ড' দা ভিঞ্চি
- মুখৰ সৌন্দৰ্যৰ লগত অন্তৰৰ সৌন্দৰ্যৰ মিল নাথাকিলে কোনো নাৰীয়ে সুন্দৰ হ'ব নোৱাৰে।
  — বাৰ্ণাৰ্ড শ্ব
- কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধকালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সান্ত্বনা আৰু আশ্ৰয়, ঘৰৰ আনন্দ আৰু ভ্ৰমণৰ উত্তম সংগী।
  — চিচিৰো
- আমাক ভাল মানুহ লাগে, ভাল আইন বা আদালতৰ প্ৰয়োজন নাই।
  — গ্যেটে






# মনলৈ উভতি আহে ল'ৰালি

বুবুল মেধি
স্নাতক তৃতীয় বৰ্ষ

## এক অনুভৱৰ শ্ৰোত



অনুভৱৰ এভূমুকি ঃ

'আমাৰে মইনা শুৱ ঐ
বাৰীতে বগৰী ৰুৱ ঐ'

সৰুতে মায়ে গোৱা নিচুকণি গীতবোৰ আজিকালি মাৰ মুখত নাই। আজিকালি মাৰ মুখত সকলো সময়ত এষাৰীয়ে বাক্য শুনা পাওঁ সেইটো হ'ল 'বজাৰৰ পৰা সোনকাল আহি ঘৰ সোমাবি। সময় সলনি হ'ল। সময়ৰ সোঁতত আমিবোৰ আগুৱাই অতীত নামৰ বলুকাত আঁক দি আহিছো। আৰু আঁকবোৰ মনত পেলালেই আমাৰ মুখত বিৰিঙে এক হাঁহি। লগতে সোঁৱৰণিবোৰে আমাক নষ্টালজিক কৰি পেলায়। পাহৰি যাবলৈ বাধ্য কৰায় আমাৰ বৰ্তমান পৰিৱেশক।

এক আধৰুৱা সিদ্ধান্ত ঃ

'মনলৈ উভতি আহে ল'ৰালি তোৰে মোৰে এটি এটি ধেমালি চেকনীৰ আগত বিদ্যা থাকে বুলি শুনিছিলো গৃহকাৰ্যৰ কাৰণে বহুত চেকনীৰ কোব খাইছিলো।'

কলেজৰ মেগাজিনত কিবা লিখনি দিম বুলি মনত ভাবি আছিলো। কিন্তু সকলোতকৈ ডাঙৰ কথাটো হ'ল লিখনি কি? আজিলৈকে গল্প লিখি পোৱা নাই। সেয়েহে মনটোক সুধিলো 'গল্প লিখাৰ ধৈৰ্য আছেনে?' কিন্তু মনটোৱে যেন গল্প লিখাৰ উৎসাহ কমাই দিলে আৰু ভাবিলো কবিতা লিখো নেকি? কিন্তু আজিলৈকে ধেমালি কবিতাৰ বাহিৰে একো লিখাৰ অভিজ্ঞতা নাই। কিবা কিবি কবিতা লিখি পাঠকৰ মন বেয়া কৰাৰ অধিকাৰ তথা মানসিকতা মোৰ নাই। বুজি পালো যে মোৰ দ্বাৰা একো নহ'ব।

এদিন হঠাতে এটি গানৰ কলি কাণত পৰিল।

'মনলৈ উভতি আহে ল'ৰালি'

কলিটোৰ প্ৰত্যেকটো শব্দটেই আছিল এক অজান শক্তি। মনতো জিকাৰ খাই উঠিল। মোৰ মনটোৱে বিচৰণ কৰিব ধৰিলে মোৰ অতীতত।

স্নেপ - ১

'দুভৰিত ধুলি, পিঠিত বোজা
কিতাপবোৰৰ
দুচকুত হেঁপাহ, কিবা
কৰি দেখুওৱাৰ।'

ৰাতিপুৱা শুই উঠি হাতত কিতাপ লোৱা, স্কুললৈ যাব সাজু হোৱা, পদূলিত স্কুলৰ ৰিক্সা আহি পালে মাক যাওঁ বুলি কৈ দৌৰ মাৰি যোৱা কথাবোৰ যেন সৌ সিদিনাৰ। গণিতৰ আচাৰ্যৰ মাৰ খোৱা, গণিত কৰোতে অংকবোৰৰ কাষত বাৰংবাৰতাৰ দৰে আঁচ টানি অংক কৰা দিনবোৰে সঁচাকৈয়ে আমনি কৰে।

লগৰ বোৰৰ কিছুমানৰ চাকৰি হ'ল, কোনোৱে শিক্ষক হোৱা বুলিও গম পালো, কোনোৱে ভাল গায়ক হ'ল, অসমৰ বাহিৰতো পঢ়িব গ'ল বহুত... তথাপি যেন মনটোৱে নামানে। আমি চকীদাৰ খুড়াৰ সেই বেলটোলৈ বৈ আছো। যিটো বজালেই টিফিন খাবলৈ পাম। আজি সকলো সমনীয়া নিজৰ সুখময় ভৱিষ্যতৰ কাৰণে নিজকে প্ৰস্তুত

ভাবি চালে যিবোৰ সময় পাৰ কৰিলো সেইবোৰ ঘূৰাই আনিব মন যায়। ভুল যিবোৰ হৈছিল সেইবোৰ শুধৰণি কৰিব মন যায়। কিছুদিন পিছত আমাক ভৱিষ্যতৰ কথাই আমনি কৰিব। এটি সুস্থিৰ ভৱিষ্যত গঢ়াত আমিবোৰ দৌৰিম। দৌৰি থাকিম সফলতাৰ পিছত। কিছুমানে হয়টো বহুত আগুৱাব। এনেকৈয়ে নিজ সিদ্ধান্তত উপনীত হোৱাৰ পিছত যদি আমি সকলোৱে কামৰ ভিৰৰ মাজতো যদি অতীত ৰোমন্থন কৰো তেন্তে মনত ল'ৰালি, পঢ়াশালি, বন্ধুত্ব আদিবোৰে এক অইন সোৱাদ দিব।

কৰিবলৈ ব্যস্ত যদিও মই আজিও অনুভৱ কৰো পাৰ হৈ যোৱা মোৰ অতীত যিবোৰত সাঙোৰ খাই আছে মোৰ স্কুলীয়া সময়বোৰ তথা পেণ্ট মাৰি, ভৰিত বোকা লগাই হাতত স্কেল লৈ ঘূৰি ফুৰা সমনীয়াবোৰ।

জীৱনৰ যান্ত্ৰিকতাত আমি অতীত ৰোমন্থন কৰি এক অজান তৃপ্তি পাওঁ। বন্ধুবোৰক এৰি দুখোজ আগুৱাই আহিলেই মনত আহে অষ্টম মানত লংপেণ্ট পিন্ধি প্ৰথম স্কুললৈ যোৱা দিনটো। ঘড়ীৰ কাটাবোৰে যেন সময়বোৰ ঠেলি লৈ গ'ল। দশম মান পালো। বহুতো অভিজ্ঞতা মনৰ কোঠালীত বন্ধ হৈ ৰ'ল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ এক নতুন অভিজ্ঞতা আহিল মোৰ জীৱনলৈ। নতুন চাইকেল কিনি দিলে। নতুন পেদেলৰ লগত মইও উৰি গ'লো এখন নতুন জীৱনত। তথাপি আলহী আহিলে ঘৰলৈ আলহীৰ চাইকেল ঠেলি ঠেলি বেয়া কৰা, হাফ পেডেল মাৰি ফুৰা কথাবোৰে হুমুনিয়াহ ৰূপত আহি মনত দোলা দি থাকে।

কিযে সুখৰ দিন আছিল সেইবোৰ দিন। নাই কোনো ভৱিষ্যতৰ চিন্তা। কিবা লাগে ঘৰত কৈ দিলেই হ'ল। এনেদৰেই পাৰ কৰিলো হাইস্কুলীয়া জীৱন।

স্নেপ - ২

নোহোৱা হ'ল অংক,
পাহৰি গ'লো গণিতৰ পূৰণ হৰণ,
আধুনিকতাৰ পৰশত আমি
হাতত আহিল সকলোৰে চেলফোন।

৬ কিঃ মিঃ সদায় চাইকেল মাৰি যোৱাটো বহুত কষ্টকৰ। সময়ত ক্লাছ পাব লাগিব কাৰণ যে প্ৰথম হায়াৰ ছেকেণ্ডাৰীত গৈছো। তিতা-কেহা বহুত অভিজ্ঞতাৰ ভাণ্ডাৰেই হ'ল হায়াৰ ছেকেণ্ডাৰী জীৱন। ঘৰৰ পৰা ইমান চাইকেল মাৰি ক্লাছত সোমাও কিন্তু ক্লাছ শেষ হোৱাৰ লগে লগে অইন ৰুমলৈ দৌৰা এইবোৰতে সময়বোৰ ভাল লগা হৈছিল। আচহুৱা লাগিছিল যেতিয়া শ্ৰেণীকোঠা সলনি কৰিব লগা হৈছিল। হাইস্কুল জীৱনত শ্ৰেণীকোঠা সলনি নহয়, ছাৰ বাইদেউহে সলনি হ'ব। কিন্তু হায়াৰ ছেকেণ্ডাৰীৰ দৌৰা দৌৰিবোৰ প্ৰথম ভালপোৱা নাছিলো যদিও লাহে লাহে সকলো হৃদয়ংগম কৰিলো।

বহুত নতুন বন্ধু পালো। বহুত ছাত্ৰ-ছাত্ৰী একেলগে লগ পালো। ছাত্ৰ জীৱনত বাং মাৰি ফুৰাটো ধৰ্ম। বহুত পালো যিয়ে ক্লাছ মিছ কৰে চাহ দোকানত বহাৰ কাৰণে চিনেমা হলত যোৱাৰ কাৰণে, প্ৰেমাষ্পদৰ লগত দু-আষাৰ কথা পতাৰ কাৰণে কিন্তু মই বাং মাৰিছিলো মই পঢ়া হাইছেকেণ্ডাৰী খনৰ পিছফালে থকা সৰু খালটোৰ পাৰত থকা গছৰ শিপাত বহি ভৰিখনেৰে পানীত চুই এক প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰা তথা প্ৰকৃতিৰ লগত এক সম্পৰ্ক গঢ়াৰ কাৰণে।

এনেদৰে দুটা বছৰ পাৰ হ'ল অথচ গমেই নাপালো। বহুত নতুন বন্ধু-বান্ধৱী পালো যিবোৰে এতিয়াও মোক বুজিব পাৰে। এৰাব নোৱাৰা সম্পৰ্ক হৈ গ'ল বহুতোৰে লগত।

স্নেপ - ৩

কলেজীয়া স্বপ্ন দুচকুত
মনৰ আহ্বান এক নতুনলৈ
মনৰ উকা উকা অৱস্থা
বিচাৰে উৰি যাবলৈ।

মোৰ শিক্ষা জীৱনক এতিয়ালৈ চাই যদি ভাগ কৰো তেন্তে মই তিনিটা স্তৰত ভগাব পাৰিম।

১। প্ৰথম স্তৰ ঃ অংকুৰৰ পৰা দশমলৈ
২। দ্বিতীয় স্তৰ ঃ একাদশ-দ্বাদশ
৩। তৃতীয় স্তৰ ঃ স্নাতক প্ৰথম বাৰ্ষিকৰ পৰা এতিয়ালৈ।

নিৰ্মল হালৈ কলেজ, মনৰ হেঁপাহ কলেজত পঢ়িম, ডাঙৰ এলেকা, ডাঙৰ ক্লাছৰুম, ছাত্ৰ একতা সভা। কিমান যে স্বপ্ন। প্ৰথম দিন নিৰ্মল হালৈ কলেজৰ গেটৰ সন্মুখত অহা চিন্তাবোৰ, ভয় ভাববোৰ এতিয়া সমুলি নাই। ইমানবোৰ আমিবোৰ সকলোবোৰ ইয়াতেই যেন বিলীন। তিনিটা স্তৰত মই এটা কথাই বুজিলো যে ছাত্ৰ জীৱনৰ দ্বিতীয় স্তৰলৈ জীৱনটো ঠিকেই কিন্তু তৃতীয় স্তৰত কেৰিয়াৰ নামৰ শব্দটোৱে আমাক কষ্ট দি থাকে।

তৃতীয় স্তৰত আজি মই মোৰ প্ৰথম স্তৰত পাৰ কৰি অহা বহুতো বন্ধু-বান্ধৱী পাইছো। বহুত আনন্দৰ মাজেৰেই পাৰ কৰিছো সময়বোৰ। আদৰণি সভাৰ মাজেৰে নিৰ্মল হালৈ কলেজৰ পৰিয়ালত যোগদান কৰি এতিয়াও এজন সদস্য ৰূপত মই আছো আৰু জীৱনৰ শেষ সময় চোৱালৈও এজন সদস্য, শুভাকাংক্ষী হৈয়েই থাকিম।

**আত্ম কথন ঃ** ভাবি চালে যিবোৰ সময় পাৰ কৰিলো সেইবোৰ ঘূৰাই আনিব মন যায়। ভুল যিবোৰ হৈছিল সেইবোৰ শুধৰণি কৰিব মন যায়। কিছুদিন পিছত আমাক ভবিষ্যতৰ কথাই আমনি কৰিব। এটি সুস্থিৰ ভৱিষ্যত গঢ়াত আমিবোৰ দৌৰিম। দৌৰি থাকিম সফলতাৰ পিছত। কিছুমানে হয়টো বহুত আগুৱাব। এনেকৈয়ে নিজ সিদ্ধান্তত উপনীত হোৱাৰ পিছত যদি আমি সকলোৱে কামৰ ভিৰৰ মাজতো যদি অতীত ৰোমন্থন কৰো তেন্তে মনত ল'ৰালি, পঢ়াশালি, বন্ধুত্ব আদিবোৰে এক অইন সোৱাদ দিব।

**সামৰণি ঃ** লেখাটি প্ৰকাশিত হৈ সকলোৰে হাতত পৰালৈকে মই চাগে এন.এইচ. কলেজৰ ছাত্ৰ হৈ নাথাকিম, মই যিহেতু তৃতীয় বাৰ্ষিকৰ ছাত্ৰ, মোৰ Final examination দি Result ৰৈ থকাৰ সময়ত লেখাটি প্ৰকাশ হ'ব। লেখাটি কি হ'ল নাজানো কিন্তু মোৰ ব্যক্তিগত অনুভৱবোৰ লিখনিৰ আকাৰত আগবঢ়ালোঁ। মনত বিশ্বাস আছে মোৰ যে কোনেও লেখাটি পঢ়ি আমনি নাপায়।


অনুভৱত তিতিবলৈ চেষ্টা কৰক দেখিব জীৱনটো খুব সুন্দৰ।●

বিঃদ্ৰঃ- কিছুমান অসুবিধাৰ কাৰণে মই মোৰ পাৰ কৰি অহা শিক্ষানুষ্ঠানৰ নাম উল্লেখ কৰা নাই। ড° হাজৰিকাদেৱ আৰু ৰিদিপদা তথা মোৰ তিনিটা স্তৰৰ বন্ধু-বান্ধৱীৰ হাতত





# নিঃসঙ্গতা



ব্ৰজেন বৈশ্য
স্নাতক তৃতীয় বৰ্ষ

বিবেকৰ দংশন। বাতৰিবোৰ পঢ়িবই নোৱাৰা অৱস্থা। গ'ল, চব ৰসাতলে গ'ল। দেশৰ উন্নতিয়ে নে অধোন্নতিয়ে একো তলকিবই নোৱাৰা হৈছে। এই হত্যা, লুণ্ঠন ধৰ্ষণ, অপহৰণ, বোমা বিস্ফোৰণ, নাৰী নিৰ্যাতন — চাল্লা এই মানুহবোৰক পাইছে কিহে? এনে কি কাৰণত মানুহবোৰে দৌৰিছে প্ৰগতিৰ বিপৰীতে, সভ্যতাৰ বিপৰীতে। ইহঁতৰো ঘৰ-সংসাৰ বোলা একোৱেই নাইনে? আৰু যদি আছেই ইহঁতৰ মমতা ক'ত?

কাকতখন পঢ়ি উত্তেজনাত নিজৰ লগতে কথা পাতি থাকোতে মাষ্টৰ কেশৱানন্দৰ ৰাতিপুৱাৰ চাহকাপ কেতিয়াযে চেঁচা হ'ল তেওঁ গমকে নাপালে। আচলতে এইকেইটা দিনত মানে আজি দুবছৰে মাষ্টৰে এক বিৰাট মানসিক চাপত ভুগি আহিছে। উঠি আহিব ধৰা ঘৰখনে চকুত ধূলি মাৰি প্ৰতাৰণা কৰি যোৱাটো তেওঁ কোনোপধ্যেই সহিব পৰা নাই। ৰমলাৰ মৃত্যুৰ আজি সাত বছৰ হৈ গ'ল। বৰ কষ্টেৰে তেওঁ ল'ৰা-ছোৱালী কেইটাক ডাঙৰ দীঘল কৰিছে। ন বজাতে স্কুললৈ যাব লাগে। ইফালে গৰু হালৰো চোৱা-চিতা, তাৰ উপৰি পুত্ৰ-জীয়ৰীৰ ৰাতিপুৱাৰ আহাৰৰ ব্যৱস্থা। সিহঁতক নিজৰ লগতে স্কুললৈ উলিয়াই লৈ গৈ পুনৰ সন্ধিয়াৰ পৰা ৰাতিলৈ তেওঁ যেন এগৰাকী ব্যস্ত ঘৰৰ ব্যস্ত সুগৃহিনীহে। এনেকুৱা পৰিশ্ৰম কৰি আহিছে তেওঁ যোৱা সাতটা বছৰে আৰু আজিও। ডাঙৰ ল'ৰা অমল। এইবাৰ বি. এ. থাৰ্ড ইয়েৰত। বৰ্তমানমোমায়েকৰ ঘৰত থাকি গুৱাহাটীত পঢ়া-শুনা কৰি আছে। তাক লৈ মাষ্টৰৰ বিশেষ চিন্তা নাই। কিন্তু ইটো ল'ৰা মানে বিদ্যুৎ আৰু ছোৱালীজনী ৰুবী ইহঁত দুটাৰ পৰাহে মাষ্টৰৰ কেতিয়া কাণ-নাক কটা যায় ঠিক নাই। বিৰক্তি আহি যায় ইহঁতৰ পৰা। অন্তৰত ৰৈ থকা সকলোখিনি খং-অভিমান একেলগে স্তুপীকৃত হৈ ওলাই আহে কেতিয়াবা। বৰ বিষাদেৰে দিন কটাইছে বৃদ্ধ কেশৱানন্দই। তপত চকুলো, তপত হুমুনিয়াহ আৰু তপত নিশাহেই যেন তেওঁৰ একমাত্ৰ সংগী হৈ পৰিছে। বিদ্যুতে যোৱা বছৰ ছোৱালী এজনী পলুৱাই আনিছে। এই বতৰাই মাষ্টৰক বহুত দিন কন্দুৱাইছে। মাষ্টৰে তাক খঙতে সুধিছিল।

ঃ কি কৰিলি বিদ্যুৎ? — সি কয়

ঃ অ' দেউতা। উপাই নাই।

তাৰ হেনো কিবা উপাই নাই। যিটো বয়সত ল'ৰাই মেট্ৰিক পৰীক্ষা দিবলৈ সাত-আঠমাহ আগৰ পৰাই অন্য ধৰণৰ প্ৰস্তুতি লয়, যিটো বয়সত ল'ৰাই মান-মৰ্যাদাৰ, সন্মান-খাতিৰৰ প্ৰতিটো আদি পাঠৰ আখৰাত ব্যস্ত থাকে সেইটো বয়সত সি ছোৱালী পলুৱাই আনিছে - তাকো এজন আদৰ্শ শিক্ষকৰ ল'ৰাই। মাষ্টৰৰ কেতিয়াবা হাঁহি উঠি যায় - পুতেকে বিয়া কৰাইছে- কিবা হেনো উপাই নাই তাৰ? মাষ্টৰক এই কথাই বহুতদিন কন্দুৱাইছিল যদিও তেওঁ শেষত ভাবিছিল যা হওঁক মাউৰা ল'ৰা আৰু ঘৰখন চম্ভালিবলৈও গৃহিনী এজনী লাগে। কিন্তু মাষ্টৰৰ সেই আশাও বহুদিন নিটিকিল। যিজনী বোৱাৰীয়েকক মাষ্টৰে গৃহিনী বুলি ভাবিছিল সেইজনী গৃহিনী নহয় যেন কলংকিনীহে! চাৰিদিন হোৱা নাই তাই ঘৰত সুমুৱা, তাইৰ কোঠালৈ নানান অচিনাকি যুৱকৰ অবাধ বিচৰণ মাষ্টৰৰ লগতে সমজুৱাই দেখি আহিছে। আজিকালি কোনোবাই কেশৱানন্দৰ আগত বোৱাৰীয়েকৰ কথা উলিয়ালেই গাটো বেজবেজাই যায়; শিলে শিলে ঠেকা খাই যেন জুইহে জ্বলিব; জুইয়ে যেন ধ্বংস কৰিব! সাংঘাটিক ধৰণে মুহূৰ্তৰ ভিতৰতে পৰিবৰ্তন আহে বৃদ্ধ মাষ্টৰ কেশৱানন্দৰ জীৱনলৈ।

আগতে হ'লে আঘোণ-পুহ মাহত মাষ্টৰে চোতালৰ একোণত মনৰ আনন্দতে চীনা লাইৰ খেতি কৰিছিল। বিধে বিধে জলকীয়া, বেঙেনা ডাল ভৰাই লগাইছিল। সৰুকৈ পতা বাগিচাখনত মাষ্টৰে নিজ হাতে ৰুইছিল নানাৰঙী ফুল। গাঁৱৰ পূজা পাৰ্বনত মাষ্টৰৰ বাগিচাৰ ফুলেৰেই জুৰিছিল। এনে আপোনভোলা মাষ্টৰ। স্কুলতো, সকলোৰে মুখতেই আছিল 'কেশৱ চাৰ ইমান ভাল'। তেওঁৰ যশস্যাৰ ধ্বনি বিয়পি পৰিছিল চৌদিশে। ৰাষ্ট্ৰপতিৰ কৃতী শিক্ষকৰ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



কমল মেধী
সাধাৰণ সম্পাদক

প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্ততে স্বদেশ আৰু স্বজাতিৰ কাৰণে প্ৰাণ আহুতি দিয়া বীৰ জোৱান সকলক জনাইছো মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। লগতে সেই সকল প্ৰাতঃ স্মৰণীয় মনিষীলৈ যাঁচিছো মোৰ শ্ৰদ্ধাঞ্জলি তথা গভীৰ শ্ৰদ্ধা যি সকল মহান ব্যক্তিৰ কঠোৰ ত্যাগ, পৰিশ্ৰম; একাগ্ৰতা আৰু সাধনাৰ ফলত স্থাপিত হৈছিল নিৰ্মল হালৈ মহাবিদ্যালয়।

**পাতনিতে দু-আষাৰ ঃ** নিৰ্মল হালৈ মহাবিদ্যালয় বৰপেটা জিলাতে নহয় আমাৰ অসমখনৰ শিক্ষা জগত খনৰ বুকুত ধ্ৰুৱতৰা স্বৰূপ। আৰু এই মহান অনুষ্ঠানখনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হ'ব পাৰি মই নথৈ আনন্দিত। ইয়াৰ কাৰণে সমূহ নিৰ্মলিয়ান সকলক জনাইছো মোৰ আন্তৰিক ধন্যবাদ। এই সুযোগকণ দিয়াৰ বাবে।

**কৰ্তব্য তথা নতুনত্ব ঃ** নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্বটো এটা গুৰু দায়িত্ব। এই দায়িত্ব কিমান দায়িত্ব সহকাৰে পালন কৰিছো এইটো আপোনালোকৰ বিচাৰ্য বিষয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। আৰু এই মহাবিদ্যালয় সপ্তাহত পোন প্ৰথম বাৰৰ বাবে এটা অনুষ্ঠান হাতত লোৱা হৈছিল। সেইটো আছিল 'সাংস্কৃতিক শোভাযাত্ৰা' আৰু এই শোভাযাত্ৰা খন অনুষ্ঠিত কৰাত নানা হকা বাধা আহিছিল। কিন্তু মোৰ কিবা এটা নতুনত্ব অনাৰ খুৱেই ইচ্ছা আছিল আৰু এই ইচ্ছাক বাস্তৱত ৰূপায়ন কৰাত সহায় কৰিছিল শ্ৰীযুত সদানন্দ দাস ছাৰে। ছাত্ৰ একতা সভাৰ তত্বাবধায়ক মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত হেমন্ত কুমাৰ শীল ছাৰ দেৱ, ৰাজেন দাস ছাৰ আৰু ড° নৱনীতা কলিতা বাইদেউৰ মোক সৎ পৰামৰ্শই মোক যথেষ্ট উৎসাহ যোগাইছিল,

তাৰ পাছত আন এটা নতুনত্ব হ'ল নতুন খেল পথাৰ উদ্বোধন। আজি বহু বছৰ ধৰি সকলো সম্পাদকৰ প্ৰতিবেদনত এষাৰ অভিযোগ দেখা গৈছে যে আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰৰ অভাৱ আছে। কিন্তু এইবাৰ আমাৰ গৌৰৱৰ কথাটো হ'ল যে মহাবিদ্যালয়ৰ নৱ নিৰ্মিত খেল পথাৰখন এইবাৰ উদ্বোধন কৰা হয় আৰু খেল পথাৰ খনত প্ৰথমবাৰৰ বাবে খেল ধেমালি অনুষ্ঠিত কৰা হয়। খেল পথাৰ খন উদ্বোধন কৰে আমাৰ মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড০ বীৰেন্দ্ৰ ডেকা ছাৰ দেৱে। মোৰ এটা বিনম্ৰ অনুৰোধ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষলৈ যাতে নৱ নিৰ্মিত খেলপথাৰ খন অতি সোনকালে সকলো খেল অনুষ্ঠিত কৰাৰ উপযোগী কৰি তোলে। তাৰ পাছত অধিষ্ঠাত্ৰী দেৱীৰ পূজা। নিৰ্মল হালৈ মহাবিদ্যালয়ত মোৰ চাৰি বছৰীয়া অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে এইবাৰ সৰস্বতী পূজাতেই বহু পৰিমাণৰ ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈছিল। কলেজ কৰ্তৃপক্ষলৈ এটা অভিযোগ আছে যে সৰস্বতী পূজাত মহাবিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ একতা সভাৰ সদস্য তথা ছাত্ৰ-ছাত্ৰী সকলক কম গুৰুত্ব দিয়া দেখা যায়। মোৰ ধাৰণাত সৰস্বতী পূজাৰ প্ৰয়োজন ছাত্ৰ-ছাত্ৰী সকলৰ বেছি। কিন্তু আ... মহাবিদ্যালয় কৰ্তৃপক্ষই যি পদ্ধতিৰে সৰ... পূজা পালন কৰি আহিছে। মই ইয়াৰ পক্ষপা... নাছিলো আৰু সম্পূৰ্ণ দায়িত্বসহ যে মই সৰ... পূজা খনত আগভাগ লৈছিলো সেই সকলো... আপোনালোকৰ জ্ঞাত।

সৰস্বতী পূজাত মোক সকলো দি... পৰা দিহা পৰামৰ্শ তথা সহায় কৰিছিল ড°... চন্দ্ৰ ভাগৱতী ছাৰ দেৱে আৰু সদানন্দ ছাৰ দে... তেওঁলোকৰ ওচৰতো মই চিৰ কৃতজ্ঞ।

তাৰ পিছত বহুতো অনুষ্ঠান আ... সকলো বিলাকৰ ব্যাখ্যা কৰিবলৈ গ... প্ৰতিবেদনৰ অন্ত নপৰিব।

**বিশেষ মুহূৰ্ত ঃ** মোৰ সোভাগ্য বুলিব লা... মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী... মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ... মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা আ... মহাবিদ্যালয়খন যিজন মহান ব্যক্তিৰ না... নামাকৰণ কৰা হৈছিল সেইজন মহান ব... নিৰ্মল হালৈ দেৱৰ আবক্ষ মূৰ্তি স্থাপন কৰা...

আৰু এটা বিশেষ মুহূৰ্ত হ'ল ন...





আদৰণি সভাত আমাৰ মহাবিদ্যালয়ে পতা অন্তৰংগ আলাপত অসমৰ সু গায়িকা তথা ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত গায়িকা তৰালী শৰ্মা আৰু অসমৰ বোলছবি জগতৰ অভিনেত্ৰী বৰষাৰাণী বিষয়াৰ উপস্থিতি। আপোনালোকক আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা জনালোঁ ধন্যবাদ।

মোৰ কাৰ্যকালৰ আটাইতকৈ আনন্দৰ দিন ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকলৰ অৰ্থাৎ মিলনৰ দিনটো। নগাৰত আদৰণি সভা। এইখিনিতে সাধাৰণ সম্পাদক হিচাপে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক এটি অনুৰোধ আছে। চিৰ নমস্য ব্যক্তি প্ৰয়াত নিৰ্মল হালৈ দেৱৰ মহান ত্যাগৰ ফলত সৃষ্টি হোৱা এই মহান অনুষ্ঠানটোক কেনেকৈ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰি তাৰ বাবে আমি প্ৰতিজ্ঞাবদ্ধ হওঁহক। মহাবিদ্যালয়ৰ ঐতিহ্য ৰক্ষা কৰাই আমাৰ পৱিত্ৰ কৰ্তব্য হওঁহক।

**কৃতজ্ঞতা স্বীকাৰ ঃ** নিৰ্মল হালৈ মহাবিদ্যালয়ৰ নিছিনা গৌৰৱ উজ্বল মহান শিক্ষানুষ্ঠান এখনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ নিচিনা এটা দায়িত্ব পালন কৰাৰ সুযোগকণ দিয়াৰ বাবে আপোনালোক সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ এই এবছৰীয়া কাৰ্যকালত প্ৰতিটো দিশতে দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ তত্বাবধায়ক শ্ৰীযুত হেমন্ত কুমাৰ শীল ছাৰ দেৱ, ড° প্ৰবোধ গোস্বামী ছাৰ, শ্ৰীৰাজেন দাস ছাৰ, শ্ৰীপ্ৰদীপ শৰ্মা ছাৰ, শ্ৰীকিশোৰ শৰ্মা ছাৰৰ লগতে সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে কৃতজ্ঞতা জনালোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো দিশটে বিশেষ ভাবে সহায় কৰা বন্ধুবৰ বনজিৎ, মানস, নিহাৰ, খনিন, প্ৰাঞ্জল, হিমাক্ষী, তুলিকা, জুতিকা, ধৃতী, দেইজী, দিপা, ৰূপজ্যোতি। এওঁলোকক বিশেষ ভাবে কৃতজ্ঞতা জনালোঁ।

**মাৰ্জনা বিচাৰিছো ঃ** হে মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় ছাৰ বাইদেউ সকল আৰু মোৰ বন্ধু-বান্ধৱী সকল তথা মোৰ মৰমৰ ভাইটি সকল আপোনালোক সকলে জানে যে ভুল দোষ আদি শব্দ এনেই অভিধানত লিখা নাই। এইবিলাকৰ অৰ্থ আছে কাৰণে লিখা হৈছে। মোৰ ক্ষেত্ৰটো ইয়াৰ ব্যতিক্ৰম নহয়। মোৰ এবছৰীয়া কাৰ্যকালত নিশ্চয় কিবা নহয় কিবা ভুল হৈছে তাৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

**সামৰণি ঃ** নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ এবছৰীয়া কাৰ্যকালৰ সকলো সুখ-দুখ, তিতা-কেহাৰ অন্ত পৰিল। সকলো দোষ; ভুলৰ ক্ষমা ভিক্ষা মোৰ এই প্ৰতিবেদনৰ দ্বাৰাই মাগিলো। আমাৰ এই পৱিত্ৰ অনুষ্ঠানখন যাতে আকাশৰ ধ্ৰুৱতৰাৰ দৰে সদায় জিলিকি থাকে তাৰে কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



পাৰ্থ প্ৰতীম গোস্বামী
সহঃ সাধাৰণ সম্পাদক

জয়জয়তে মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ দেশৰ অস্তিত্ব ৰক্ষাৰ কাৰণে কলিজাৰ কেঁচা তেজেৰে দেশ মাতৃৰ চৰণ ধুওৱা জ্ঞাত-অজ্ঞাত যি সকল বীৰ-বীৰগংনাই প্ৰাণ আহুতি দিলে সেই সকল মহান পুৰুষলৈ মোৰ শত প্ৰণাম যাচিছোঁ লগতে যাৰ কঠোৰ শ্ৰম, ত্যাগ, একাগ্ৰতা আৰু সাধনাৰ বলত নিৰ্মল হালৈ মহাবিদ্যালয় আজিৰ এই অৱস্থাত উপনীত হৈছে। সেই সকললৈও মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

২০১০-২০১১ ইং বৰ্ষৰ নামনি অসমৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান নিৰ্মল হালৈ মহাবিদ্যালয়ৰ 'ছাত্ৰ একতা সভাৰ' সাধাৰণ নিৰ্বাচনত সহঃ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হ'বলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ মোৰ বন্ধু-বান্ধৱী তথা মৰমৰ দাদা-বাইদেউসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ হকে যৎপৰোনাস্তি চেষ্টা কৰিছিলো, অৱশ্যে সীমাবদ্ধ ক্ষমতাই আছিল এই ক্ষেত্ৰত প্ৰতিবন্ধক স্বৰূপ। আন আন মহাবিদ্যালয়ৰ দৰে আমাৰ মহাবিদ্যালয় খনিও বিভিন্ন ক্ষেত্ৰত অভাৱ অভিযোগৰ পৰা হাত সাৰিব পৰা নাই। নিৰ্মল হালৈ মহাবিদ্যালয় এখন আগবঢ়া শিক্ষানুষ্ঠান যদিও ইয়াত বহুতো অসুবিধা আছে। সেয়েহে নিম্নোক্ত কাম সমূহ অচিৰেই হাতত ল'বলৈ মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে মোৰ পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সদস্য বৃন্দক গুৰুত্ব সহকাৰে দৃষ্টিপাত কৰিবলৈ অনুৰোধ জনালোঁ।

১। ছাত্ৰ আৰু ছাত্ৰী জিৰণি কোঠাত দৈনিক অসমীয়া বাতৰি কাকতৰ ব্যৱস্থা কৰা।

২। ছাত্ৰ জিৰণি কোঠাত খোৱা পানীৰ ব্যৱস্থা কৰা।

৩। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই বেজ পৰিধান কৰা।

৪। মহাবিদ্যালয়ৰ খেলপথাৰ সম্পূৰ্ণ কৰি উলিওৱা।

৫। শ্ৰেণী চলি থকা সময়ত ছাত্ৰ-ছাত্ৰীসকলক বাৰন্দাত বহাটো বন্ধ কৰা।

৬। মহাবিদ্যালয়লৈ অহা-যোৱা কৰা ৰাস্তাটো সম্পূৰ্ণ কৰা।

যি নহওঁক এই অসুবিধাৰ মাজেৰে আমাৰ নিৰ্মল হালৈ মহাবিদ্যালয়খনে অসমৰ শিক্ষা জগতত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে।

অৱশ্যে মই কাৰ্যকালৰ সময়ত কিমানখিনি সেৱা আগবঢ়াব পাৰিছো তাৰ খতিয়ান বন্ধু-বান্ধৱীসকলৰ ওচৰত। হয়তো কাৰ্যকালৰ ভিতৰত কেতিয়াবা অজানিতে কিছুমান ভুল ত্ৰুটি কৰিব পাৰো তাৰ বা[ৰে] আপোনালোকৰ ওচৰত ক্ষমা মাগিছোঁ। মো[ৰ] কাৰ্যকালত সম্পূৰ্ণৰূপে সহায়-সহযোগি[তা] আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ অধ্য[ক্ষ] ড০ বীৰেন্দ্ৰ ডেকা ছাৰ আৰু তত্বাবধায়[ক] শ্ৰীযুত হেমন্ত কুমাৰ শীল ছাৰৰ ওচৰত ম[ই] চিৰকৃতজ্ঞ আৰু মোৰ কাৰ্যকালত বিভি[ন্ন] দিশত আঙুলিয়াই দি সহায় কৰাৰ বা[বে] সাধাৰণ সম্পাদকৰ লগতে ছাত্ৰ একতা সভা[ৰ] সমূহ সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।


সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যাল[য়ৰ] সমূহ ছাৰ-বাইদেউ তথা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মই আন্তৰিক ধন্যবাদ জনা[ই] মহাবিদ্যালৰ দীৰ্ঘায়ু কামনা কৰি আৰু অনাগ[ত] দিনবোৰত আপোনালোকৰ পৰা সদায় মৰ[ম] চেনেহ আৰু আশীৰ্বাদ বিচাৰি মোৰ প্ৰতিবেদ[ন] সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'





# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



উপকুল শৰ্মা
খেল সম্পাদক

**আৰম্ভণি ঃ** প্ৰতিবেদনৰ আৰম্ভণিতে এজাক ধুমুহা অদ্ভুদ সাহস আৰু সুউচ্চ হিমালয়ৰ দৰে দৃঢ়তা লৈ জননীৰ দুৰ্যোগৰ বেলিকা পৃথিৱীত শ্ৰেষ্ঠতম সম্পদ নিজৰ প্ৰাণকো উচ্ছে কৰা ৩৩ বছৰীয়া ইতিহাসৰ গৰাকী নিৰ্মল হালৈ মহাবিদ্যালয় আজি যি উচ্চ শিক্ষাৰ গৌৰৱ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে তাৰ অন্তৰালত লুকাই থকা সেই মহান সৃষ্টিকৰ্তা ব্যক্তি সকললৈ মোৰ ভক্তি আৰু সহস্ৰ প্ৰণাম জনাইছো। লগতে যি বীৰ বীৰগংনাই স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ হকে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয় মালা পিন্ধিছে আৰু শত্ৰু পক্ষৰ বিৰুদ্ধে যুঁজ দি আজীৱন পংগুত্বক সাৰথি কৰি জীয়াই থাকিল সেই সকল মহান ব্যক্তিলৈ নিবেদিছো মোৰ সহস্ৰ শ্ৰদ্ধাগত প্ৰণাম।

**কাৰ্যকালৰ চমু বিৱৰণ ঃ** ছাত্ৰ একতা সভাৰ মাননীয় সভাপতি মহোদয় সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সম্মুখত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত নিষ্ঠাৰে কৰ্তব্য পালনৰ শপত লওঁ। মোৰ কাৰ্যকালৰ আৰম্ভণিতে পাতিবলগীয়া কলেজৰ বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতা সমূহ অইন বছৰৰ নিচিনা সাদিনীয়া খেল-ধেমালি অনুষ্ঠান কৰা হয় আৰু কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা বহু লগ-বন্ধুৰ প্ৰচেষ্টাত আন্তঃ মহাবিদ্যালয়ৰ ফুটবল খেলখন গোসাইগাঁৱত খেলিব যোৱা হয়। ইয়াৰ বাবে মোৰ বন্ধু, বনজিৎ, কমল, ৰাকেশ, মৃগেন, সত্য, মানস, চম্পক, সীমান্ত, হিমাংশু আদি বহুতো লগ বন্ধুৰ লগতে শিক্ষাগুৰু জীতেন ভাগৱতী, কিশোৰ শৰ্মা আৰু আমাৰ অধ্যক্ষ ড° বীৰেন ডেকা ছাৰৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। কলেজ সপ্তাহৰ খেল আৰু আন্তঃ মহাবিদ্যালয়ৰ খেলৰ শেষত কলেজৰ অধ্যক্ষ বীৰেন্দ্ৰ ডেকাৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়।

**মোৰ দু-আষাৰ ঃ** নিৰ্মল হালৈ মহাবিদ্যালয়ৰ গৌৰৱ উজ্জল ইতিহাসৰ কথা সৰ্বজন বিদিত। কিন্তু অন্যান্য অনুষ্ঠান, প্ৰতিষ্ঠানৰ নিচিনা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ এটা অনুৰোধ যাতে আপোনাসৱে এই বাৰতকৈও ভালকৈ চলাই নিব পৰা খেল সম্পাদক নিৰ্বাচন কৰি খেল বিভাগৰ উন্নতি সাধন কৰে তাৰে কামনা কৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ** আমাৰ কাৰ্যকালত বিভিন্ন পৰামৰ্শৰে সহায় কৰা শ্ৰীযুত জীতেন ভাগৱতী, কিশোৰ শৰ্মা ছাৰ, হেমন্ত শীল ছাৰ আৰু অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকা ছাৰৰ লগতে সিদ্ধেশ্বৰ দাসলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু মোৰ কাৰ্যকালত বিশেষভাবে সহায় কৰা বন্ধু-বান্ধৱী সকল - বনজিৎ, ৰাকেশ, মানস, মৃগেন, সত্য, কমল, চম্পক, সীমান্ত, হিমাংশু, নৱ, খনিন, পল্লৱী, চন্দনা, সপ্তশিখা, গীতাঞ্জলী, কবিতা, জয়শ্ৰী, নিহাৰ, কল্পনাৰ লগতে কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**সামৰণি ঃ** সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উন্নতি জয় জয় ময় ময় হওঁক। ইয়াৰ বুকুৰ পৰা জন্ম হওঁক একো একোজন মহান খেলুৱৈ মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা সকলো ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

# উপ সভাপতিৰ কলম



সুৰজিৎ দেৱ চৌধুৰী
উপ সভাপতি

প্রতিবেদনৰ পাতনিতে মই মোৰ শ্রদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তা তথা ছাত্র-ছাত্রীলৈ অভিনন্দন যাঁচিছো। নিষ্ঠুৰ বাস্তৱ আৰু সংঘাতকো নেওচি অসমৰ জাতীয়তা ৰক্ষাৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰা মহান শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্রদ্ধাঞ্জলি নিবেদিছোঁ। আকৌ যিসকল ব্যক্তিৰ অপ্ৰাণ চেষ্টাত সৃষ্টি হ'ল আমাৰ জ্ঞানৰ আলয় নিৰ্মল হালৈ মহাবিদ্যালয়। তেওঁলোকৰ পূণ্য বেদীত নিবেদিছো এটোপাল অশ্ৰু অঞ্জলি। ২০১০-১১ বৰ্ষৰ উপ সভাপতি পদত মোক বিনা প্রতিদ্বন্দিতাৰে নিৰ্বাচন কৰা বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

উপ সভাপতি পদত থাকি মহাবিদ্যালয়খনলৈ নতুনত্ব অনাৰ আপ্ৰাণ চেষ্টা কৰিছিলো কিন্তু নাজানো কিমান সফল হ'লো। ছাত্র একতা সভাৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতে আৰম্ভ হয় মহাবিদ্যালয় সপ্তাহ। এইবাৰৰ মহাবিদ্যালয় সপ্তাহ কিছু ব্যতিক্ৰম আছিল কাৰণ ছাত্র একতা সভাৰ সদস্য সকলে নতুনত্ব অনাৰ আপ্ৰাণ চেষ্টা কৰিছিল। কিছু ক্ষেত্ৰত আমি সফল হোৱা যেন অনুভৱ কৰো কাৰণ এইবাৰ মহাবিদ্যালয় সপ্তাহত অংশ গ্ৰহণ কৰা ছাত্র-ছাত্রীৰ সংখ্যা আগৰ বাৰৰ তুলনাত যথেষ্ট বেছি আছিল।

হে মোৰ শ্ৰদ্ধাৰ বন্ধু-বান্ধৱী লগতে ভাইটি-ভন্টিসকল তোমালোকে যেতিয়া ইউনিফৰ্ম পৰিধান কৰি বিদ্যালয়লৈ অহা তেতিয়া বিদ্যালয়ৰ সৌন্দৰ্য দুগুণে বৃদ্ধি হয়। সেয়ে মহাবিদ্যালয়লৈ আহোতে সদায় ইউনিফৰ্ম পৰিধান কৰিহে আহিবা আৰু মহাবিদ্যালয়ৰ বাহিৰতো এই ইউনিফৰ্মৰ মৰ্যাদা বজাই ৰাখিবা। লগতে কওঁ যে কিছুমান ছাত্র-ছাত্রীয়ে শ্রেণীকোঠাৰ বেৰত পাণ, গুটখাৰ পিক্ মাৰি বেৰবোৰ পুনৰ ... কৰিব লগা কৰে। কিছুমানে আকৌ মহাবিদ্যালয়ৰ দৰ্জা-খিৰিকি, ডেস্ক-বেঞ্চ ভাঙি মহাবিদ্যালয় কৰ্তৃপক্ষক অসুবিধা সন্মুখীন কৰে এনেবোৰ ছাত্র-ছাত্রীলৈ মোৰ বিনম্র অনুৰোধ যে তেওঁলোকে এইবোৰ অনৈতিক কামৰ পৰা বিৰত থাকি সৃষ্টি মূলক কামতহে মনোযোগ দিয়ে।

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'প্ৰাগ্‌জ্যোতি' খন প্ৰকাশ কৰি উলিওৱাৰ বাবে মই আলোচনী সম্পাদকৰ লগতে ছাৰ বাইদেউ তথা সমূহ ছাত্রলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰিয় সহপাঠী বৃন্দ। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই অনাতো তোমালোকৰ হাতৰ মুঠিত। সেয়ে ভালদৰে পঢ়া-শুনা কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিব।

শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি তোমালোকৰ পৰা বিদায় মাগিছোঁ।●

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'





# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



সৰজু দাস
সাংস্কৃতিক সম্পাদিকা

প্রতিবেদনৰ প্রাক্ক্ষণতে মাতৃভূমিৰ শিক্ষা, অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া আৰু যিসকলে নিজৰ দেহকো তুচ্ছ জ্ঞান কৰি কলিজাৰ কেচা তেজেৰে দেশ মাতৃৰ চৰণ ৰাঙলী কৰিলে সেইসকল শ্বহীদলৈ মই মোৰ তৰফৰ পৰা অশেষ শ্রদ্ধাঞ্জলি নিবেদন কৰিলোঁ। লগতে যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টা, কষ্ট আৰু ত্যাগৰ বিনিময়ত পাটাছাৰকুছি অঞ্চলৰ বুকুত প্ৰাণ পাই উঠিল এই পৱিত্ৰ নিৰ্মল হালৈ মহাবিদ্যালয় সেই সকল মহান ব্যক্তিৰ চৰণত যাচিলোঁ এধাৰি তপত অশ্রু অঞ্জলি।

যোৱা ২০১০-১১ ইং বৰ্ষত মই নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকা পদলৈ নিৰ্বাচিত হওঁ। ঐতিহ্যমণ্ডিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সাংস্কৃতিক সম্পাদিকা পদৰ বাবে মনোনীত কৰি অগ্ৰজ অনুজ সকলোবোৰ বন্ধু-বান্ধৱীয়ে মোৰ প্রতি থকা বিশ্বাস আৰু মৰমৰ যি পৰিচয় দিলে তাৰ বাবে মই তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। এনেকুৱা এটা দায়িত্বশীল পদত অধিষ্ঠিত থাকি আপোনালোকক কিদৰে মই সেৱা কৰিলো আৰু তাত কিমানদূৰ সফলতা লাভ কৰিলোঁ সেইটো আপোনালোকৰ বিচাৰ্য।

যোৱা ২০১০-১১ ইং বৰ্ষৰ ছাত্র একতা সভাৰ সাংস্কৃতিক সম্পাদিকা পদৰ দায়িত্ব গ্ৰহণৰ পাছতে ২০/১২/২০১০ ইং তাৰিখৰ পৰা সপ্তাহজোৰা 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয় আৰু বিগত বছৰৰ দৰে এইবেলিও ইয়াত বিভিন্ন খেল-ধেমালিৰ লগতে সাংস্কৃতিক প্রতিযোগিতাসমূহ অনুষ্ঠিত হৈ যায়। এইখিনিতে প্ৰত্যেক বছৰে উত্থাপিত হোৱা এক অভিযোগ মই এইবাৰো উত্থাপন কৰিব খোজো যে, আমাৰ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ যিকোনো প্রতিযোগিতাৰ প্রতি আগ্রহ ক্ৰমাৎ হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ দ্বাৰা তেওঁলোকে নিজৰ সুপ্ত প্ৰতিভাখিনি বিকাশত প্ৰধান হেঙাৰ স্বৰূপে ঠিয় কৰাইছে লগতে অতীতৰ এক 'সোণালী স্মৃতি' বুলি সাঁচি ৰাখি থব পৰা এক সুন্দৰ সুযোগ হেৰুৱাইছে। মই এই প্ৰতিবেদনৰ জৰিয়তে পুনৰবাৰ অনুৰোধ কৰিছো যে, তেওঁলোকে প্ৰত্যেকটো খেল-ধেমালিয়েই হওঁবা বা সাংস্কৃতিক প্রতিযোগিতাতেই হওঁক সকলোতে অংশগ্ৰহণ কৰক। ইয়াত হৰা-জিকাৰ কোনো প্ৰশ্ন নাই। ইংৰাজীত এষাৰ কথা আছে —"Winners never quit, quiters never quit." গতিকে প্ৰত্যেকজন প্রতিযোগীয়ে এইখিনি কথা যেন মনত ৰাখে।

মোৰ কাৰ্যকালছোৱাত আৰম্ভণিতে সহায় তথা পৰামৰ্শৰ হাত আগবঢ়োৱা মোৰ শ্রদ্ধাৰ অধ্যক্ষ মহোদয়, তত্বাবধায়ক ৰুদ্ৰ কলিতা ছাৰ, হেমন্ত শীল ছাৰকে ধৰি সমূহ শিক্ষাগুৰু তথা মোৰ সকলোবোৰ বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই বহুমূলীয়া সহায়-সহযোগিতাৰ বাবে আপোনালোকৰ ওচৰত মই চিৰ ঋণী।

সদৌ শেষত মোৰ জ্ঞাত-অজ্ঞাত সকলো ভুল-ত্রুটিৰ মাৰ্জনা বিচাৰি ছাত্ৰ-ছাত্ৰীসকল এই মহাবিদ্যালয়ৰ একোগছি গৌৰৱৰ বন্তি হওঁক, অজ্ঞান এন্ধাৰ বিনাশী নতুন পোহৰেৰে আটাইবোৰ দিশতে চিৰ জ্যোতিস্মান হওঁক লগতে চিৰপ্ৰবাহমান হৈ ৰওঁক নিৰ্মল হালৈ মহাবিদ্যালয় তাৰেই কামনাৰে মই মোৰ নিৰল প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।●

'জয় আই অসম'

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



সুকুমাৰ শৰ্মা
সম্পাদক ছাত্ৰ জিৰণি কোঠা

প্ৰথমতে, যি সকলে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ্থে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি শ্বহীদৰ জয়মালা পিন্ধিলে, সেই সকল বীৰ-বীৰাংগনালৈ মোৰ তৰফৰ পৰা নিবেদিছো শত সহস্ৰ অশ্ৰু-অঞ্জলি আৰু লগতে এই যিসকল ব্যক্তিৰ প্ৰচেষ্টাত নিৰ্মল হাঁলৈ মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেই সকললৈ মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি যাঁচি মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

'নিৰ্মল হাঁলৈ মহাবিদ্যালয়' - এনে এখন মহান শিক্ষানুষ্ঠানত পঢ়িবলৈ পোৱাটোৱেই কম গৌৰৱৰ কথা নহয়। তাতে এনে এখন মহাবিদ্যালয়ত ২০১০-১১ ইং বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক পদৰ পদত নিৰ্বাচিত কৰি মোক যি গুৰু দায়িত্ব অৰ্পণ কৰিলে তাৰ কাৰণে সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ বছৰেকীয়া কাৰ্যকালৰ অভিজ্ঞতাৰ পৰা ক'ব বিচাৰো যে নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান এখনত এটি উন্নত মানৰ আৰু সা সুবিধা সম্পন্ন ছাত্ৰ জিৰণি কোঠা নথকাটো পৰিতাপৰ কথা। সেয়েহে যিমান দূৰ সম্ভৱ সিমান সোনকালে এটি বিজ্ঞানসন্মত আৰু অত্যাধুনিক সা-সুবিধা সম্পন্ন ছাত্ৰ জিৰণি কোঠাৰ ব্যৱস্থা কৰিবলৈ মই এই প্ৰতিবেদনৰ জৰিয়তে বিদ্যালয় কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ জনালোঁ। লগতে ছাত্ৰ জিৰণি কোঠালৈ অহা-যোৱা কৰা ৰাস্তাটো পকী কৰি অহা-যোৱা কৰাত ছাত্ৰ সকলক সুবিধা কৰি দিবলৈ অনুৰোধ জনালোঁ। এই সমস্যাৰ সমাধান হ'লে ছাত্ৰসকল বিশেষভাবে উপকৃত হ'ব বুলি আশা কৰিব পাৰি।

মোৰ কাৰ্যকাল নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত মোক উপযুক্ত দিহা পৰামৰ্শ তথা উৎসাহিত কৰা মাননীয় শিক্ষাগুৰু অধ্যক্ষ ড০ বীৰেন্দ্ৰ ডেকা, শ্ৰীমণিকান্ত দাস ছাৰ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াকে মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। মোক নিৰ্বাচনত জয়ী হোৱাত বিশেষভাবে সহায় কৰা জুতিকা, ৰেখা, বিভা, ধীৰামণি, ইপ্সিতা, সীমা সমুদ্ৰ, হিমাংশু, ধনজিৎ, ৰাণা, জ্যোতিষ আ বহুতৰে ওচৰত মই চিৰ কৃতজ্ঞ।

ওপৰোক্ত সকলোলৈ মোৰ আন্তৰি মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মই সদৌ শেষত মোৰ কাৰ্যকালত হো অনিচ্ছাকৃত ভুল-ভ্ৰান্তিবোৰৰ বাবে সমূহ শিক্ষ শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ ওচ ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

নিৰ্মল হাঁলৈ মহাবিদ্যালয়ৰ সৰ্বোত্ত উন্নতি কামনা কৰি মই মোৰ চমু প্ৰতিবেদ সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়'





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



ববিতা গোস্বামী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

বাৰ্ষিক প্ৰতিবেদনৰ বুলনিতে অসমীয়া জাতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে যিসকল বীৰ-বীৰাঙ্গণা শ্বহীদে নিজৰ জীৱন উছৰ্গা কৰি জয়মালা পিন্ধিলে, সেই সকল মহান শ্বহীদক মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে কিছুদিন পূৰ্বে আমাৰ মাজৰ পৰা আঁতৰি যোৱা সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু জ্ঞানপীঠ বঁটা বিজয়ী ড০ মামণি ৰয়ছম গোস্বামী বাইদেউলৈ মোৰ লিখনিৰ পৱিত্ৰ মুহূৰ্তত আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

২০১০-১১ ইং বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে জয়লাভ কৰিবলৈ সুযোগ দিয়াৰ বাবে 'নিৰ্মল হাঁলৈ মহাবিদ্যালয়'ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতে আৰম্ভ হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ পৰামৰ্শ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আকুণ্ঠ সহায়-সহযোগিতাত চলাবলৈ সক্ষম হৈছিলো মহাবিদ্যালয় সপ্তাহ। বিগত বছৰৰ দৰে এই বছৰো আমাৰ বিভাগৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতা সমূহত বহু প্ৰতিযোগীয়ে যোগদান কৰে।

মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, কৰ্মচাৰী বৃন্দ আৰু তত্বাবধায়ক তপন কলিতা ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোক বিভিন্ন দিহা পৰামৰ্শৰে প্ৰেৰণা দিয়া বন্ধু-বান্ধৱী সকল বনজিৎ, জিন্তু, কমল, ধনজিৎ, নমিতা, বিৰিণা, নমিতা (সৰু), বন্দনা, সৰজুৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত মোৰ কাৰ্যকালত যদি অজানিতে কেতিয়াবা ভুল কৰিছো তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, ছাৰ-বাইদেউ সকলৰ ওচৰত এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ ঐক্য, শান্তি আৰু উজ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হাঁলৈ মহাবিদ্যালয়'

'জয় আই অসম'

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



ধনজিৎ ৰয়
সম্পাদক, সমাজ সেৱা বিভাগ

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকলে বুকুৰ কেচা তেজেৰে ইতিহাস ৰচিলে সেই বীৰ শ্বহীদ সকলৰ লগতে বিগত বছৰবোৰত দেশ মাতৃৰ সেৱাত প্ৰাণ আহুতি দিয়া শ্বহীদ সকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ আৰু শিক্ষানুষ্ঠানখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যি সকল মহান ব্যক্তিৰ ত্যাগ আৰু শ্ৰম নিহিত হৈ আছে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১০-১১ ইং বৰ্ষৰ ঐতিহ্যমণ্ডিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি সেৱা কৰাৰ সুবিধা দিয়া বাবে মই সমূহ বন্ধু-বান্ধৱী তথা মৰমৰ ভাইটি-ভণ্টিসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মই পূৰ্বৰ বিভাগীয় সম্পাদকৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আমাৰ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি সমাজ সেৱা বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল আৰু মহাবিদ্যালয় সপ্তাহৰ অন্তত প্ৰতিযোগীসকলক বিভিন্ন বঁটাৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক সদানন্দ দাস ছাৰ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে বিভিন্ন সময়ত সহায় কৰা বনজিৎ, কমল, মানস, নৱদ্বীপ, দীপ, সুৰজিৎ, নিহাৰ, নিজু, মুনি, মনিষা, পুষ্পা বা আদি সকলোৰে ওচৰত মই কৃতজ্ঞ।

আনহাতে মোৰ কাৰ্যকালতে আমাৰ মহাবিদ্যালয়ত নতুনকৈ কেইবাখনো ফুলনি বাগিছা বনোৱা হয়। যাৰ ফলত মহাবিদ্যালয়খন দেখিবলৈ অতি সুন্দৰ হৈ পৰিছে। মহাবিদ্যালয়খন দেখাত ধুনীয়া হ'লেই ইয়াৰ নাম হ'ব আমাৰ মহাবিদ্যালয়ৰ ল'ৰা-ছোৱালীৰ দক্ষতাৰ ওপৰত। মই সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ কৰোঁ যাতে শিক্ষাৰ প্ৰতি আগ্ৰহ বঢ়াই আমাৰ মহাবিদ্যালয়খন শিক্ষাৰ ক্ষেত্ৰত বহুত ওপৰলৈ নিব পাৰে। ব্যক্তি আৰু সমাজৰ মাজত থকা গভীৰতম সম্পৰ্কই সমাজসেৱা তথা সমাজৰ প্ৰতি দায়বদ্ধতাৰ সৃষ্টি কৰে। মই এই ক্ষেত্ৰত মোৰ দায়বদ্ধতা পালন কৰাত কিমান দূৰ সফল হৈছো নাজানো, এয়া আপোনালোকৰ বিচাৰ্য।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অজ্ঞাত ভুল ত্ৰুটি সমূহৰ বাবে ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।●

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'





# মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

**বিয়াগীত প্ৰতিযোগিতা**
১মঃ কংকী দেৱী
২য়ঃ অনিতা ৰয়
৩য়ঃ অৰ্পণা ৰয়
অৰ্চনা কলিতা

**লোকগীত প্ৰতিযোগিতা**
১মঃ অৰ্পণা ৰয়
২য়ঃ পদুমী খাটনিয়াৰ
৩য়ঃ কংকী দেৱী

**আধুনিক গীত প্ৰতিযোগিতা**
১মঃ অৰ্পণা ৰয়
২য়ঃ পদুমী খাটনিয়াৰ
৩য়ঃ কংকী দেৱী

**পাৰ্বতী প্ৰসাদ বৰুৱা গীত**
১মঃ অৰ্পণা ৰয়
২য়ঃ পদুমী খাটনিয়াৰ

**জিকিৰ প্ৰতিযোগিতা**
১মঃ তুলিকা দেৱী
২য়ঃ মূৰ্চ্ছনা ঠাকুৰীয়া

**জ্যোতি সংগীত প্ৰতিযোগিতা**
১মঃ কংকী দেৱী
২য়ঃ অৰ্পণা ৰয়

**ৰাভা সংগীত প্ৰতিযোগিতা**
১মঃ অৰ্পণা ৰয়
২য়ঃ কংকী দেৱী
৩য়ঃ পদুমী খাটনিয়াৰ

**বিহু গীত প্ৰতিযোগিতা**
১মঃ অৰ্পণা ৰয়
২য়ঃ পাপৰি গোস্বামী
পদুমী খাটনিয়াৰ

উদগণিমূলকঃ মোহিত ৰাভা

**কৌতুক প্ৰতিযোগিতা**
১মঃ হজৰত আলি
২য়ঃ তাজনুৰ আলি
উদগণিমূলকঃ ধীৰা কলিতা

**একক নৃত্য প্ৰতিযোগিতা**
১মঃ হিৰামণি দাস
২য়ঃ ডলি ৰয়
৩য়ঃ ববিতা ৰয়
পুষ্পা কলিতা

**একক অভিনয়**
১মঃ সৰুযু দাস
২য়ঃ গীতিমা কলিতা
৩য়ঃ মোহিত ৰাভা

**মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়িকা অৰ্পণা ৰয়**

# Result of Major Games -2011

**100 Mtr. Race (Boys)**
1st. : Bidyut Choudhury (T.D.C.1st year)
2nd : Gautam Nath (T.D.C. 1st year)
3rd : Hirak Jyoti Das (T.D.C. 1st year)

**100 Mtr. Race (Girls)**
1st : Jasminara Begum (H.S. 2nd year)
2nd : Chandana Uzir (T.D.C. 1st year)
3rd : Namita Devi

**200 Mtr. Race (Boys)**
1st : Gautam Nath
2nd : Biswajit Roy
3rd : Hirak Jyoti Das
Gopesh Kalita

**200 Mtr. Race (Girls)**
1st : Nijara Kakati (T.D.C. 2nd year)
2nd : Jasminara Begum (H.S. 2nd year)
3rd : Namita Devi (T.D.C. 2nd year)

**300 Mtr. Race (Girls)**
1st : Monisa Baishya
2nd : Namita Devi
3rd : Nijara Kakati

**400 Mtr. Race (Boys)**
1st : Khanin Bezbaruah (T.D.C. 1st year)
2nd : Gautam Nath (T.D.C. 1st year)
3rd : Nihar Kalita (T.D.C. 1st year)

**800 Mtr. Race (Boys)**
1st : Anup Medhi (T.D.C. 2nd year)
2nd : Gautam Nath (T.D.C. 1st year)
3rd : Biswajit Goswami (T.D.C. 1st year)

**Discus Throw (Boys)**
1st : Pankaj Patgiri (T.D.C 1st year)
2nd : Kamal Medhi
3rd : Bhabajit Das (T.D.C. 2nd year)

**Discus Throw (Girls)**
1st : Urmila Baro (T.D.C. 1st year)
2nd : Chandana Uzir (T.D.C. 1st year)
3rd : Pranita Haloi (T.D.C. 2nd year)

**Weight Throw (Boys)**
1st : Kamal Medhi
2nd : Bhagawan Deka (T.D.C. 1st year)
3rd : Bhaskar Kalita (T.D.C. 1st year)

**Weight Throw (Girls)**
1st : Chandana Uzir (T.D.C. 1st year)
2nd : Sapnasikha Roy (T.D.C. 2nd year)

**Javalin Throw (Boys)**
1st : Gopesh Kalita (T.D.C 1st year)
2nd : Hemanta Talukdar
3rd : Ranenjit Sarma

**Javalin Throw (Girls)**
1st : Jasminara Begum (H.S. 2nd year)
2nd : Kalpana Baishya (T.D.C. 2nd year)
3rd : Chandana Uzir (T.D.C. 1st year)

**High Jump (Boys)**
1st : Bhabajit Das (T.D.C. 2nd year)
2nd : Manoj Pathak (T.D.C. 1st year)
3rd : Nayan Madahi (T.D.C. 1st year)

**High Jump (Girls)**
1st : Jasminara Begum (H.S. 2nd year)
2nd : Chandana Uzir (T.D.C. 1st year)

**Long jump (Boys)**
1st : Bhabajit Das
2nd : Manoj Pathak (T.D.C 1st year)
3rd : Nayan Modahi (T.D.C. 1st year)
Kankan Kalita (H.S. 2nd year)

**Long jump (Girls)**
1st : Doli Talukdar (T.D.C 1st year)
2nd : Jasminara Begum (H.S. 2nd year)
3rd : Chandana Uzir (T.D.C. 1st year)

**Kabaddi**
1st : Babita Roy
Nijara Kakati
Kabita Pathak
Bhanita Kalita
Arpana Bharali
Hemlata Deka

**Cricket Winner Team**
Nihar Kalita
Upakul Sarma
Banajit Sarma
Prasanta Choudhury
Simanta Roy
Dipanka Sarma
Dhanjit Roy
Surajit Kalita
Nabadeep Sarma
Dhanjit Goswami
Anup Medhi
Mrinal Roy

**Runners Team**
Nipu Das
Manash Kalita
Dipankar Kalita
Npan Baro
Dhanjit Barman
Simanta Pathak
Mantu Kalita
Manash Sarma
Himanshu Deka
Manash Talukdar
Nipan Mazumdar
Sanjib Sarma

**Best Player (Boys)**
Gautam Nath


**Best Player (Girls)**
Chandana Uzir

**Best Cricket Player**
Dipanku Sarma

**আমাৰ গৌৰৱ**

মহাবিদ্যালয়ৰ ছাত্ৰ মানস শৰ্মাই ভলীবল প্ৰতিযোগিতাত অসমৰ হৈ খেলি সোণৰ পদক অৰ্জন কৰিছিল। সেইবাবেই মহাবিদ্যালয় তৰফৰ পৰা এটি বিশেষ বঁটা প্ৰদান কৰা হৈছিল।






কৰ্তব্যৰত অৱস্থাত
মহাবিদ্যালয়ৰ অধ্যক্ষ
ড০ বীৰেন্দ্ৰ ডেকা
- ২০০৪-১১ বৰ্ষ



কৰ্তব্যৰত অৱস্থাত
মহাবিদ্যালয়ৰ
বৰ্তমানৰ অধ্যক্ষ
ড০ ভূপেশ শৰ্মা



কৰ্তব্যৰত অৱস্থাত
মহাবিদ্যালয়ৰ
বৰ্তমানৰ উপাধ্যক্ষ
নিৰ্মল শইকীয়া


ড০ বীৰেন্দ্ৰ ডেকা
অধ্যক্ষ


মাণিক চন্দ্ৰ দাস
তত্ত্বাবধায়ক, মুখপত্ৰ


হেমন্ত কুমাৰ শীল
তত্ত্বাবধায়ক, ছাত্ৰ একতা সভা


ৰুদ্ৰ কলিতা
তত্ত্বাবধায়ক, সাংস্কৃতিক বিভাগ


গীতাশ্ৰী গোস্বামী
তত্ত্বাবধায়িকা, তৰ্ক বিভাগ


মণিকান্ত দাস
তত্ত্বাবধায়ক, ছাত্ৰ জিৰণি কোঠা


জীতেন ভাগৱতী
তত্ত্বাবধায়ক, গুৰু খেল বিভাগ


প্ৰণৱ দাস
তত্ত্বাবধায়ক, লঘু খেল বিভাগ


সদানন্দ দাস
তত্ত্বাবধায়ক, সমাজ সেৱা বিভাগ


তপন কলিতা
তত্ত্বাবধায়ক, ছাত্ৰী জিৰণি কোঠা


কমল মেধি
সম্পাদক, ছাত্ৰ একতা সভা


সঞ্জীৱ কুমাৰ শৰ্মা
সম্পাদক, মুখপত্ৰ


সুৰজিৎ দেৱ চৌধুৰী
উপ সভাপতি, ছাত্ৰ একতা সভা


ধনজিৎ ৰয়
সম্পাদক, সমাজ সেৱা বিভাগ


ৰবিতা গোস্বামী
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা


সৰজু দাস
সাংস্কৃতিক সম্পাদিকা


সুকুমাৰ শৰ্মা
সম্পাদক, ছাত্ৰ জিৰণি কোঠা



পাৰ্থপ্ৰতীম গোস্বামী
সহঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা


উপকুল শৰ্মা
সম্পাদক, গুৰু খেল বিভাগ



মহাবিদ্যালয়ৰ শিক্ষক গোটৰ একাংশ


মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠা


মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দৰ একাংশ


মহাবিদ্যালয়ৰ পুথিভঁৰালৰ একাংশ


ছাত্ৰ একতা সভা


কৰ্তব্যৰত অৱস্থাত পুথিভঁৰালী




মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাৰ মুহূৰ্ত



প্ৰাগজ্যোতি সম্পাদনা সমিতি



মহাবিদ্যালয়ৰ এটি দৃশ্য



মহাবিদ্যালয়ৰ পৰীক্ষা গৃহৰ এটি দৃশ্য



মহাবিদ্যালয়ৰ শ্বহীদ বেদীত শ্বহীদ তৰ্পণ

# নৱাগত আদৰণি সভাৰ কেইটিমান মুহূৰ্ত










নির্মল হালৈ মহাবিদ্যালয়
স্থাপিত: ১৯৭৯ চন
পাটাছাৰকুছি


নির্মল হালৈ মহাবিদ্যালয়